● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*জীৱন যদি আন্দাজ কৰিব পৰা হয় তেন্তে ই জীৱন হৈ নাথাকিব আৰু ই সৌন্দৰ্য হেৰুৱাই পেলাব।*

ইলিনৰ ৰুজভেল্ট
*আমেৰিকাৰ প্ৰথম মহিলা*



www.dainikagradoot.in

৭ ভাৰতত বৃহৎ চহৰতে কৰ'নাৰ সৰ্বাধিক সংক্ৰমণ
১১ অনুশীলনৰ সুযোগ দিব লাগে শ্বুটাৰক ঃ নাৰং
৪ তৃতীয়টো হওক অন্তিম তলাবন্ধ

RNI-Regd No. 62953/96 ■ পঞ্চবিংশতিতম বছৰ ● ২১৪তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৩১ ব'হাগ ১৪২৭ ভাস্কৰাব্দ ১৪ মে' ২০২০ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 14 May 2020 মূল্য ঃ ৭.০০ টকা

## মহানগৰীত একেলগে আৰু ১৫জন সংক্ৰমিত

■ ফাঁচী বজাৰৰ আলুৰ গুদামক কেন্দ্ৰ কৰি সংক্ৰমিত শ্ৰমিক-চালক-ক্ষৌৰকৰ্মী ■ গাড়ী চালকৰ পৰা সংক্ৰমণৰ আশংকা স্বাস্থ্যমন্ত্ৰীৰ ■ আক্ৰান্তক এম এম চিত ভৰ্তি ■ শান্তিপুৰ-কুমাৰপাৰা-ফটাশিলৰ বৃহৎ অঞ্চলক কণ্টেইনমেণ্ট জ'ন ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ মে' ঃ** আজি গুৱাহাটী মহানগৰীত একেলগে ১৫জনকৈ লোক ক'ভিড-১৯ত আক্ৰান্ত হোৱাৰ তথ্য পোহৰলৈ আহিল। ৰাজ্যৰ অন্যতম ব্যৱসায়িক কেন্দ্ৰস্থল ফাঁচী বজাৰক কেন্দ্ৰ কৰি হোৱা এই বৃহৎ সংক্ৰমণে গুৱাহাটী মহানগৰীকে ধৰি সমগ্ৰ ৰাজ্যখনলৈ যেন অশানি সংকেত কঢ়িয়াই আনিছে। কালি এই বজাৰখনৰ আলুৰ গুদামৰ লগতে হোটেল ৰাজকমলতো কাম কৰা মুংৰী সাহানী নামৰ এজন শ্ৰমিক ক'ভিড-১৯ত আক্ৰান্ত হোৱাটো




নিশ্চিত হয়। মুংৰীৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ অহা ৩২ জন লোকক কালিয়েই মহানগৰীৰ ভিন ভিন স্থানত কোৱাৰেণ্টাইনত ৰখা হৈছিল। আজি তাৰে ১৫ জনৰ ফলাফল পজিটিভ আহে বুলি স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে। তেওঁ লগতে কয় যে আৰু অধিক সংখ্যক লোকৰ নমুনা পৰীক্ষা অব্যাহত আছে। আজি আক্ৰান্ত লোককেইজনৰ ভিতৰত সৰহসংখ্যকেই মুংৰীৰ লগত একেলগে আলুৰ পাইকাৰী বজাৰত কাম কৰা শ্ৰমিক। আক্ৰান্তসকলৰ ভিতৰত আলু কঢ়িওৱা বাহনৰ চালক *দুই পৃষ্ঠাত চাওক*

## দুৰ্যোগৰ সময়ত মছজিদ হৈ পৰক সম্প্ৰচাৰৰ কেন্দ্ৰ

■ অধ্যাপক ডাঃ ইলিয়াছ আলি



**সম্প্ৰতি** কৰ'না মহামাৰীয়ে সমগ্ৰ বিশ্বতে এক ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। আজি দুপৰীয়া ১২ বজালৈকে ৪৩ লাখ ৪৩ হেজাৰ ২৫১জন ব্যক্তি কৰ'নাত আক্ৰান্ত হৈছে আৰু ইয়াৰে দুই লাখ ৯২ হেজাৰ ২১৩ জন মৃত্যু মুখত পৰিছে। আমাৰ ভাৰতবৰ্ষতো *আঠ পৃষ্ঠাত চাওক*

## সম্পাদকক লগত লৈ সাহিত্য সভাত পুনৰ দপদপনি পৰমানন্দৰ

কাৰ্যবাহী সমিতিক লৈ চলিছে কূট-কৌশল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ মে' ঃ** অসম সাহিত্য সভাক পৈতৃক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিছে প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে। সেয়েহে বিগত দিনবোৰত নিজৰ কাম-কাজেৰে *আঠ পৃষ্ঠাত চাওক*

## কেন্দ্ৰৰ ২০ লাখ কোটিটকীয়া পেকেজৰ বিতং ৰূপৰেখা ঘোষণা

### কৃষক-মধ্যবিত্ত শ্ৰেণী-ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগলৈ বিভিন্ন আকৰ্ষণীয় আঁচনি

# দিশহাৰাসকললৈ আৰ্থিক সকাহ


কৰ'না সংক্ৰমণৰ আশংকা কঢ়িয়াই মহানগৰীৰ বাজপথত ভিৰ, বুধবাৰে।

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৩ মে' ঃ** সাম্প্ৰতিক কৰ'না পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দিশহাৰা হৈ পৰা সকললৈ আৰ্থিক সকাহ দি কেন্দ্ৰীয় চৰকাৰে ২০ লাখ কোটিটকীয়া পেকেজ ঘোষণা কৰিলে। দেশৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (এম এছ এম ই)লৈ বৃহৎ সকাহ কঢ়িওৱাৰ লগতে কৰদাতাসকললৈয়ো সকাহ দি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি এই বৃহৎ পেকেজৰ বিস্তৃত ৰূপৰেখা দাঙি ধৰে। কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'আত্মনিৰ্ভৰশীল ভাৰত অভিযান'ৰ লক্ষ্যৰে কৃষক আৰু মধ্যবিত্ত শ্ৰেণীলৈ অৰ্থনৈতিক পেকেজৰ কথা ঘোষণা কৰাৰ পাছত আজি বিত্তমন্ত্ৰী *দুই পৃষ্ঠাত চাওক*



## চকুৰ পচাৰতে ২০ লাখ কোটিটকীয়া পেকেজ

- আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণ আৰু অৰ্থনৈতিক বিকাশৰ বাবে 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ প্ৰয়াস।
- আয়কৰ ৰিটাৰ্ণ জমা দিয়াৰ সময় ২০২০ৰ ৩০ নৱেম্বৰলৈ বৃদ্ধি।
- ইয়াৰ ফলত সাধাৰণ মানুহৰ হাতলৈ যাব ৫০ হেজাৰ কোটি টকা।
- পূৰ্বে যি পৰিমাণৰ টি ডি এছ কৰ্তন কৰা হৈছিল, এতিয়া তাৰ পৰিমাণ ২৫ শতাংশ হ্ৰাস কৰা হ'ব।
- ২০২১ৰ ৩১ মাৰ্চ পৰ্যন্ত টি ডি এছ ২৫ শতাংশ পৰ্যন্ত হ্ৰাস কৰা হ'ব।
- নিৰ্মাণ খণ্ডৰ প্ৰকল্পৰ ম্যাদ তিনিমাহ অধিক বৃদ্ধি কৰা হ'ব।
- বেংক গেৰাণ্টিৰ ধন কিছু ওভতাই দিয়া হ'ব।
- ৰাজহুৱা-ব্যক্তিগত সংস্থাৰ ঠিকাদাৰীৰ ক্ষেত্ৰতো এই নিয়ম কাৰ্যকৰী কৰা হ'ব।
- ৰেল, পথ অথবা আন কোনো নিৰ্মাণ খণ্ডত চৰকাৰী কাম কৰা ঠিকাদাৰক তেওঁলোকৰ কাম শেষ কৰাৰ সময়সীমা তিনিৰ পৰা ছমাহ বৃদ্ধি কৰা হৈছে।
- অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া (এম এছ এম ই) উদ্যোগলৈ আমানত নোহোৱাকৈ তিনি লাখ কোটি টকাৰ ঋণ দিয়া হ'ব। এই পদক্ষেপৰ দ্বাৰা প্ৰায় ২৫ লাখ উদ্যোগ উপকৃত হ'ব আৰু তেওঁলোকে পুনৰ ব্যৱসায় আৰম্ভ কৰিব পাৰিব।
- দুৰ্বল আৰু ঋণগ্ৰস্ত এম এছ এম ইৰ বাবে ২০ হেজাৰ কোটিৰ ঋণ দিয়া হ'ব।
- এম এছ এম ইৰ পুঁজিত ৫০ হেজাৰ কোটিৰ তহবিল তৈয়াৰ কৰা হৈছে।
- এম এছ এম ইৰ নতুন সংজ্ঞা নিৰ্ণয় কৰা হৈছে।
- এক কোটি টকা বিনিয়োগ আৰু পাঁচ কোটি টকাৰ লেনদেন সম্পন্ন উদ্যোগসমূহক নতুন সংজ্ঞা অনুসৰি অতি ক্ষুদ্ৰ, ১০ কোটি টকাৰ বিনিয়োগ আৰু ৫০ কোটি টকাৰ লেনদেন কৰা উদ্যোগসমূহক ক্ষুদ্ৰ উদ্যোগ তথা ২০ কোটি টকাৰ বিনিয়োগ আৰু এশ কোটি টকাৰ লেনদেনযুক্ত উদ্যোগসমূহক মজলীয়া উদ্যোগৰূপে চিহ্নিত কৰা হৈছে।
- দুশ কোটি টকা পৰ্যন্ত চৰকাৰী প্ৰকল্পৰ নিবিদাৰ বাবে কোনো ধৰণৰ আন্তৰ্জাতিক নিবিদাৰ প্ৰয়োজন নহ'ব। অৰ্থাৎ দেশীয় সংস্থাই কামৰ সুযোগ লাভ কৰিব।
- বিত্তীয় প্ৰতিষ্ঠান (এন বি এফ চি), গৃহ নিৰ্মাণৰ বিত্তীয় কোম্পানী (এইছ এফ চি) আৰু মাইক্ৰ'ফাইনেন্স প্ৰতিষ্ঠান (এম এফ আই)লৈ ৩০ হেজাৰ কোটিৰ বিশেষ আঁচনি।
- সাম্প্ৰতিক পৰিস্থিতিত এন বি এফ চি, এইছ এফ চি আৰু এম এফ আইসমূহ বৃহৎ সমস্যাৰ সন্মুখীন হৈছে। এই পেকেজৰ ফলত এনে সংস্থাসমূহৰ হাতলৈ অধিক নগদ টকা আহিব।
- ঋণগ্ৰস্ত এন এফ বি চি আৰু এম এফ আইৰ বাবে ৪৫ হেজাৰ কোটি টকাৰ অতিৰিক্ত সুবিধা আদায় দিয়া হ'ব।
- বিদ্যুৎ বিতৰণ কোম্পানীলৈ ৯০ হেজাৰ কোটি টকাৰ পেকেজ দিয়া হ'ব। ইয়াৰ ফলত বিদ্যুৎ ক্ৰয় কৰি উপভোক্তাক সৰবৰাহ কৰা কোম্পানীসমূহে ঋণ গ্ৰহণ কৰিব পাৰিব আৰু তেওঁলোকৰ বাবে আমানতৰ প্ৰয়োজন নহ'ব, চৰকাৰেই গেৰাণ্টাৰ হ'ব।
- কৰ্মচাৰীৰ ভৱিষ্যনিধিলৈ ২৫শ কোটিৰ সমৰ্থন পুনৰ তিনিমাহৰ বাবে বৃদ্ধি কৰা হ'ব। অৰ্থাৎ জুন, জুলাই আৰু আগষ্ট— এই তিনিমাহত চৰকাৰে কৰ্মচাৰী আৰু স্বত্বাধিকাৰীয়ে ভৱিষ্যনিধিত জমা দিবলগীয়া ধন আদায় দিব। কৰ্মচাৰী আৰু স্বত্বাধিকাৰীৰ ভৱিষ্যনিধিৰ জমা দিবলগীয়া ধনৰ পৰিমাণ ১২ শতাংশৰ পৰা ১০ শতাংশ কৰা হৈছে আগন্তুক তিনিমাহৰ বাবে।

## কৰ আদায়ত সকাহ ঃ আগন্তুক তিনিমাহলৈ ভৱিষ্যনিধিৰ ধন হ্ৰাস, টিডিএছ ২৫ শতাংশ হ্ৰাস

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৩ মে' ঃ** কৰ'না ভাইৰাছ প্ৰতিৰোধ কৰিবলৈ দেশজুৰি দীঘলীয়া তলাবন্ধৰ ফলত ব্যক্তিগত প্ৰতিষ্ঠান অথবা তাত কৰ্মৰত কৰ্মচাৰীয়ে দেশৰ ঠায়ে ঠায়ে বৃহৎ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। এই অৱস্থাৰ পৰা সকাহ দিবলৈ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি কয় *আঠ পৃষ্ঠাত চাওক*



## কৰ'নাৰ স্থিতি



**বিশ্ব**

| | |
|---|---|
| আক্ৰান্ত | ঃ ৪৩,৯৩,১৯৩ |
| মৃত | ঃ ২,৯৫,৪৫০ |
| আৰোগ্য | ঃ ১৬,৩৪,৪৮৩ |

**ভাৰত**

| | |
|---|---|
| আক্ৰান্ত | ঃ ৭৮,০৪১ |
| মৃত | ঃ ২,৫৫১ |
| আৰোগ্য | ঃ ২৬,৩০০ |

**ৰাজ্যসমূহৰ স্থিতি**

| ৰাজ্য | আক্ৰান্ত | মৃত | সুস্থ |
|---|---|---|---|
| অসম | ৭৯ | ২ | ৪০ |
| অৰুণাচল | ১ | ০ | ১ |
| মিজোৰাম | ১ | ০ | ১ |
| মণিপুৰ | ২ | ০ | ২ |
| মেঘালয় | ১৩ | ১ | ১০ |
| ত্ৰিপুৰা | ১৫২ | ১ | ২ |
| নগালেণ্ড | ১ | ০ | ১ |
| দিল্লী | ৭৯৯৮ | ১০৬ | ২৮৫৮ |
| মহাৰাষ্ট্ৰ | ২৫৯২২ | ৯৭৫ | ৫৫৪৭ |
| গুজৰাট | ৯২৬৮ | ৫৬৬ | ৩৫৬২ |
| অন্ধ্ৰ | ২১৩৭ | ৪৭ | ১১৪২ |
| কৰ্ণাটক | ৯৫৯ | ৩৩ | ৪৫১ |
| ৰাজস্থান | ৪৩২৮ | ১২১ | ২৫৭৩ |
| ইউ পি | ৩৭৫৮ | ৮৬ | ১৮৭৩ |
| তামিলনাডু | ৯২২৭ | ৬৪ | ২১৭৬ |
| তেলেংগানা | ১৩৬৭ | ৩৪ | ৯৩৯ |
| কাশ্মীৰ | ৯৭১ | ১০ | ৪৬৬ |
| গোৱা | ৭ | ০ | ৭ |
| কেৰালা | ৫৫৩ | ৪ | ৪৯০ |
| পুদুচেৰী | ১৫ | ০ | ৯ |
| এম পি | ৪১৭৩ | ২৩২ | ২০০৪ |
| ওড়িছা | ৫৩৮ | ৩ | ১৪৩ |
| বিহাৰ | ৯৪০ | ৭ | ৩৮২ |
| ঝাৰখণ্ড | ১৭৭ | ৩ | ৭৯ |
| বংগ | ২২৯০ | ২০৭ | ৭০২ |
| চত্তিছগড় | ৫৯ | ০ | ৫৫ |
| উত্তৰাখণ্ড | ৭২ | ১ | ৪৭ |
| হাৰিয়ানা | ৭৯৩ | ১১ | ৪১৮ |
| পঞ্জাৱ | ১৯২৪ | ৩২ | ২০০ |
| লাডাখ | ৪৩ | ০ | ২২ |
| হিমাচল | ৬৬ | ৩ | ৩৫ |
| চণ্ডীগড় | ১৯৬ | ৩ | ৩০ |
| আন্দামান | ৩৩ | ০ | ৩৩ |



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২২° |
| ডিব্ৰুগড় | ২৮° | ১৯° |
| দিল্লী | ৩৫° | ২৪° |
| কলকাতা | ৩৮° | ২৮° |
| মুম্বাই | ৩৩° | ২৮° |
| চেন্নাই | ৩৭° | ২৯° |
| বাংগালুৰু | ৩৪° | ২৩° |
| শ্বিলং | ২০° | ১৬° |

*১৩ মে', ২০২০*

**মাহে ৰমজান**

ইফটাৰ
আজি আবেলি ঃ ৬.০১ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.১০ বজা
* গুৱাহাটীৰ সময়

■ দেশত কমেও ৭৬ হেজাৰ লোক সংক্ৰমিত-মৃত্যু ২৪৫২ জনৰ

## কৰ'নাত আক্ৰান্তৰ সংখ্যাৰে চীনৰ পাছতে স্থান অধিকাৰ ভাৰতৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৩ মে' ঃ** ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ভাৰতত অহা ১৮ মে'ৰ পৰা আৰম্ভ হ'ব চতুৰ্থ পৰ্যায়ৰ তলাবন্ধ। ইতিমধ্যে দেশে তলাবন্ধৰ ৫০ দিন অতিক্ৰম কৰিছে। তথাপি একাংশ ৰাজ্যত সংক্ৰমণৰ ভয়াবহ ৰূপ অব্যাহত আছে। প্ৰতিদিনে বৃহৎসংখ্যক লোক এই ভাইৰাছত আক্ৰান্তৰ তথ্য পোহৰলৈ আহিছে। যোৱা



২৪ ঘণ্টাত চাৰে তিনি হেজাৰৰো অধিক লোক এই ভাইৰাছত আক্ৰান্ত হয়। ইয়াৰ ফলত ভাৰতত কৰ'নাত আক্ৰান্তৰ সংখ্যা আজি ৭৫,৮৪৯ জনলৈ বৃদ্ধি হয়। ফলস্বৰূপে ভাৰতে আজি কৰ'নাৰ উৎপত্তিস্থল চীনৰ পাছতে স্থান লাভ কৰে। উল্লেখ্য যে চীনৰ চৰকাৰী তথ্য অনুসৰি কৰ'নাত আক্ৰান্তৰ সংখ্যা কমেও ৮৪ হেজাৰ। প্ৰসংগক্ৰমে *আঠ পৃষ্ঠাত চাওক*

■ কৰ'নাৰ মাধমাৰ ঃ মন্দাৱস্থাতকৈয়ো তিনিগুণ অধিক নিবনুৱা হ'ল

## এপ্ৰিলতে আঢ়ৈ কোটিয়ে সংস্থাপন হেৰুৱালে আমেৰিকাত

■ হোটেল-ৰেস্তোৰাঁ-নিৰ্মাণ খণ্ড-উদ্যোগ খণ্ড সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে



■ নিউজ ব্যুৰ'

**ৱাশ্বিংটন, ১৩ মে' ঃ** বিশ্বৰ সৰ্বশক্তিমান ৰাষ্ট্ৰ আমেৰিকা এতিয়া গভীৰ সংকটত। কৰ'নাই চাৰিওদিশৰ পৰা দেশখনক সৰ্বস্তৰত উশাহ ল'ব নোৱাৰাকৈ চেপি ধৰিছে। যদিও মহাশক্তিধৰ দেশখনৰ নিৰ্দিষ্ট কেইখনমান প্ৰদেশতহে অতিমাৰী কৰ'নাই ভয়াবহ ৰূপ ধাৰণ কৰিছে তাৰ প্ৰভাৱ কিন্তু সমগ্ৰ দেশখনত পৰিছে। প্ৰতিদিনে *আঠ পৃষ্ঠাত চাওক*

## কাজিৰঙাৰ মথাউৰি নিৰ্মাণ মে'ত সম্পূৰ্ণ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়/বোকাখাত, ১৩ মে' ঃ** 'কৰ'না যুঁজৰ সমান্তৰালভাৱে আমাৰ বিভিন্ন কৰ্মক্ষেত্ৰৰ কাম-কাজসমূহো আমি দৃঢ়তাৰে আগুৱাই নিব লাগিব। কঠোৰ পৰিশ্ৰমৰ দ্বাৰা *দুই পৃষ্ঠাত চাওক*

শিক্ষা বিভাগৰ অধিসূচনা জাৰি

## কৰ'নাৰ প্ৰভাৱত ৩১ মাৰ্চলৈ বৃদ্ধি চলিত শিক্ষা বৰ্ষৰ সময়সীমা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ মে' ঃ** চলিত শিক্ষা বৰ্ষৰ সময়সীমা ২০২১ৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰিলে ৰাজ্য চৰকাৰে। ৰাজ্যৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে গঠন কৰা ৰাজ্যিক পৰ্যায়ৰ টাস্ক ফ'ৰ্চৰ পৰামৰ্শৰ ভিত্তিতে শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই যোৱা ১১ মে'ত এ এইছ ই ২০২/২০২০/২৪ নম্বৰযোগে এই সম্পৰ্কত এক অধিসূচনা জাৰি কৰে। লগতে আগন্তুক *আঠ পৃষ্ঠাত চাওক*



## মহাৰাষ্ট্ৰৰ পৰা ট্ৰাকত বোজাই হৈ আহিল শিশুসহ ৭৯ শ্ৰমিক

**অগ্ৰদূত বাৰ্তা/অগ্ৰদূত ব্যুৰ'**

**শ্ৰীৰামপুৰ/গোসাঁইগাঁও/বঙাইগাঁও, ১৩ মে' ঃ** আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ উপস্থিতিতে আজি বহিঃৰাজ্যৰ পৰা অহা একাংশ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালে শ্ৰীৰামপুৰৰ নিৰীক্ষণ কেন্দ্ৰত অনেক দুৰ্ভোগৰ সন্মুখীন হয়। অতিশয় যন্ত্ৰণাদায়ক পৰিস্থিতিৰ মাজেৰে বহিঃৰাজ্যৰ পৰা অহা এইসকল শ্ৰমিকে শিশু-মহিলাসহ যোৱা নিশাৰ পৰা আজি *আঠ পৃষ্ঠাত চাওক*





## নাতিটোৱে মোক সাধু কয় আৰু ময়ো তাক সাধু কওঁ

নতুন উপন্যাস এখনৰ কিছু খণ্ড আৰম্ভ কৰিলো

**তলাবন্ধৰ অনুভৱ**

**ড° অৰূপা পটংগীয়া কলিতা**

**হঠাতে** আমি এক বিষম পৰিস্থিতিৰ সন্মুখীন হ'লো। কেতিয়াও ভবা নাছিলো যে এনে এক মহাসংকটৰ মুখামুখি হ'ব লাগিব। হ'লো। মুখামুখিতো হ'বই লাগিব। তাৰ পাছত দেখিলো যে এই মহামাৰীৰ সংক্ৰমণ প্ৰতিৰোধৰ এটাই উপায় যে মানুহে মানুহৰ পৰা দূৰত্ব বজাই ৰাখিব লাগিব। সেই বাবেই ঘোষিত হ'ল তলাবন্ধ।

তলাবন্ধৰ আগৰে পৰা মই আৰু মোৰ স্বামী ৰাজেন কলিতা গুৱাহাটীৰ ঘৰতে আছিলো। আগৰ পৰাই মহানগৰীৰ ঘৰখনত আমি দুজনেই থাকো। অৱশ্যে তলাবন্ধৰ আগে আগে মোৰ নাতি আৰু পো-বোৱাৰী দিল্লীৰ *আঠ পৃষ্ঠাত চাওক*

দিহিং পাটকাইত অবাধ খনন অব্যাহত ঃ তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ বিভিন্ন স্থানত মজুত কৰা হৈছে অবৈধ কয়লা

## তলাবন্ধ-সান্ধ্য আইন আশীৰ্বাদ হৈছে কয়লা ছিণ্ডিকেট চক্ৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৩ মে' ঃ** তলাবন্ধই সমগ্ৰ দেশৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰত স্থবিৰতা আনিলেও অসম এই ক্ষেত্ৰত ব্যতিক্ৰম হৈছে। আনকি চলিত তৃতীয় পৰ্যায়ৰ তলাবন্ধত সন্ধিয়া ছয় বজাৰ পৰা যি সৰ্বাত্মক সান্ধ্য আইন ঘোষণা কৰা হৈছে সেয়াও ৰাজ্যত অৰ্থহীন কৰিছে কয়লাৰ ছিণ্ডিকেট চক্ৰই।

**তিনিচুকীয়াতে প্ৰতিখন ট্ৰাকৰ পৰা ৪০ হেজাৰ পৰ্যন্ত সংগ্ৰহ**

বৰঞ্চ তলাবন্ধ, সান্ধ্য আইন আশীৰ্বাদহে হৈছে এই অসৎ চক্ৰবোৰৰ বাবে। তিনিচুকীয়াৰ দিহিং পাটকাই সংৰক্ষিত বনাঞ্চল আৰু ইয়াৰ সংলগ্ন *আঠ পৃষ্ঠাত চাওক*

# দক্ষিণ বৰপেটাত অচিন ৰোগত আক্ৰান্ত হৈ পশুধনৰ মৃত্যু

**আলোপতি, ১৩ মে’ ঃ** দুৰ্দশাই যেন লগ এৰা নাই সৰ্বসাধাৰণ লোকৰ। তলাবন্ধত সৰ্বতোপ্ৰকাৰে ক্ষতিৰ সন্মুখীন হৈছে কৃষকসকল। খেতিপথাৰত বিঘাই বিঘা পাচলি আৰু অইন খেতি নষ্ট হোৱাত দক্ষিণ বৰপেটাৰ শ শ কৃষকে মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সময়তে আন এক সংকটৰ সন্মুখীন হৈছে। জিলাখনৰ কৃষিপ্ৰধান অঞ্চলটোৰ বিভিন্ন প্ৰান্তত অচিন ৰোগত আক্ৰান্ত হৈ বহু পশুধনৰ মৃত্যু হোৱাত বহুতে সৰ্বহাৰা হৈছে। একাংশ ভুক্তভোগী কৃষকে ব্যক্ত কৰা মতে, সুস্থ অৱস্থাত থকা গৰু-ছাগলী তৎক্ষণাত অসুস্থ হৈ মৃত্যু হোৱাৰ একাধিক ঘটনা সংঘটিত হৈছে বৃহত্তৰ অঞ্চলটোত। জিলাখনৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত কালাইৰদিয়া গাঁৱত যোৱা নিশা চান্দু শ্বেইখৰ দুটাকৈ গৰু আকস্মিক মৃত্যুমুখত পৰাত দৰিদ্ৰ পৰিয়ালটোৰ মূৰত সৰগ ভাগি পৰে। ইপিনে, একেখন গাঁৱৰ ছফিকুল ইছলাম, আবু বক্কৰ, ছফিকুল হাদি নামৰ লোককেইজনৰ কে’বাটাও গৰুৰ অকস্মাৎ মৃত্যু হয়। অনুৰূপ ঘটনা সংঘটিত হৈছে জিলাখনৰ বাঘবৰ আৰু চেঙা সমষ্টিৰ বিভিন্ন গ্ৰামাঞ্চলত। বৃহত্তৰ চৰ-চাপৰি অঞ্চলত বিগত পযেকটোত অৰ্ধশতাধিক গৰুৰ লগতে অইন পশুধনৰ মৃত্যু হোৱাৰ কথা ব্যক্ত কৰিছে একাংশ লোকে। তদুপৰি কৃষি প্ৰধান অঞ্চলটোত ব্যৱসায় ভিত্তিত কৰা শ শ ব্ৰয়লাৰৰ মৃত্যু ঘটাত বহু শিক্ষিত নিবনুৱা যুৱকে হতাশাত ভুগিছে। ইপিনে, জিলাখনৰ বৃহত্তৰ চৰ-চাপৰি অঞ্চলত পশু চিকিৎসাৰ ন্যূনতম ব্যৱস্থা নথকাত সাধাৰণ বেমাৰতে মৃত্যু হৈছে গৰু, ম’হ, ভেড়া, ছাগলী, ঘোঁৰাৰ লগতে হাঁহ-কুকুৰাৰ। কৃষি কৰ্মৰ লগতে চৰাঞ্চলৰ প্ৰতিটো পৰিয়ালেই ঘৰতে পশুধন পালি আৰ্থিকভাৱে সকাহ লাভ কৰাৰ আশা কৰিলেও সেয়া বাস্তৱ ক্ষেত্ৰত হৈ উঠা নাই। এনে অচিন ৰোগত আক্ৰান্ত হৈ পশুধনৰ মৃত্যুয়ে হতাশ কৰি তুলিছে কৃষিজীৱী লোকসকলক। এই ক্ষেত্ৰত কৃষি বিভাগক শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰি কৃষকসকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনাইছে কৃষকসকলে।

# সান্ধ্য আইনৰ মাজতো নগাঁৱৰ পুৰণিগুদামলৈ চোৰাং কাঠ সৰবৰাহ

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৩ মে’ ঃ** কৰ’না ভাইৰাছে সমগ্ৰ বিশ্বজুৰি আতংকৰ সৃষ্টি কৰাৰ সময়তে নগাঁও-কাৰ্বি আংলং সীমান্তৱৰ্তী পাৰ্কুপ পাহাৰত অব্যাহত আছে বন ধ্বংসযজ্ঞ। সততে বনজ সম্পদৰ বাবে চহকী পাৰ্কুপ পাহাৰত তলাবন্ধৰ অচিলা লৈ একাংশই চলাই গৈছে এই বন ধ্বংসযজ্ঞ। কাৰ্বি আংলং বন বিভাগৰ চকুৰ সন্মুখতে বনজ সম্পদৰ ধ্বংসযজ্ঞ চলাই নগাঁও জিলাৰ ভৈয়াম অঞ্চলেৰে সৰবৰাহ কৰা হয় বৃহৎ কাঠৰ কুণ্ডা আৰু ফাণ্টা ভৰ্তি গাড়ীসমূহ। যোৱা ১১ মে’ৰ নিশা কৰ’না ভাইৰাছৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সন্ধিয়া ছয় বজাৰ পৰা পুৱা ছয় বজালৈ জাৰি কৰা কাৰ্ফিউকো নেওচি এখন টাটা ডি আই বাহনে কাৰ্বি আংলং বন বিভাগৰ অধীনৰ পাৰ্কুপ পাহাৰৰ পৰা কঠালগুৰি-মালিবস্তি হৈ চলচলী জলাহগাঁৱলৈ ২৮টা মাকৈ শালৰ ফাণ্টা সৰবৰাহ কৰিছিল। জলাহগাঁৱৰ এটা নবনিৰ্মিত গৃহৰ খালী মাটিত নিশা প্ৰায় ৯.৩০ বজাত এখন বাহনে কাঠখিনি পেলাই থৈ যায়। পাছত অবৈধভাৱে সৰবৰাহ কৰি মজুত কৰা কাঠখিনিৰ খবৰ লাভ কৰি শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ চাপানালা খণ্ড বন বিষয়া কাৰ্যালয়ৰ বনকৰ্মী আৰু নগাঁও বন সুৰক্ষা বাহিনীৰ এটা দলে উক্ত স্থানত অভিযান চলাই স্থানীয় গাওঁবুঢ়া শৰৎ চন্দ্ৰ শইকীয়া আৰু ৰাজেন বৰাৰ উপস্থিতিত জব্দ কৰে। জব্দ কৰা কাঠখিনিৰ মূল্য প্ৰায় লক্ষাধিক টকা হ’ব। স্থানীয় আন এক সূত্ৰই পাৰ্কুপ আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ একমাত্ৰ হেমাহি আৰু কমিছনৰ অংকৰ বাবেই অঞ্চলটোত চোৰাং কাঠৰ বেহা অব্যাহত আছে বুলি মত প্ৰকাশ কৰিছে। ইফালে, আজি পুনৰ পুৰণিগুদাম নিকটৱৰ্তী চলচলীতো বন বিভাগে এক অভিযান চলায়। শালনা বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত চাপানালা খণ্ড বন বিষয়া কাৰ্যালয়ৰ খণ্ড বন বিষয়াৰ নেতৃত্বত অহা বনৰক্ষীৰ এটা দলে চলচলীত অভিযান চলাই নুৰ হুছেইন নামৰ এজন লোকৰ কাঠ ফলা মিলটো জব্দ কৰে।

## বিহপুৰীয়াৰ ৰাজবাৰীত অৰুণাচলী সুৰা জব্দ

অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ১৩ মে’ ঃ** বিহপুৰীয়াৰ ৰাজবাৰী গাঁৱৰ বলিন ভূঞা নামৰ লোকজনৰ ঘৰৰ পৰা আবকাৰী বিভাগে আজি সাত কাৰ্টন অৰুণাচলী সুৰা জব্দ কৰে। বিহপুৰীয়া আবকাৰী বিভাগৰ পৰিদৰ্শক ৰূপক শইকীয়াৰ নেতৃত্বত চলা অভিযানত ২৫ হেজাৰ টকা মূল্যৰ এই অৰুণাচলী সুৰাখিনি জব্দ কৰে। আবকাৰীৰ অভিযানৰ কালত পলায়ন কৰে অভিযুক্ত বলিন ভূঞা।

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

# কাজিৰঙাৰ মথাউৰি নিৰ্মাণ মে’ত

*এক পৃষ্ঠাৰ পৰা* আমি আমাৰ অৰ্থনৈতিক ব্যৱস্থা টনকীয়াল কৰি তুলিব লাগিব। প্ৰতিজন শ্ৰমিকেই হওক বা খেতিয়কেই হওক, উপাৰ্জনক্ষম হ’ব লাগিব আৰু ইয়াৰ বাবে ইতিমধ্যেই ভাৰত চৰকাৰৰ গাইড লাইন মৰ্মে আমি অসমত চাহ উদ্যোগৰ লগতে আমাৰ খেতি পথাৰৰ কাম-কাজ পূৰ্ণোদ্যমে আৰম্ভ কৰিছো।’ আজি নুমলীগড়ত এই মন্তব্য কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। নুমলীগড় শোধনাগাৰৰ এক পৰ্যালোচনা সভাত অংশ লোৱাৰ পাছতে আয়োজিত সংবাদমেলত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমৰ সৰু-বৰ-মজলীয়া ৬৬ হেজাৰ উদ্যোগৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ‘আমাৰ লক্ষ্য হৈছে, এই তলাবন্ধৰ বাবে যিখিনি আমাৰ ক্ষতি হৈছে সেই ক্ষতি যাতে আমি আগন্তুক দিনত কঠোৰ পৰিশ্ৰমৰ দ্বাৰা পূৰণ কৰিব পাৰো আৰু ৰাজ্যখনৰ আৰ্থিক অৱস্থা টনকীয়াল কৰি তুলিব পাৰো; ইয়াৰ বাবে আমি দৃঢ়তাৰে আগবাঢ়িব লাগিব। বৰ্তমানে ৰাজ্যখনত যি কেইটা প্ৰকল্পৰ কাম চলি আছে, এই প্ৰকল্পৰ কাম যাতে পূৰ্ণগতিত চলে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আজি মই নুমলীগড় ৰিফাইনেৰীলৈ আহিছো।’

উল্লেখ্য যে আজি মুখ্যমন্ত্ৰীয়ে নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ নুমলীগড় শোধনাগাৰ সম্প্ৰসাৰণ প্ৰকল্প আৰু বায়’ ৰিফাইনেৰী প্লাণ্টৰ সন্দৰ্ভত শোধনাগাৰৰ বিষয়াবৰ্গৰে পৰ্যালোচনা কৰে। লগতে তেওঁ দুয়োটা প্ৰকল্পৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি ইয়াৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো বুজ লয়। আজিৰ পৰ্যালোচনা বৈঠকতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনীতিৰ প্ৰসাৰৰ ক্ষেত্ৰত এক সক্ৰিয় ভূমিকা লৈ নেতৃত্ব বহন কৰিবলৈ তথা স্থানীয় যুৱক-যুৱতীসকলৰ দক্ষতা উন্নয়নৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ কৰ্তৃপক্ষক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰৰ নতুন বাঁহ আৰু বেত নীতিয়ে লিমিটেডৰ লগতে স্থানীয় কৃষকসকলক যথেষ্ট সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয়, ‘নুমলীগড় ৰিফাইনেৰীত ন নিযুত মেট্ৰিকটন উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে নতুন প্ৰকল্প আমাক প্ৰদান কৰিছে। ইয়াৰ বাবে প্ৰায় ২৩ হেজাৰ কোটি টকা অনুমোদন দিয়া হৈছে। এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হ’লে অসমত প্ৰত্যক্ষ-পৰোক্ষভাৱে আমাৰ লক্ষ লক্ষ যুৱক-যুৱতীয়ে সংস্থাপন পাব। সমান্তৰালকৈ অসমৰ খেতিয়ক ৰাইজে যাতে আগন্তুক দিনত অৰ্থনৈতিকভাৱে সবল হ’ব পাৰে; ইয়াৰ প্ৰতি লক্ষ্য ৰাখি বেম্ব’ ইথানল প্লাণ্টটো কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিছে। ইয়াৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ২০২১ৰ ডিচেম্বৰত এই প্ৰকল্পৰ উৎপাদন আৰম্ভ হ’ব আৰু সেই লক্ষ্যৰে নুমলীগড় ৰিফাইনেৰী লিমিটেডে এই কাম পূৰ্ণগতিত আগবঢ়াইছে।’ মুখ্যমন্ত্ৰীয়ে লগতে শোধনাগাৰত কৰ’না প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰো বুজ লয় আৰু এই ক্ষেত্ৰত শোধনাগাৰ কৰ্তৃপক্ষই গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ শলাগ লয়।

ইয়াৰপূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক বানপানীৰ পৰা ৰক্ষা কৰাৰ বাবে মৰিয়াহোলাৰ পৰা অগৰাতলি ৰেঞ্জলৈ জলসম্পদ বিভাগে নিৰ্মাণকাৰ্য চলাই থকা মথাউৰি পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগৰ শীৰ্ষ বিষয়াসকলৰে নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে ৩০ মে’ৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, ‘আমাৰ ৰাজ্যখন প্ৰতি বছৰে বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰে। তলাবন্ধৰ বাবে মথাউৰি নিৰ্মাণৰ কাম সময়মতে আৰম্ভ কৰিব পৰা নগ’ল। আগন্তুক বাৰিষাৰ সম্ভাব্য বানপানীৰ প্ৰতি লক্ষ্য ৰাখি জলসম্পদ বিভাগে মথাউৰি নিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে আৰম্ভ কৰিছে।’ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীক সুৰক্ষা দিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীৰ স’তে উপস্থিত থকা জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই কয় যে ৰাজ্যৰ ১৮ খন জিলাত ৩৮টা মথাউৰি নিৰ্মাণ হৈ আছে। ৩০ মে’ৰ ভিতৰত সম্পূৰ্ণৰূপে নিৰ্মাণকাৰ্য হৈ নুঠিলেও বিপজ্জনক স্থানসমূহত মথাউৰি নিৰ্মাণ সম্পূৰ্ণ হ’ব। উল্লেখ্য যে আজি মুখ্যমন্ত্ৰীৰ দুয়োটা স্থানৰ পৰিদৰ্শন কালত জলসম্পদ মন্ত্ৰী মহন্তৰ উপৰি কৃষিমন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া, বিমল বৰা, ৰ’জলিনা তিৰ্কী, গোলাঘাট জিলা প্ৰশাসন তথা বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে।

# দিশহাৰাসকললৈ আৰ্থিক সকাহ

*এক পৃষ্ঠাৰ পৰা* সীতাৰমণে ইয়াৰ বিতং তথ্য প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে আত্মনিৰ্ভৰশীল ভাৰত প্ৰকল্পৰ বাবে ২০ লাখ কোটি টকাৰ আৰ্থিক প্ৰকল্প ঘোষণাৰ সময়তে কৈছিল যে বিতং তথ্য কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিব। সেইমৰ্মে এম এছ এম ই উদ্যোগৰ বাবে আঁচনিসমূহ ঘোষণা কৰিলে সীতাৰমণে। এই খণ্ডলৈ মুঠ তিনি লাখ কোটি টকাৰ পেকেজ দিয়া হ’ব। অৰ্থনৈতিক বিশেষজ্ঞসকলে ইয়াক বহু পৰিমাণে স্বস্তিৰ বাৰ্তা বুলি অভিহিত কৰিছে। এনে বৃহৎ পেকেজৰ ফলত এনে উদ্যোগসমূহে ঋণৰ সুবিধাৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ সা-সুবিধা লাভ কৰিব। তদুপৰি কৰ্মচাৰীৰ ভৱিষ্যনিধি আৰু টি ডি এছৰ ক্ষেত্ৰতো কম টকা কৰ্তন কৰি হাতত অধিক ধন তুলি দিয়াৰ ব্যৱস্থা কৰা হৈছে। নিৰ্মাণ খণ্ড আৰু ঠিকাদাৰসকলৰ বাবেও বিভিন্ন পেকেজ ঘোষণা কৰা হৈছে। একেদৰে বিদ্যুৎ বিতৰণ কোম্পানীসমূহলৈয়ো সকাহ প্ৰদান কৰা হৈছে।

বিত্তমন্ত্ৰী সীতাৰমণে আজি সংবাদমেলত কয় যে কালি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰক সম্বোধন কৰাৰ সময়ত এই সম্পৰ্কীয় পৰিকল্পনা উপস্থাপন কৰিছিল। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে নিজে যথেষ্ট সময় ব্যয় কৰি নিশ্চিত কৰিছে যাতে ক’ভিড-১৯ৰ বিৰুদ্ধে যুঁজিবলৈ ঘোষণা কৰা অৰ্থনৈতিক পেকেজত বিভিন্ন পক্ষৰ স’তে বৃহৎ পৰিসৰত কৰা আলোচনাৰ ফলাফলসমূহ অন্তৰ্ভুক্ত কৰা হয়। ‘দৰাচলতে ইয়াৰ লক্ষ্য হৈছে এক আত্মনিৰ্ভৰশীল ভাৰত নিৰ্মাণ। সেয়েহে এই অৰ্থনৈতিক পেকেজক আত্মনিৰ্ভৰ ভাৰত অভিযান বুলি কোৱা হৈছে। সীতাৰমণে কয় যে ভূমি, শ্ৰম, নগদ ধন আৰু আইন এইকেইটা স্তম্ভৰ ওপৰত নিৰ্ভৰ কৰি আত্মনিৰ্ভৰ ভাৰত অভিযান নিৰ্মাণৰ বাবে গুৰুত্ব আৰোপ কৰা হৈছে। ‘২০২০ৰ বাজেটৰ পাছতে ক’ভিড-১৯ৰ আগমন হ’ল আৰু প্ৰথম পৰ্যায়ৰ তলাবন্ধৰ কিছু ঘণ্টাৰ ভিতৰতে প্ৰধানমন্ত্ৰী গৰিব কল্যাণ যোজনা ঘোষণা কৰা হয়।’ এইদৰে সীতাৰমণে কয়। পুনৰ কামলৈ উভতি যোৱা অৰ্থাৎ কৰ্মচাৰী আৰু নিয়োগ কৰ্তা, ব্যৱসায়-বাণিজ্য বিশেষকৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ওপৰত গুৰুত্ব আৰোপ কৰি সীতাৰমণে আজি এইলানি অৰ্থনৈতিক পেকেজ ঘোষণা কৰে। যাতে এইসমূহে উৎপাদন আৰম্ভ কৰিব পাৰে আৰু শ্ৰমিকসকলে নিয়োজিত হ’ব পাৰে। একেদৰে বিত্তীয় প্ৰতিষ্ঠান, গৃহ ঋণদাতা সংস্থা, অতি ক্ষুদ্ৰ বিত্তীয় খণ্ড আৰু শক্তি খণ্ডলৈয়ো তেওঁ সকাহ আগবঢ়ায়। তদুপৰি ব্যৱসায়লৈ কৰ ৰেহাই ঘোষণা কৰে সীতাৰমণে। একেদৰে ৰাজহুৱা ক্ৰয় ব্যৱস্থাত থকা ঠিকাদাৰসকলৰ প্ৰতিও দায়বদ্ধতাৰে সকাহমূলক পেকেজ ঘোষণা কৰে। একেদৰে নিৰ্মাণ খণ্ডলৈ সকাহৰ বাৰ্তা প্ৰেৰণ কৰে সীতাৰমণে। আজি সংবাদমেলত তেওঁ উক্ত তথ্যসমূহ প্ৰকাশ কৰে।

‘আজি মই আগন্তুক দিনসমূহৰ বাবে প্ৰধানমন্ত্ৰীৰ ভৱিষ্যদৃষ্টি দাঙি ধৰিব বিচাৰিছো। চৰকাৰে ১৫টা ভিন ভিন বিত্তীয় পদক্ষেপ ঘোষণা কৰিবলৈ লৈছো। ইয়াৰে ছটা এম এছ এম ইৰ বাবে, দুটা কৰ্মচাৰীৰ বাবে আৰু দুটা এন বি এফ চিৰ বাবে ঘোষণা কৰা হ’ব। মূল গুৰুত্ব আৰোপ কৰা হৈছে ভূমি, শ্ৰম, নগদ ধন আৰু আইনৰ ওপৰত। স্থানীয় ব্ৰেণ্ডক বিশ্ব ব্ৰেণ্ডলৈ ৰূপান্তৰিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই অভিযানৰ অংশৰূপে স্থানীয় ব্ৰেণ্ডক লালন-পালন কৰা হ’ব। এনে উদ্যোগ গঢ়াৰ আমাৰ সামৰ্থ্য আছে।’ এইদৰে কয় বিত্তমন্ত্ৰী সীতাৰমণে। তেওঁ ঘোষণা কৰে যে এম এছ এম ইকে ধৰি ব্যৱসায়ীসকললৈ কাৰ্যকৰী মূলধনী সকাহ প্ৰদান কৰি তিনি লাখ কোটি টকাৰ পেকেজ দিয়া হৈছে। ইয়াৰ জৰিয়তে সুতত ৰেহাই প্ৰদান কৰি ঋণ আদায় দিয়া হ’ব। ঋণ গ্ৰহণৰ বাবে উদ্যোগসমূহে কোনো গেৰাণ্টী অথবা আমানতৰ ধন নিজাববীয়াকৈ আদায় দিব নালাগে। ইয়াৰ বাবে চৰকাৰ এশ শতাংশই গেৰাণ্টাৰ হ’ব। ইয়াৰ দ্বাৰা ৪৫ লক্ষাধিক এম এছ এম ইলৈ এই তিনি লাখ কোটিৰ ঋণ দিয়া হ’ব বুলিও তেওঁ কয়। যিসমূহ উদ্যোগৰ ২৫ কোটি টকা পৰ্যন্ত অনাদায় হৈ আছে আৰু যিসমূহৰ লেনদেন এশ কোটি পৰ্যন্ত, সেই উদ্যোগসমূহ ইয়াৰ দ্বাৰা লাভান্বিত হ’ব। তদুপৰি ইতিমধ্যে ঋণগ্ৰস্ত হৈ আদায় দিব নোৱাৰি ককবকাই থকা এম এছ এম ইসমূহলৈ ২০ হেজাৰ কোটিৰ অতিৰিক্ত ঋণ দিয়া হ’ব বুলিও তেওঁ জনায়। সীতাৰমণে কয় যে কেন্দ্ৰীয় চৰকাৰে ১০ হেজাৰ কোটি টকাৰে মহাপুঁজি গঠন কৰি এম এছ এম ইসমূহলৈ সকাহ প্ৰদান কৰিব। ইয়াৰ জৰিয়তে ৫০ হেজাৰ কোটি টকাৰ পুঁজিৰে সকাহ দিয়া হ’ব।

বিত্তমন্ত্ৰীয়ে আৰু কয় যে এম এছ এম ইসমূহৰ নতুন সংজ্ঞা নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, এই উদ্যোগসমূহৰ বাবে সকাহ পৰম্পৰাগত বাণিজ্য মেলা অথবা প্ৰদৰ্শনীৰ বিকল্প ব্যৱস্থাৰ বাবে ই-বজাৰ সংযোগ অৰ্থাৎ অনলাইন বজাৰৰ ব্যৱস্থা কৰা হ’ব। সীতাৰমণে কয় যে দুশ কোটি টকাৰ তলত সামগ্ৰী আৰু সেৱা ক্ৰয়ৰ ক্ষেত্ৰত আন্তৰ্জাতিক নিবিদা গ্ৰহণ কৰা নহ’ব। অৰ্থাৎ দুশ কোটি টকাৰ তলৰ কামৰ বাবে আন্তৰ্জাতিক নিবিদাৰ আহ্বান কৰা নহ’ব। ফলত দেশীয় ক্ষুদ্ৰ, মধ্যম আৰু অতি ক্ষুদ্ৰ সংস্থাসমূহেও নিবিদাত অংশগ্ৰহণ কৰিব পাৰিব তথা অধিক কাম সম্পন্ন হ’ব বুলি সীতাৰমণে কয়। স্থানীয়ভাৱে এই নিবিদা গ্ৰহণ কৰা হ’ব অৰ্থাৎ স্থানীয় লোকে সুবিধা আদায় কৰিব পাৰিব।

তথ্য অনুসৰি এম এছ এম ই খণ্ডৰ স’তে ১১ কোটি লোক নিয়োজিত হৈ আছে। ই দেশৰ মুঠ উৎপাদনৰ ৪৫ শতাংশ অৱদান আগবঢ়ায় তথা দেশৰ আমদানিৰ ৪০ শতাংশৰ অংশীদাৰ। তদুপৰি দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩০ শতাংশ অৱদান আগবঢ়ায় এম এছ এম ইয়ে। কৰ’না ভাইৰাছৰ ভয়াৱহ আক্ৰমণত অতিকৈ ক্ষতিগ্ৰস্ত হৈছে এই খণ্ডটো। বহু লক্ষ এনে উদ্যোগ বন্ধ হোৱাৰ মুখলৈ গতি কৰিছে আৰু সংস্থাপন হেৰুৱাবলৈ লৈছে কোটি কোটি লোকে। আজি বিত্তমন্ত্ৰীয়ে কয় যে দুৰ্দশাগ্ৰস্ত লক্ষ লক্ষ উদ্যোগৰ বাবে অতি প্ৰয়োজনীয় ধনৰ যোগানৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰ আৰু চি পি এছ ইৰ পৰা এনে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে লাভ কৰিবলগীয়া সকাহৰ পুঁজি ৪৫দিনৰ ভিতৰতে মোকলাই দিয়া হ’ব। এই লক্ষ্য পূৰণৰ উদ্দেশ্যে এম এছ এম ইসমূহৰ বাবে বেংক আৰু এন বি এফ চিসমূহৰ পৰা এক জৰুৰীকালীন ঋণ আদায়ৰ প্ৰক্ৰিয়াও সংযোজন কৰা হৈছে। চাৰি বছৰৰ সময়সীমাৰে এই ঋণ আদায় দিয়া হ’ব। এই ঋণ গ্ৰহণৰ বাবে কোনো ধৰণৰ গেৰাণ্টী বা আমানতৰ ধন নালাগে। তদুপৰি প্ৰথম এবছৰ ঋণৰ ধন আদায় দিব নালাগে আৰু স্বয়ংক্ৰিয় পদ্ধতিত ঋণ ল’ব পাৰিব বুলিও বিত্তমন্ত্ৰীয়ে কয়। ইয়াৰ ফলত এনে উদ্যোগৰ আৰ্থিক ক্ষমতা বৃদ্ধি পাব আৰু নগদ ধনৰ যোগানো বৃদ্ধি পাব।

ইপিনে, আনৰ পৰা বিদ্যুৎ ক্ৰয় কৰি বিতৰণ কৰা বিদ্যুৎ বিতৰণ কোম্পানীসমূহলৈ ৯০ হেজাৰ কোটি টকাৰ পেকেজ আদায় দিয়া হ’ব বুলি সীতাৰমণে ঘোষণা কৰে। শক্তি বিত্তীয় নিগম আৰু গ্ৰাম্য বৈদ্যুতিকৰণ নিগমে দুটা সমান কিস্তিত ৯০ হেজাৰ কোটি পৰ্যন্ত কোম্পানীসমূহক ঋণ আদায় দিব। এই ধন বিতৰণ কোম্পানীসমূহে বিদ্যুৎ উৎপাদন আৰু সৰবৰাহ কৰা কোম্পানীসমূহত অনাদায় হৈ থকা ধন আদায় দিবলৈ ব্যৱহাৰ কৰিব।

সংবাদমেলত বিত্তমন্ত্ৰীয়ে কয় যে চৰকাৰী প্ৰকল্পত যিসমূহ ঠিকাদাৰে কাম কৰি আছে তেওঁলোকৰ চাপ কমাবলৈ কৰ্মসম্পাদনৰ সময় আৰু অধিক ছমাহ বৃদ্ধি কৰি দিয়া হৈছে। একেদৰে নিৰ্মাণ খণ্ডত কোনো আবেদন অবিহনেই প্ৰকল্পৰ ম্যাদ ছমাহ বৃদ্ধি কৰি দিয়া হৈছে।

## মহানগৰীত একেলগে আৰু ১৫

*এক পৃষ্ঠাৰ পৰা* আৰু ক্ষৌৰকৰ্মী (নাপিত)ও আছে। এই লোকসকলৰ কে’বাজনো বজাৰখনৰ সমীপৱৰ্তী কুমাৰপাৰা, শান্তিপুৰ, ফটাশিল আমবাৰী আদি স্থানত বাস কৰে।

মানুহেৰে গিজগিজাই থকা ফাঁচী বজাৰত একেলগে এনেদৰে বৃহৎ সংখ্যক লোক সংক্ৰমিত হোৱাৰ ফলত ৰাইজৰ মাজত আতংক বিয়পি পৰিছে। বিশেষকৈ তলাবন্ধ শিথিলৰ পাছত বজাৰখনত সামাজিক দূৰত্বকে ধৰি সকলো ধৰণৰ স্বাস্থ্য সুৰক্ষাবিধি উলংঘা কৰি আৰক্ষী-প্ৰশাসনৰ চকুৰ আগতে ব্যৱসায় চলি আহিছে। স্বাভাৱিক দিনৰ দৰে মানুহৰো ভিৰ অব্যাহত আছে। কিয়নো ফাঁচী বজাৰলৈ গুৱাহাটীৰ লগতে কাষৰীয়া আন আন অঞ্চলৰ ব্যৱসায়ীয়ে পাইকাৰী দৰত সামগ্ৰী ক্ৰয় কৰিবলৈ আহে। পাইকাৰী গুদামবোৰলৈ সামগ্ৰী কঢ়িয়াই অনা বিভিন্ন বাহন উপচি পৰাত ৰাজপথ-পদপথেৰে বহুকেইটা গলিত মানুহে খোজকাঢ়ি যোৱাৰ পৰিৱেশ এই সময়তো নোহোৱা হৈছে। তেনে অৱস্থাতে কৰ’না ভাইৰাছ বিয়পি পৰে। ফলস্বৰূপে একেলগে আজি অসমত অভিলেখ সংখ্যক লোক এই ভাইৰাছত আক্ৰান্ত হয়। তদুপৰি ইয়াৰ পৰা মহানগৰীৰৰ আন কে’বাটা অঞ্চললৈ ভাইৰাছ বিয়পাৰ আশংকা কৰা হৈছে। কাৰণ আজিৰ আক্ৰান্তসকলৰ ভিতৰত কে’বাজনো শান্তিপুৰ, ফটাশিল আমবাৰী, কুমাৰপাৰা আদি অঞ্চলৰ বাসিন্দা।

ফাঁচী বজাৰলৈ কিদৰে ভাইৰাছ বিয়পিল তাক লৈ গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। এই পৰ্যন্ত সংক্ৰমিতসকলৰ উৎস নিশ্চিত হোৱা নাই। অৱশ্যে স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাই আশংকা ব্যক্ত কৰে যে যিহেতু আক্ৰান্তসকলৰ বেছিভাগে আলুৰ গুদামৰ শ্ৰমিক তেনে ক্ষেত্ৰত পাইকাৰী বজাৰখনলৈ আলুৰ ট্ৰাক চলাই অহা ক’ভিডত আক্ৰান্ত কোনো চালকৰ পৰাই এই সংক্ৰমণ হ’ব পাৰে। তেওঁ লগতে কয় যে প্ৰথমতে ছজনমানহে আক্ৰান্ত হ’ব বুলি ধাৰণা কৰা হৈছিল। কিন্তু শেষত সেই সংখ্যা বৃদ্ধি হয়। আক্ৰান্তসকল হ’ল প্ৰবীণ কুমাৰ ৰাও (২৮), কৃষ্ণ গুপ্তা (৩২), বিশ্বনাথ ছাহা (৩৪), মুকেশ সিং (৪০), গনি কেৰাট (৬০), বিদ্ধেশ্বৰী ঠাকুৰ (৩০), অজয় কুমাৰ (৩২), শংকৰ শ্বাহ (২২), সুমিত কুমাৰ (২২), সঞ্জীৱ কুমাৰ (২৪), চিপুজন নিচাদ (৫৭), সুবোধ কুমাৰ (৪৯), প্ৰভাৰ আনন্দ (২৫), লেখাৰু নিচাদ (৪০), সুনীল ৰয়। এইসকল নতুনকৈ আক্ৰান্তৰ ফলত অসমত ক’ভিড-১৯ত সংক্ৰমিতৰ সংখ্যা ৭৯ জনলৈ বৃদ্ধি পালে বুলি স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। অৱশ্যে আজিৰ আক্ৰান্তৰসকলৰ সম্পৰ্কত মন্ত্ৰীজনে কয় যে মুংৰী সাহানী আক্ৰান্ত হোৱাৰ পাছত তেওঁৰ সংস্পৰ্শলৈ অহা যিসকলক কোৱাৰেণ্টাইনত ৰখা হৈছিল তাৰ ভিতৰত এই ১৫ জনো আছিল। গতিকে ৰাইজক আতংকিত নহ’বলৈ মন্ত্ৰীজনে আহ্বান জনায়। ইয়াৰে দুজন জ্বৰত আক্ৰান্ত হোৱাৰ বিপৰীতে বাকীসকলৰ ক্ষেত্ৰত কোনো লক্ষণ ফুটি উঠা নাছিল বুলিও স্বাস্থ্যমন্ত্ৰীজনে সদৰী কৰে।

তদুপৰি তেওঁ কয় যে এজন নাপিতৰ জৰিয়তেও সংক্ৰমণ হৈছে। তাৰে এজন গাড়ী চালক। নাপিতজনক এম এম চিত ভৰ্তি কৰা হৈছে। নিশাই আটাইকেইজনক মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত ভৰ্তি কৰা হয়। আনহাতে, সুৰক্ষা ব্যৱস্থা হিচাপে শান্তিপুৰ, ফটাশিল আমবাৰী আৰু কুমাৰপাৰাৰ বৃহৎ অংশ জিলা প্ৰশাসনে কণ্টেইনমেণ্ট জ’ন হিচাপে ঘোষণা কৰে।

ফাঁচী বজাৰক কেন্দ্ৰ কৰি মুংৰী সাহানীকে ধৰি একেলগে ১৬ জন লোক আক্ৰান্ত হোৱাৰ ফলত ৰাজ্যৰ অন্যতম ব্যস্ত ব্যৱসায়িক অঞ্চলটো কৰ’নাৰ হটস্পটলৈ পৰিণত হৈছে নেকি? আজি এই প্ৰশ্ন ৰাইজৰ মাজত উত্থাপিত হৈছে। কিয়নো শেহতীয়াকৈ চেন্নাইৰ কোয়েমবেডুৰস্থিত ফলমূল আৰু পাচলিৰ পাইকাৰী বজাৰ এখনক কেন্দ্ৰ কৰি ডেৰ হেজাৰো অধিক লোক কৰ’নাত আক্ৰান্ত হয়। সুৰক্ষিতজনিত কাৰণত কামৰূপ চেম্বাৰ অব কমাৰ্চে পৰৱৰ্তী তিনি দিনৰ বাবে ফাঁচী বজাৰৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰখাৰ বাবে আহ্বান জনাইছে।

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৩১ ব’হাগ বৃহস্পতিবাৰ ১৪ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪৬।১৭, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫২।৯। **তিথি ঃ** কৃষ্ণা সপ্তমী, দং ১২।১৩।১৭ ঘঃ ৯।৩৯।৩৮। **নক্ষত্ৰ ঃ** শ্ৰৱনা, দং ১৪।৫৭।২৪ ঘঃ ১০।৪৫।১৫। **যোগ ঃ** ব্ৰহ্ম, দং ৫৭।৪৬।১৫ ৰাঘঃ ৩।৫২।৪৭। **কৰণ**-বৰ। **জন্মত ঃ** মকৰৰাশি শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ, কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী বৃহস্পতি আৰু বিংশোত্তৰী চন্দ্ৰৰ দশা, ৰাঘঃ ১০।৪৫।১৫ যোৱাত দেৱাৰিগণ, অষ্টোত্তৰী ৰাহু, বিংশোত্তৰী মঙ্গলৰ দশা, ৰাঘঃ ১১।৪৩।৪৫ যোৱাত কুম্ভৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** এপদ, ঘঃ ৯।৩৯।৩৮ যোৱাত নাই। **যোগিনী**-বায়ুকোনত, ঘঃ ৯।৩৯।৩৮ যোৱাত ঈশানকোনত। **যাত্ৰা ঃ** নাই, সংক্ৰান্তাদি দোষ। **শুভকৰ্ম**- নাই। **ভক্ষাভক্ষ্য ঃ** তাল ঘঃ ৯।৩৯।৩৮ যোৱাত নাৰিকল, মাছ-মাংস আৰু তেল খোৱা, নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** কোনো কামৰ বাবে চুক্তিবদ্ধ হ’ব পাৰে অথবা কোনো সংস্থাৰ সাৱধানে দিনটো পাৰ কৰক। দৰকাৰী কামত অৱহেলা নকৰিব। শৰীৰ বৰ ভালেৰে নাযাব পাৰে। বিদ্যাত মজলীয়া ফল।প্ৰেম বিবাদ। শুভ ৰং ৰঙা।

**বৃষ ঃ** উন্নত দিনৰ অনুমান। যোগাযোগত খুব বেয়া নহ’ব। আৰ্থিকতো বিশেষ কষ্ট নাপাব। বিদ্যাত মনোযোগ দিব পাৰিব। ব্যৱসায়ত বেয়া নহ’ব। শুভ ৰং নীলা।

**মিথুন ঃ** সামাজিক ক্ষেত্ৰত উন্নত পৰিৱেশ নাপাব। অত্যন্ত শুভ কথাতো আপুনি সন্তোষ কম পাব। আৰ্থিকত ব্যয় বৃদ্ধি পাব। শৰীৰৰ দুৰ্বলতা থাকিব। শুভ ৰং পাতল সেউজীয়া।

**কৰ্কট ঃ** কামত উৎসাহ পাব। ঘৰুৱা দিশতো সহানুভূতি থাকিব। দাম্পত্যত কিছু সমস্যা থাকিলেও দুশ্চিন্তা নাই। নিজে সক্ৰিয় ভূমিকা ল’লে অসম্পূৰ্ণ বিষয়ত অগ্ৰগতি ল’ব। শুভ ৰং সোণালী।

**সিংহ ঃ** অলপ সৰ্তক হৈ চলক। নতুন কাম-কাজৰ আৰম্ভণিত আহুকাল থাকিব। বন্ধু-বান্ধৱৰ পৰা ভাল সহানুভূতি নাপাব। শৰীৰৰ দুৰ্বলতা থাকিব। বিদ্যা মধ্যম। শুভ ৰং ৰঙা।

**কন্যা ঃ** সাৱধানেৰে কামত আগুৱাওক। শৰীৰৰ প্ৰতি একেবাৰে অৱজ্ঞা নকৰিব। অযথা দুশ্চিন্তা দুৰাকাংক্ষাই আমনি কৰিব। শুভ ৰং বগা।

**তুলা ঃ** দুৰ্ভাৱনা এৰাব নোৱাৰিব। অসম্পাদিত কামত সাধাৰণ উৎকণ্ঠা থাকিব। কিবা দৰকাৰী কাম আছে যদি সমাধানৰ চেষ্টা ৰাখক। শৰীৰ মধ্যম। শুভ ৰং সেউজীয়া।

**বৃশ্চিক ঃ** কিছু পৰিমাণে মনটো ফৰকল থাকিব। কোনো সংযোগ তথা দক্ষতাৰ বাবে আনৰ পৰা প্ৰশংসা পাব। ব্যস্ততাৰ মাজে কৰা সিদ্ধান্তত উদ্বেগৰ সৃষ্টি যেন দেখিলে মনোবল বঢ়াওক। শুভ ৰং হালধীয়া।

**ধনু ঃ** ব্যৱসায়ৰ ক্ষেত্ৰত নজৰ ৰাখিব। কিন্তু দাম্পত্যত শাৰীৰিক দুশ্চিন্তা আৰু কৰ্মক্ষেত্ৰত বাধা আহিব পাৰে। বিদ্যাত শুভ। প্ৰেম-প্ৰণয়ত। শুভ ৰং ৰঙৰ।

**মকৰ ঃ** আৰ্থিক দিশত খৰচৰ মাত্ৰা অত্যধিক হ’ব যদিও ব্যৱসায়-বাণিজ্যত আয়ৰ মাত্ৰা বৃদ্ধি পাব। বিদ্যাত পাৰিবাৰিক বাধা আহিব পাৰে। প্ৰেম-প্ৰণয়ত শুভ। শুভ ৰং ক’লা ।

**কুম্ভ ঃ** অংশীদাৰী ব্যৱসায়ত উন্নতিৰ কাৰকতা। আৰ্থিক দিশত বন্ধুৰ দ্বাৰা ক্ষতি হ’ব পাৰে। বিদ্যাত সফলতা পাব। প্ৰেম-প্ৰণয়ত আৱেগ বৃদ্ধি পাব। শুভ ৰং নীলা

**মীন ঃ** শাৰীৰিক দুশ্চিন্তাৰ কাৰণ নাই। নানা শুভ সংবাদ আৰু আনন্দৰ মাজেৰেই দিনটো পাৰ হ’ব। চাকৰিয়ালৰ কৰ্মক্ষেত্ৰত সমস্যা আহিব পাৰে। বন্ধুবৰ্গৰ পৰা প্ৰতাৰিত হ’ব পাৰে। শুভ ৰং নীলা।

## শব্দ-বেহু ঃ ১৪ মে’ ২০২০



@ সব্যসাচী

**পথালিয়ে ঃ**
১। অণুজীৱই ঘটোৱা সংক্ৰমণ বা তাৰ ফলত হোৱা ৰোগ (৪)
৩। দেহৰ জঁকা, কংকাল, অস্থি-চৰ্ম (৪)
৬। পোহপাল দিব লগীয়া, পোহপাল দিবৰ যোগ্য (২)
৭। গাত বগা চিন থকা এজাতি সৰু গুঁই (৩)
৮। এমূৰে শকত লোৰ টাঙোন, প্ৰাচীন কালত যোদ্ধাৰ অস্ত্ৰ বিশেষ (২)
৯। টকা-পইচা ধাৰে লোৱাৰ বিনিময়ত কোনো বস্তু ধাৰে দিওঁতাৰ ওচৰত জমা থোৱা (৩)
১০। সোঁত নথকা, আহল-বহল আৰু দ জলাহভূমি (২)
১১। হৃদপিণ্ড, সাহস (৩)
১২। অবিবাহিত, উপযুক্ত বয়সতো বিয়া-বাৰু নকৰাকৈ থকা লোক (৩)
১৫। বিৰত, ক্ষান্ত (৩)
১৬। বাম খেতিত কৰা এবিধ ধান (২)
১৭। ব্ৰহ্মাৰ এদিন আৰু এৰাতি, কাল্পনিক (২)
১৮। শেষ মীমাংসা, চূড়ান্ত ৰায়, সামৰণি (৩)
২০। লোকৰ উপাৰ্জনৰ খোৱা, আনে দিয়া আহাৰ (৩)
২১। বেলি, সূৰ্য্য (৩)
২২। পাচঁ কঠা বা এশ লেচা পৰিমাণৰ মাটি (২)
২৩। কাম-বন নথকা, খালী (৩)
২৪। তিৰোতা মানুহৰ সৈতে ৰাতি টোপনিত সহবাস কৰা এটা ভূত (২)
২৫। বয়সত ডাঙৰ, যি আগেয়ে জন্মলাভ কৰিছে (৩)
২৬। ডাঙৰ গাঁত, দীঘল দ ঠাই (২)
২৭। অতি খঙাল লোক, পৰশুৰামৰ পিতৃ (৪)
২৮। নষ্ট, ধ্বংস (৪)

**থিয়কৈ ঃ**
১। ব্যাখ্যা, কোৱা কথা, বচন (২)
২। এসেৰৰ যোল্ল ভাগৰ এভাগ, পাঁচ তোলা পৰিমাণ (৩)
৩। বস্তু বেচা-কিনাৰ বাবে বহু মানুহৰ সমাগম হোৱা ঠাই , বজাৰ (২)
৪। অজ, অগ্নিবাহন (৩)
৫। গোটা বস্তুৰ খণ্ড বা ডোখৰ, চপৰা (২)
৯। সাপৰ বিষ জৰা মন্ত্ৰ বিশেষ (৩)
১০। বোৱাৰীৰ বা জোঁৱাইৰ দেউতাক আৰু সম্বোধন (২)
১১। এটা ভাৰতীয় ধ্ৰুপদী নৃত্য (৪)
১২। কবিতা, সংলাপ আদি আওৰোৱা কাৰ্য্য (৩)
১৩। ধন, টকা-পইচা, মূল্যৱান বস্তু-বাহানি (২)
১৪। বিহুত উপহাৰ দিয়া ন-কাপোৰ (৪)
১৫। সম্পন্ন, সম্পূৰ্ণ কৰা, শেষ কৰা (৩)
১৮। খেতিৰ মাজৰ অলাগতিয়াল ঘাঁহ-বন উঘালি দিয়া (২)
১৯। বতৰা, খবৰ, সংবাদ (৩)
২০। গৰু-ম’হ আদি বান্ধিবলৈ লোৱা শকত জৰী (২)
২২। অৱকাশ, আহৰি, বিৰতি, বিশ্ৰাম (৩)
২৩। অবিশ্বাস্য, নোহোৱা-নোপজা (৩)
২৪। গুটি, উদ্ভিদৰ অংকুৰৰ মূল (২)
২৫। জুই, অনল (২)
২৬। খাৰুৱা তেলৰ গাঁত বা কূপ, দ খাৱৈ (২)

**উত্তৰ অহা সংখ্যাত**

**১৩ মে’ ২০২০ সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১ ।দালান ৩।মকৰকুণ্ডল ৫।গহন ৬।ননদ ৮।নগৰপালক ১২।মহাবীৰ ১৪।বদনাম ১৬।দানবৰঙনি ১৯।বিৰতি ২১। পুতলা২২।লিংগপুৰাণ ২৩। ইচ্ছুক
**থিয়কৈ ঃ** ১ ।দাহন ২ ।নগদ ৩ ।মনন ৪ ।কুৰুপা ৭ ।নদনবদন ৯।গৰম ১০।লটৰ-পটৰ১১। আইনা ১৩ ।হাৰাম ১৫।মলঙ ১৭।বংগ ১৮।নিপুণ ১৯।বিলাই ২০।তিৰ্যক

**শ্ৰেণীৱদ্ধ বিজ্ঞাপনৰ বাবে যোগাযোগ কৰক**
**9864897175/9127532443**
**শ্ৰদ্ধাঞ্জলিৰ ক্ষেত্ৰত বিশেষ ৰেহাই**

*No. SE/NRC/TB/NIT/44/2019-20/50*

**PRESS NOTICE INVITING RE-TENDER**

The Superintending Engineer, PWD, Nagaon Road Circle, Nagaon on behalf of the Governor of Assam invites bid from Assam PWD registered contractors for 4 (four) nos. of works under SOPD (G) for the 2019-20 in Morigaon District of Assam (Jagiroad LAC) amounting to Rs. 468.00 Lakhs (approx). Details may be seen at website http//assamtenders.gov.in and also at the office if the undersigned during office hours.

Sd/-
Superintending Engineer, PWD
Nagaon Road Circle, Nagaon.

Janasanyog/CF/293/20

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

**NIT No.: AEGCL/DGM/TTC/TEZ/T-20/2020/104, dtd. 13.5.2020**

**The Deputy General Manager, Tezpur T&T Circle, AEGCL, Tezpur,** invites sealed offers (A single stage Four envelope procedure) in prescribed form from reputed Electrical Firm/Contractors/Suppliers with sound technical and financial capabilities for the following work.

**"Empanelment of party/firm/contractor for a period of 2 (Two) years with provision to extend by 1 (One) year for works related to various O&M works in Grid Sub Stations of AEGCL under Tezpur T&T Circle, AEGCL, Tezpur".**

Cost of Tender Papers: Rs. 1000.00

| Key Dates: | |
|---|---|
| Date of Issue of tender papers | All working days wef 13/05/2020 to 02/06/2020 |
| Time of availability of tender papers | 10:00hrs. to 15:00hrs. |
| Last date of submission of tender papers (offline) | 14:00Hrs. of 03/06/2020 |
| Techno-Commercial Bid opening date and time | 11:00Hrs. of 04/06/2020 |

The Intending bidders are to purchase the tender papers on application to the Dy. General Manager, Tezpur T&T Circle Tezpur during the dates and time mentioned above.

For detail, please visit AEGCL's official website **www.aegcl.co.in**

**Sd/-, Deputy General Manager, Tezpur T&T Circle**

CAS/2020/31

**No. CE/CC/WR/NIT/2019-20/1003/37**

**PRESS NOTICE FOR BID**

Chief Engineer, Water Resources Department, Chandmari, Guwahati-3, on behalf of Governor of Assam invites Re-Tender for the following works

| Sl. No. | Name of W.R. Division | Name of The Scheme | Approx. amount in lakh (Rs.) | HOA |
|---|---|---|---|---|
| 1. | Dhubri W.R. Division | Restoration and recoupment of breached like damages of road cum bund by flooding of river Brahmaputra at Nichinpur area under SOPD (FDR). | 648.798 | SOPD-FDR |
| 2. | Nagaon W.R. Division | Rejuvenation of Kollong River (Aesthetic and river front development works at Chatiyalgaon) | 141.459 | SOPD-ODS |

Details may be seen at website- http/assamtenders.gov.in

Sd/-
Chief Engineer, Water Resources Department
Assam,Chandmari, Guwahati-3

Janasanyog/C/389/20

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ মে’, ২০২০ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## হলেশ্বৰ গাঁও পঞ্চায়তত দৰিদ্ৰ হিতাধিকাৰীক বঞ্চিতৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৩ মে’ ঃ** তেজপুৰৰ হলেশ্বৰ গাঁও পঞ্চায়তৰ বিৰুদ্ধে একাংশ লোকে ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে। আনকি একাংশ লোকে বৰ্তমান দুৰ্নীতিৰূপী কৰ’নাসুৰে এইখন পঞ্চায়ত গ্ৰাস কৰা বুলিও ক্ষোভ উজাৰিছে। অভিযোগ অনুসৰি, হলেশ্বৰ গাঁও পঞ্চায়তত দৰিদ্ৰ হিতাধিকাৰীক প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ লগতে ৩০টা পুখুৰীৰ উন্নয়নৰ নামত আবণ্টিত ৩০ লাখ টকা সামান্য কামৰ ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে




### যাত্ৰী লৈ অসমলৈ ৰাজধানী এক্সপ্ৰেছৰ প্ৰৱেশ

## কোকৰাঝাৰ ষ্টেছনত নামিল ২৯ যাত্ৰী



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৩ মে’ ঃ** নতুন দিল্লীৰ পৰা ডিব্ৰুগড় চহৰ অভিমুখী উজনিমুৰা ৰাজধানী এক্সপ্ৰেছ তৃতীয় পৰ্যায়ৰ তলাবন্ধ চলি থকাৰ মাজতে আজি সন্ধিয়া ৭.১৮ বজাত কোকৰাঝাৰ ৰেল ষ্টেছনত উপস্থিত হয়। ৰেল আৰক্ষীৰ সূত্ৰই সদৰী কৰা মতে নতুন দিল্লীৰ পৰা কোকৰাঝাৰ ৰেল ষ্টেছনত ২৯ গৰাকী যাত্ৰী নামে। এই যাত্ৰীসকলৰ মাজত কোকৰাঝাৰ, ধুবুৰী আদি বিভিন্ন জিলাৰ যাত্ৰী আছে। ইতিমধ্যে যাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰি কোৱাৰেণ্টাইন শিবিৰসমূহলৈ বিশেষ বাহনেৰে প্ৰেৰণ কৰা হৈছে। ইপিনে, কোকৰাঝাৰ কেল ষ্টেছনৰ পৰা ডিব্ৰুগড়লৈ পাঁচজন যাত্ৰী ৰাওনা হোৱাৰ কথা আছিল যদিও চাৰিজনক প্ৰস্থান কৰে। আন এজন অনপস্থিত হৈ থাকে। ইফালে, নতুন দিল্লীৰ পৰা কোকৰাঝাৰত আহি পোৱা যাত্ৰীসকলৰ প্ৰতি লক্ষ্য ৰাখি কোকৰাঝাৰত জিলা ছয় পৃষ্ঠাত চাওক

## বন্যহস্তীৰ আক্ৰমণত গোৱালপাৰাত শ্ৰমিক নিহত

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৩ মে’ ঃ** গোৱালপাৰা ৰেল ষ্টেছনত যোৱা নিশা ১০ বজাত মদন বসুমতাৰী (৪৫) নামৰ এজন শ্ৰমিক বন্যহস্তীৰ গছকত থিতাতে নিহত হয়। বাগ্‌সা জিলাৰ মুছলপুৰ থানাৰ অন্তৰ্গত কদমতল (খৰিমোৰা) গাঁৱৰ লক্ষীকান্ত বসুমতাৰীৰ পুত্ৰ মদনে গোৱালপাৰা ৰেল ষ্টেছনত ৰেলৱে কৰ্মচাৰীৰ আৱাসগৃহ নিৰ্মাণ শ্ৰমিকৰ ৰান্ধনিৰূপে কাম কৰিছিল। যোৱা নিশা প্ৰস্ৰাৱ কৰিবলৈ বাহিৰলৈ ওলাই অহাৰ সময়তে বনৰীয়া হাতীৰ আক্ৰমণৰ বলি হৈ মৃত্যু হয়। লগে লগে শ্ৰমিকসকলৰ মাজত হুৱাদুৱাৰ সৃষ্টি হয়। পাছত ঘটনাস্থলীত আৰক্ষী আৰু বন বিভাগৰ লোক উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইপিনে, আজি মৰণোত্তৰ পৰীক্ষাৰ পাছত পৰিয়ালৰ লোকে মৃতদেহটো চমজি লয়। উল্লেখ্য যে গোৱালপাৰা জিলাত ধাৰাবাহিকভাৱে এজনৰ পাছত এজনকৈ লোকৰ বন্যহস্তীয়ে প্ৰাণনাশ কৰি থকাৰ পাছতো বন বিভাগ তথা চৰকাৰে প্ৰয়োজনীয় গুৰুত্ব নিদিয়া বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে।

### ঘৰে ঘৰে মাছৰ পোনা যোগান ধৰাৰ দাবী মীন পালকৰ

# উৎপাদন কেন্দ্ৰত নাই মাছৰ পোনা

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৩ মে’ ঃ** বিশ্বজুৰি সন্ত্ৰাসৰ সৃষ্টি কৰা ক’ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা তলাবন্ধৰ ফলত দৰং জিলাত সৰু-বৰ মীনপালকসকল ক্ষতিগ্ৰস্ত হৈছে। বিশেষকৈ এপ্ৰিল-মে’ত মাছৰ কণী এৰি দিয়ে। স্বাভাৱিকতে এপ্ৰিলৰ পূৰ্বে মীনপালকসকলে পুখুৰীৰ পুৰণি মাছ বিক্ৰী কৰি পুখুৰীটো চাফ-চিকুণ কৰি নতুন মাছৰ পোনাৰ বাবে উপযুক্ত কৰে। কিন্তু এইবাৰ মাৰ্চৰ আৰম্ভণিৰ লগে লগে কৰ’না ভাইৰাছৰ সংক্ৰমণৰ আতংক আৰু পাছত জনতা সন্ধ্যা আইন, তলাবন্ধ আদিৰ বাবে বেছিভাগ মীনপালকে পুৰণি মাছ বিক্ৰী আৰু পুখুৰী পৰিষ্কাৰ কৰিবলৈ সক্ষম নহ’ল। ফলত নতুন মাছৰ পোনা মেলিবৰ বাবে বেছিভাগ মীনপালকৰ পুখুৰী অনুপযুক্ত হৈয়ে থাকিল। উল্লেখ্য যে দৰং জিলাত বিগত বৰ্ষত সংঘটিত ভয়াৱহ বানত মঙলদৈ, দলগাঁও, ছিপাঝাৰ আৰু পাথৰিঘাট ৰাজহ চক্ৰৰ ১২৮খন ৰাজহ গাঁৱৰ ৪০ৰো অধিক মীনপালন কৰা ৰাজহুৱা পুখুৰী আৰু ১৯খনকৈ বিল আৰু কে’বা হেজাৰ ব্যক্তিগত পুখুৰী বানত ক্ষতিগ্ৰস্ত হোৱাত ১০ হেজাৰৰো অধিক ক্ষুদ্ৰ আৰু বৃত্তিগত মীনপালক ক্ষতিগ্ৰস্ত হৈছিল। উল্লেখ্য যে ৰাজ্যৰ ভিতৰতে মৎস্য উৎপাদনত বিশেষ নাম থকা জিলাখনত বানত মৎস্য ব্যৱসায়ীসকল ক্ষতিৰ সন্মুখীন হোৱাৰ পাছত মৎস্যপালক-ব্যৱসায়ীসকলক সকাহ দিবলৈ তৎপৰ হৈ পৰিছিল মীন বিভাগ। জিলা মীন বিভাগৰ অধীনত থকা উপহুপাৰা মীন পোনা উৎপাদন কেন্দ্ৰক ছয় পৃষ্ঠাত চাওক



নিজ গৃহলৈ যাবলৈ অপেক্ষাৰত প্ৰব্ৰজিত শ্ৰমিক, মহানগৰীত বুধবাৰে।

## কোৱাৰেইণ্টাইনৰ বাবে সাজু দৰং জিলা প্ৰশাসন

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৩ মে’ ঃ** ৰাজ্যৰ বাহিৰত আবদ্ধ হৈ থকা লোকসকলক চৰকাৰে নিজ মাতৃভূমিলৈ ঘূৰাই অনা আৰু তেওঁলোকক নিৰ্দিষ্ট দিন কোৱাৰেণ্টাইন কৰাৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে দৰং জিলাতো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। আজি জিলাখনৰ নৱনিযুক্ত উপায়ুক্ত দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত এখন জৰুৰী সভা অনুষ্ঠিত কৰা হয়। উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ছিপাঝাৰ, মঙলদৈ, কলাইগাঁও সমষ্টিৰ বিধায়ক ক্ৰমে বিনন্দ কুমাৰ শইকীয়া, ছয় পৃষ্ঠাত চাওক

## খাৰুপেটীয়াৰ পদপথৰ বজাৰত অভিযান আৰক্ষীৰ ঃ পাচলি পেলালে ‘ডাম্পিং গ্ৰাউণ্ড’ত

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১৩ মে’ ঃ** দৰঙৰ খাৰুপেটীয়া পদপথত বহা পাচলি বজাৰত অভিযান চলাই আৰক্ষীয়ে আজি হেজাৰ হেজাৰ টকাৰ পাচলিসহ আন সামগ্ৰী পেলাই দিয়ে। দৰঙৰ খাৰুপেটীয়াৰ কৃষকসকলে তেওঁলোকৰ উৎপাদিত পাচলি আনদিনাৰ দৰে আজিও খাৰুপেটীয়া নগৰৰ সমীপৱৰ্তী খেতাৰশূৰ গাঁৱৰ জি এন বি ৰোডৰ দুয়োকাষে পদপথত বহা বজাৰত বিক্ৰীৰ বাবে আনে। বিগত এসপ্তাহ ধৰি চলি থকা উক্ত পদপথৰ বজাৰত সমাগম ঘটে বহু ক্ৰেতা-বিক্ৰেতাৰ। আজি পুৱাতে কাৰ্যবাহী দণ্ডাধীশৰ নেতৃত্বত খাৰুপেটীয়া আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে হঠাতে অভিযান চলাই পহু খেদা দিয়ে বেপাৰী আৰু স্থানীয় গ্ৰাহকক। আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ লাঠিৰ কোবৰ ভয়ত পদপথতে পাচলি, মাছ, দগা-পাল্লা এৰি পলায়ন কৰে ব্যৱসায়ীসকলে। আনকি মাছ, পাচলি বিক্ৰী কৰা নগদ ধনো এৰি পলাবলৈ বাধ্য হয় ব্যৱসায়ীয়ে। ফলত পদপথত পৰি থকা কুইণ্টলে কুইণ্টলে পাচলি আৰু সৰু-ডাঙৰ মাছ প্ৰশাসনে পৌৰকৰ্মীৰ সহায়ত ডাম্পিং গ্ৰাউণ্ডত পেলাই ট্ৰেক্টৰৰে নষ্ট কৰে। ফলত শতাধিক কৃষকৰ লগতে মাছ আৰু পাচলি ব্যৱসায়ীৰ লোকচান হয় হেজাৰ হেজাৰ টকা।

### নগাঁৱত কোৱাৰেণ্টাইন কৰা ১৯৮ৰ ১৪৫জনক মুকলি

## হাইদৰাবাদৰ পৰা ট্ৰাক-পদব্ৰজে অহা আঠজনক কোৱাৰেণ্টাইন

বিশেষ সংবাদদাতা

**নগাঁও, ১৩ মে’ ঃ** নগাঁও জিলাৰ বিভিন্ন চিকিৎসালয়ত স্থাপন কৰা কোৱাৰেণ্টাইন কেন্দ্ৰত বৰ্তমানলৈকে ১৯৮জনক কোৱাৰেণ্টাইন কৰা হৈছে। ১৪দিন অতিক্ৰম কৰাৰ পাছত ইয়াৰে ১৪৫জনক ঘৰলৈ যাবলৈ দিয়া হৈছে। ৫৩জন এতিয়াও কোৱাৰেণ্টাইন হৈ আছে। ইয়াৰে ৩৩জন উজৰাগাঁও আদৰ্শ চিকিৎসালয়ত, দুজন মোৰামাৰী চিকিৎসালয়ত, ১১জন কন্দলী আদৰ্শ চিকিৎসালয়ত আৰু সাতজন নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ৰখা হৈছে। ইয়াৰ ভিতৰত আজি কোৱাৰেণ্টাইন কৰা ১৩জন আছে। এই ১৩জনৰ ভিতৰত আঠজন হায়দৰাবাদৰ পৰা অহা। আঠজনৰ ভিতৰত এজন গোলাঘাটৰ, এজন যোৰহাটৰ আৰু আন ছজন নগাঁৱৰ। ইপিনে, আজি কোৱাৰেণ্টাইন কৰা আন পাঁচজন লোকৰ ভিতৰত অৰেঞ্জ জ’ন মৰিগাঁৱৰ মিকিৰভাটাৰ এজন আৰু মায়ঙৰ তিনিজন আৰু নগাঁৱৰ কাছমাৰীৰ এজনো আছে। এই পাঁচজনক ৰাস্তাত ঘূৰি ফুৰা অৱস্থাত আৰক্ষীয়ে প্ৰত্যক্ষ কৰি আজি পুৱা তেওঁলোকক আটক কৰি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ক গতাই দিয়ে। স্বাস্থ্য বিভাগে এই পাঁচজনৰ স্বাস্থ্য পৰীক্ষা কৰি ক’ভিড-১৯ৰ কোনো লক্ষণ নথকাত আজি সন্ধিয়া হোম ছয় পৃষ্ঠাত চাওক

## বঙাইগাঁও জিলা অগপৰ সম্পাদক বিশ্বজিৎ ঘোষ দস্তিদাৰৰ বিয়োগত শোক



অগ্ৰদূত ব্যুৰ’

**বঙাইগাঁও, ১৩ মে’ ঃ** অগপৰ বঙাইগাঁও জিলা সমিতিৰ সম্পাদক, শিক্ষক, সমাজকৰ্মী তথা সাংস্কৃতিক কৰ্মী বিশ্বজিৎ ঘোষ দস্তিদাৰ (৫৩) ওৰফে শংকু ঘোষ দস্তিদাৰৰ আজি বিয়োগ ঘটে। চহৰখনত শংকু ছাৰ হিচাপে পৰিচিত দস্তিদাৰৰ মৃত্যুত বঙাইগাঁৱৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি হ’ল। তেওঁ বঙাইগাঁও ৰে’লৱে স্কুলত শিক্ষা জীৱন আৰম্ভ কৰি পাছত শিক্ষকতাৰ বৃত্তি বাছি লয়। তেওঁ বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় (ইংৰাজী মাধ্যম)ত শিক্ষকতা যোগদান কৰি পৰৱৰ্তী সময়ত নিউ বঙাইগাঁৱস্থিত বিবেকানন্দ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। মৃত্যুৰ আগলৈকে তেওঁ উক্ত বিদ্যালয়তে শিক্ষক হিচাপে কৰ্মৰত আছিল। ৰাজনৈতিক জীৱনতো তেওঁৰ ভূমিকা আছিল অপৰিসীম। বিশেষকৈ বঙাইগাঁও চহৰৰ উত্তৰ অংশত অগপৰ ভিত্তি ধৰি ৰাখিবলৈ তেওঁৰ ভূমিকা আছিল ছয় পৃষ্ঠাত চাওক

## বকোত পথ দুৰ্ঘটনাত ১৪জন আহত



অগ্ৰদূত বাৰ্তা

**বকো, ১৩ মে’ ঃ** তৃতীয় পৰ্যায়ৰ তলাবন্ধৰ মাজত আজি বকোৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত ১৪ গৰাকী লোক গুৰুতৰভাৱে আহত হয়। পাঁচজনক সংকটজনক অৱস্থাত জি এম চি এইছলৈ প্ৰেৰণ কৰা হয়। ত্ৰিপুৰাৰ আগৰতলাৰ পৰা ধুবুৰীলৈ ১৪গৰাকী শ্ৰমিক যাত্ৰীক কঢ়িয়াই অনা যাত্ৰীবাহী বাছ এখন বকোত দুৰ্ঘটনাগ্ৰস্ত হয়। টি আৰ-০১ চি-১২৫৭ নম্বৰৰ বাছখনত আছিল ১৪ গৰাকী যাত্ৰী, চালক-হেণ্ডিমেনসহ মুঠ ১৬জন লোক। তীব্ৰগতিত অহা বাছখনে বকোৰ কেন্দুগুৰিত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা গছ এডালত প্ৰচণ্ড জোৰে খুন্দা মাৰি পুনৰাই এ এছ-২৫ ই আৰ-২৮৩৫ নম্বৰৰ ই-ৰিক্সা এখনত খুন্দা মাৰে। দুৰ্ঘটনাটোৰ ফলত ই-ৰিক্সাৰ চালক বকোৰ পাখাৰাপাৰাৰ বাসিন্দা দীনেশ দাস (৪২), বাছখনৰ যাত্ৰী ক্ৰমে ধুবুৰীৰ ভাছানিৰ চৰৰ চৌহান আলীৰ পুত্ৰ ৰাজিবুল হক (২৩) লালচান আলী (১৭), ছয় পৃষ্ঠাত চাওক

## বৰপেটা জিলাত ছটা কোৱাৰেণ্টাইন কেন্দ্ৰ স্থাপন

বিশেষ সংবাদদাতা

**বৰপেটা, ১৩ মে’ ঃ** ৰাজ্যৰ বাহিৰত থকা বৃহৎসংখ্যক লোকৰ অসমলৈ প্ৰত্যাৱৰ্তন আৰম্ভ হোৱাৰ লগে লগে তেনে লোকসকলক ক’ভিড-১৯ৰ বিধি অনুযায়ী কোৱাৰেণ্টাইন শিবিৰত ৰখাৰ বাবে বৰপেটা জিলা প্ৰশাসনেও প্ৰস্তুতি আৰম্ভ কৰিছে। বৰপেটা জিলাৰ হাউলীৰ বি এইছ মহাবিদ্যালয়, সৰভোগৰ বৰনগৰ মহাবিদ্যালয় আৰু বৰনগৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ, বৰপেটা আই টি আই আৰু তিতকাৰ মিনি আই টি আই আদি ছটা কেন্দ্ৰত এই পৰ্যন্ত মুঠ ৪৬০ লোকৰ থকাৰ ব্যৱস্থা কৰা হৈছে। প্ৰয়োজনত আসনৰ সংখ্যা অতিৰিক্ত এহেজাৰখনলৈ বৃদ্ধি কৰাটো সম্ভৱ হ’ব বুলি জিলা প্ৰশাসনে উল্লেখ কৰিছে। এই সম্পৰ্কত কালি সন্ধিয়া জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই কোৱাৰেণ্টাইন কেন্দ্ৰ আৰু মাণ্ডলিক পৰীক্ষা কেন্দ্ৰ স্থাপনৰ কামৰ অগ্ৰগতিৰ সমীক্ষা চলায়। তেওঁ কয়, ‘বহিঃৰাজ্যৰ পৰা আমাৰ জিলালৈ আহিবলগীয়া লোকসকলক প্ৰৱেশ দ্বাৰতে স্ক্ৰিনিং কৰাৰ উপৰি কোৱাৰেণ্টাইন কেন্দ্ৰসমূহত ৰখাৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা অতি সোনকালে সম্পূৰ্ণ কৰি তুলিব লাগিব। যিসকল লোকে কোৱাৰেণ্টাইন শিবিৰৰ সলনি হোটেলত থাকিব বিচাৰে তেওঁলোকৰ বাবে জিলাখনৰ ১৮খন হোটেলত চাৰিশখন আসনো সাজু কৰা ছয় পৃষ্ঠাত চাওক

## গেৰগুৰিৱাজুলিত দুৰ্বৃত্তই হত্যা কৰিলে এজনক

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১৩ মে’ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা থানাৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্তৱৰ্তী চাৰি নম্বৰ গাঁও গেৰগুৱাজুলিত যোৱা নিশা দুৰ্বৃত্তই এজন লোকক হত্যা কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে গাঁৱখনৰ বাসিন্দা মণি বসুমতাৰীয়ে নিশা ১০ বজাত আহাৰ গ্ৰহণ কৰি ঘৰৰ আগফালে চোতালত শুই থকাৰ সময়ত পৰিয়ালৰ লোকে গুলিৰ শব্দ শুনি বাহিৰলৈ ওলাই আহি দেখে যে দুৰ্বৃত্তই মণি বসুমতাৰীক গুলীয়াই হত্যা কৰি পলায়ন কৰে। ইপিনে, ঘটনাৰ পাছত পৰিয়ালৰ লোক আৰু গাঁৱৰ ৰাইজৰ মাজত হুৱাদুৱা লগাৰ লগতে আৰক্ষীক খবৰ দিয়ে। আৰক্ষী আৰু দণ্ডাধীশৰ দল পুৱা ঘটনাস্থলীত উপস্থিত হৈ বসুমতাৰীৰ গুলীৰ আঘাতত মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰি মৃতদেহটি থানালৈ লৈ আনে। ঘটনাটোৰ সন্দৰ্ভত ৰঙাপৰা আৰক্ষীয়ে ৪২/২০/২০ নম্বৰত এক গোচৰ ৰুজু কৰি কিহৰ বাবে ব্যক্তিজনক কোনে হত্যা কৰিছে তাৰ তদন্ত অব্যাহত ৰাখিছে। লগতে মৃতদেহটি মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## দৰঙত দুই সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ বাতিল

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৩ মে’ ঃ** মাৰাত্মক কৰ’না ভাইৰাছৰ সংক্ৰমণক কেন্দ্ৰ কৰি জনসাধাৰণৰ মাজত আতংকৰ সৃষ্টি হোৱাৰ সময়তে জনসাধাৰণক প্ৰবঞ্চনা কৰি জালিয়াতিৰ আশ্ৰয় লোৱাৰ অপৰাধত দৰঙৰ দুজন সুলভ মূল্যৰ দোকানীৰ অনুজ্ঞাপত্ৰ বাতিল কৰিছে জিলা প্ৰশাসনে। জিলা প্ৰশাসনৰ হৈ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অধীক্ষক আনন্দ কিশোৰ কানুৱে জাৰিলৈ দিয়া অনুসৰি জিলাখনৰ পাথৰিঘাট সমবায় সমিতিৰ অধীনৰ ছেঙেলীয়াঝাৰৰ সুলভ মূল্যৰ দোকানী তাজনুৰ আলী আৰু বোনমাঝা সমবায় সমিতিৰ অধীনৰ বিষ্ণুপুৰৰ এজেণ্ট ইয়াজুদ্দিন আহমেদৰ দোকানৰ অনুজ্ঞাপত্ৰ ছয় পৃষ্ঠাত চাওক

## এম্বুলেঞ্চ নাপাই সাঙীৰে চিকিৎসালয়লৈ নিছে প্ৰসূতি



### বৰপেটাৰ চৰত সৰ্বসাধাৰণৰ দুৰ্গতিৰ অন্ত নাই

**আলোপতি, ১৩ মে’ ঃ** দীঘলীয়া তলাবন্ধই এক প্ৰকাৰ জুৰুলা কৰিছে সৰ্বসাধাৰণ লোকৰ জীৱন-যাপন। বিশেষকৈ গ্ৰামাঞ্চলৰ লোকসকলে ৰোগী কঢ়িওৱাক লৈ যমৰ যাতনা ভুগিবলগীয়া হৈছে। তলাবন্ধই সকলো ফালৰ পৰা যেন স্তব্ধ কৰিছে সৰ্বসাধাৰণ লোকৰ দৈনন্দিন জীৱন। তেনে এক ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত খোলাবান্ধা গাঁৱত। গাঁৱখনৰ ৰুমা বেগম নামৰ এগৰাকী গৰ্ভৱতী মহিলাক চিকিৎসকৰ পৰামৰ্শ মতে সন্তান প্ৰসৱৰ কাৰণে লৈ যোৱা হয় গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ। মহিলাগৰাকীক চৰকাৰী চিকিৎসালয়খনত ভৰ্তি কৰোৱা হয় যদিও পৰ্যাপ্ত চিকিৎসা প্ৰদান নকৰাত দৰিদ্ৰ পৰিয়ালটোৱে প্ৰসৱ বেদনাত ছটফটাই থকা মহিলাগৰাকীক ‘লাইফ কেয়াৰ নাৰ্ছিং’ হোমত ভৰ্তি কৰোৱা হয় বুলি পৰিয়ালৰ লোকে সদৰী কৰিছে। নাৰ্ছিং হোমতে মহিলাগৰাকীয়ে সন্তান জন্ম দিয়াৰ পাছত চিকিৎসকে ঘৰলৈ যাবলৈ দিয়াত এখন ছয় পৃষ্ঠাত চাওক

## দুমুনিচকীত ওদালগুৰিৰ মহকুমাধিপতিক অপদস্থ

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১৩ মে’ ঃ** দৰং জিলাৰ ছিপাঝাৰ থানাৰ অন্তৰ্গত দুমুনিচকীত এগৰাকী সদৰ মহকুমাধিপতিক অসাধু ব্যৱসায়ীয়ে শাৰীৰিকভাৱে অপদস্থ কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য অনুসৰি ওদালগুৰি সদৰ মহকুমাধিপতি শ্যামন্ত ৰবি বাৰাই যোৱা ১০ মে’ত তেওঁৰ গাড়ীচালকজনৰ ইফটাৰৰ নিমিত্তে বাহনখন দুমুনিচকী মূল চ’কৰ কিছু আগত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ৰখাইছিল। গাড়ীখন ৰখোৱা ঠাইখিনিৰ সমীপতে আছিল ছিপাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ অতি ঘনিষ্ঠ হিচাপে সৰ্বজনবিদিত চামচুল হকৰ ঘৰ। সেই সময়ত তাত উপস্থিত থকা চামচুল হকে মহকুমাধিপতিজনৰ গাড়ীচালকজনৰ স’তে তাত গাড়ী ৰখোৱাক লৈ অযথা তৰ্কত লিপ্ত হয়। তাকে দেখি মহকুমাধিপতি বৰাই চামচুল হকক নিজৰ পৰিচয় দিবলৈ চেষ্টা কৰে। কিন্তু যুৱকজনে প্ৰশাসনিক বিষয়াজনৰ কথালৈ কৰ্ণপাত নকৰি তেওঁক শাৰীৰিকভাৱে ছয় পৃষ্ঠাত চাওক

## চিপিআই(এম-এল) নেতা বিবেক দাসক আৰক্ষীৰ জেৰা

### জব্দ কৰিলে ম’বাইল ফোন

অগ্ৰদূত বাৰ্তা

**বিহালী/বিশ্বনাথ চাৰিআলি, ১৩ মে’ ঃ** কৃষক নেতা অখিল গগৈৰ পাছতে এইবাৰ গেৰুৱা দলৰ ৰোষত পৰিছে চিপিআই(এম-এল)ৰ কেন্দ্ৰীয় সমিতিৰ নেতা, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ সভাপতি, নাগৰিকত্ব সংশোধনী আইন বিৰোধী ঐক্যমঞ্চ, অসমৰ অন্যতম আহ্বায়ক বিবেক দাস। উল্লেখ্য যে যোৱা সাত মে’ত বিশ্বনাথৰ বিজেপি নেতা অসীম দাসে জিনজিয়া থানাত দিয়া এজাহাৰৰ ভিত্তিত বিশ্বনাথ জিলাৰ ৰাজহ আৰক্ষী বিষয়াই এক জামিনবিহীন গোচৰ ৰুজু কৰি চমন পঠিয়াই বিশ্বনাথ জিলা আৰক্ষী থানাত উপস্থিত হোৱাৰ নিৰ্দেশ দিয়ে। সেইমৰ্মে, আজি বিবেক দাসে চিপিআই (এম-এল)ৰ বিশ্বনাথ জিলা সমিতিৰ সদস্যসহ পুৱা ১০ বজাত বিশ্বনাথ আৰক্ষী থানাত উপস্থিত হয়। তাৰ পিছতে তদন্তকাৰী আৰক্ষী বিষয়াই সোধ-পোছ কৰিব বুলি পুনৰ বিহালীৰ জিনজিয়া আৰক্ষী থানালৈ মাতে। জিনজিয়া থানাত তদন্তকাৰী আৰক্ষী বিষয়াই দুই ঘণ্টা সময় সোধ-পোছ কৰাৰ পাছত আৰক্ষীয়ে নজৰবন্দী কৰে শ্ৰমিক নেতাজনক। আৰক্ষীয়ে দাসৰ ৯৪৩৫০০৬৯৮৮ নম্বৰৰ ম’বাইল ফোনটো জব্দ কৰি পুনৰ ১৮ মে’ত দিনৰ ১০ বজাত একেইজন তদন্তকাৰী আৰক্ষী বিষয়াৰ সন্মুখত ছয় পৃষ্ঠাত চাওক

## তলাবন্ধই সলনি কৰিলে জীৱিকা

### শাক-পাচলি, ফল-মূল বিক্ৰী কৰি জীৱিকা নিৰ্বাহৰ চেষ্টা

বিশেষ সংবাদদাতা

**নগাঁও, ১৩ মে’ ঃ** ক’ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে ঘোষণা কৰা তলাবন্ধ বৰ্তমানেও অব্যাহত আছে। সম্প্ৰতি চলি থকা তৃতীয় পৰ্যায়ৰ তলাবন্ধৰ বাবে চৰকাৰে কিছু শিথিলতা আনি ব্যৱসায় কৰাসকলৰ বাবে জিলা প্ৰশাসনে কিছু নিয়ম বান্ধি দিছে। তলাবন্ধ চলি থকাৰ বাবে মেহনতী জনতা, দিন হাজিৰা কৰা লোকসকল তীব্ৰ আৰ্থিক সংকটত পৰিছে। এনে বহু লোকে এতিয়া জীৱিকাৰ পথ সলনি কৰিব লগা হৈছে। নগাঁও চহৰৰ পদপথ আৰু জনবসতি অঞ্চলত বছৰ বছৰ ধৰি ক্ষুদ্ৰ ব্যৱসায় কৰা লোকসকলে এতিয়া ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৩১ ব'হাগ ১৪২৭ ভাস্কৰাব্দ ১৪ মে' ২০২০



# ২০ লাখ কোটি

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মঙলবাৰে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণত তলাবন্ধৰ সময় পুনৰ বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰাৰ লগতে 'আত্মনিৰ্ভৰ ভাৰত অভিযান' সফল কৰাৰ উদ্দেশ্যে ২০ লাখ কোটি টকাৰ আৰ্থিক পেকেজ ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ এই ঘোষণাই জীৱন আৰু জীৱিকা দুয়োটা দিশৰ ওপৰত সমানে অগ্ৰাধিকাৰ দিছে বুলি ক'ব পাৰি। দুটা মাহৰ ভিতৰত কৰ'না মহামাৰীৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীৰ এয়া আছিল ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া পঞ্চমটো ভাষণ। বিশেষকৈ কৰ'নাৰ বিৰুদ্ধে যুঁজ আৰু তলাবন্ধৰ সন্দৰ্ভতে প্ৰধানমন্ত্ৰীৰ নতুন ঘোষণা তথা নীতি-নিৰ্দেশনা তেওঁৰ প্ৰতিটো ভাষণতে অতি গুৰুত্বপূৰ্ণ। কৰ'না মহামাৰীৰ বিৰুদ্ধে যুঁজ দি থকাৰ সময়ত ভাৰতবাসীয়ে যি দুটা বিষয়ত অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল, সেই দুয়োটা বিষয়তে প্ৰতীক্ষাৰ অন্ত পেলালে বুলি ক'ব পাৰি। প্ৰথমটো হ'ল, তৃতীয় পৰ্যায়ৰ তলাবন্ধ অহা ১৭ মে'ত অন্ত পৰিব। তলাবন্ধৰ সময় পুনৰ বৃদ্ধি কৰা হ'ব নে নহয়, অৰ্থাৎ তলাবন্ধ চাৰি ঘোষণা কৰিব নে নকৰে, সেই বিষয়ত দেশবাসীৰ মনত কৌতূহল বাঢ়ি গৈছিল। দেশৰ চাৰিখনমান ৰাজ্যত কৰ'না মহামাৰীয়ে ব্যাপক আৰু ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। মহাৰাষ্ট্ৰ, দিল্লী, তামিলনাড়ু, গুজৰাট, ৰাজস্থান আদি ৰাজ্যসমূহত কৰ'নাৰ সংক্ৰমণ, আক্ৰান্তৰ সংখ্যা আৰু মৃত্যুৰ হাৰ বেছি। কেৱল মহাৰাষ্ট্ৰতেই কৰ'নাত মৃত্যুৰ সংখ্যা নশতকৈ বেছি। আনহাতে, ভাৰতত কৰ'নাত আক্ৰান্তৰ সংখ্যা তীব্ৰগতিত বৃদ্ধি পাই যায় ৭৫ হেজাৰ হৈছেগৈ। ভাৰতে সোনকালেই কৰ'নাত আক্ৰান্তৰ সংখ্যাই চীন দেশকো অতিক্ৰম কৰিব। প্ৰধানমন্ত্ৰীয়ে বিশেষজ্ঞ বিজ্ঞানীসকলৰ কথা উল্লেখ কৰি কৈছে যে কৰ'না মহামাৰী দীৰ্ঘস্থায়ী হ'ব আৰু ইয়াৰ বিৰুদ্ধে যুঁজখনো দীঘলীয়া হ'ব। দেশৰ আঠখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে তলাবন্ধৰ ম্যাদ পুনৰ বৃদ্ধি কৰিবলৈ প্ৰধানমন্ত্ৰীক আহ্বান জনাইছিল। শেহতীয়া ভিডিঅ' কনফাৰেন্সত দেশৰ মুখ্যমন্ত্ৰীসকলৰ মতামত তথা পৰামৰ্শৰ পাছতে প্ৰধানমন্ত্ৰীয়ে অহা ১৭ মে'ৰ পাছত পুনৰ বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰিছে। অহা ১৭ মে'ৰ আগেয়ে এই বিষয়ে জনোৱা হ'ব যদিও দেশবাসী যে পুনৰ দুসপ্তাহৰ তলাবন্ধৰ বাবে সাজু হ'ব লাগিব, তাত কোনো সন্দেহ নাই; কিন্তু এই তলাবন্ধৰ মাজতে যে সৰ্বাধিক শিথিলতাও বিভিন্ন ক্ষেত্ৰত দেখিবলৈ পোৱা যাব, তাৰ ইংগিত প্ৰধানমন্ত্ৰীৰ ভাষণত দিয়া হৈছে। তলাবন্ধৰ ফলত ইতিমধ্যে দেশৰ অৰ্থনীতি ধ্বংসৰ মুখত পৰিছে। ইয়াক পলম নকৰি এতিয়াই পুনৰ উদ্ধাৰৰ কাম আৰম্ভ কৰাটো জৰুৰী হৈ পৰিছে। দেশৰ অৰ্থনীতি পুনৰ গঢ়ি তোলাৰ বাবেই প্ৰধানমন্ত্ৰীয়ে ২০ লাখ কোটি টকাৰ উদ্দীপক পেকেজ আগবঢ়াইছে।

প্ৰধানমন্ত্ৰীয়ে দেশৰ স্তব্ধ হৈ পৰা অৰ্থনীতিক পুনৰ গঢ়ি তুলিবলৈ 'আত্মনিৰ্ভৰ ভাৰত অভিযান' আঁচনি গ্ৰহণ কৰিছে। যিহেতু বিশ্বৰ সকলো দেশেই বৃহৎ ক্ষতিৰ সন্মুখীন হৈছে, সেয়ে সকলোৱেই নিজ নিজ নাগৰিকসকলৰ অৱস্থা উন্নত কৰাতহে এতিয়া সৰ্বাধিক গুৰুত্ব দিছে। দেশৰ কৰ্মহীন হৈ পৰা লাখ লাখ নিবনুৱাৰ স্বাৰ্থৰ কথাহে এতিয়া প্ৰত্যেক দেশৰ চৰকাৰে চিন্তা কৰিছে। আমেৰিকাই এতিয়া আকৌ চিঞৰিব 'আমেৰিকা ফাৰ্ষ্ট' অৰ্থাৎ প্ৰথমে আমেৰিকা। প্ৰধানমন্ত্ৰী মোদীয়ে 'ইণ্ডিয়া ফাৰ্ষ্ট' শ্ল'গান দিয়া নাই যদিও তেওঁৰ ভাষণত স্থানীয় (লোকেল) স্বাৰ্থপূৰণ নীতি ল'বলৈ আহ্বান জনাইছে। তেওঁ গ্ল'বেলৰ পৰিৱৰ্তে লোকেলক আঁকোৱালি ল'বলৈ কৈছে। লোকেলেহে দেশক ৰক্ষা কৰিব পাৰিব। তেওঁৰ আহ্বান— 'লোকেল কে লিয়ে ভ'কেল বনানা হ্যায়।' অৰ্থাৎ দেশৰ স্থানীয় স্বাৰ্থৰ সপক্ষে মাত মাতিব লাগিব। উদ্যোগ, ব্যৱসায়, বাণিজ্য, উৎপাদন, চাহিদা আৰু যোগান আদি সকলোতে লোকেলে গুৰুত্ব পাব লাগিব বুলি প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। সেয়ে কেন্দ্ৰীয় চৰকাৰে এইবাৰ 'মেক ইন ইণ্ডিয়া' নীতিৰ ওপৰত বিশেষ গুৰুত্ব দিব বুলি আশা কৰা হৈছে। অচল হৈ পৰা দেশৰ অৰ্থনীতিৰ চকা পুনৰ ঘূৰাবলৈ যে বৃহৎ পৰিমাণৰ পেকেজৰ প্ৰয়োজন, সেই কথা কেন্দ্ৰই উপলব্ধি কৰিয়েই ২০ লাখ কোটি টকাৰ অৰ্থসাহায্য আগবঢ়াইছে। এই বৃহৎ পৰিমাণৰ ধন ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি)ৰ ১০ শতাংশ বুলি কোৱা হৈছে। উল্লেখ্য যে বৰ্তমান ভাৰতৰ অৰ্থনীতি দুশ লাখ কোটি বুলি প্ৰকাশ পাইছে। অৱশ্যে ভাৰতেই কেৱল নহয়, বিশ্বৰ বিকশিত দেশবিলাকেও কৰ'না মহামাৰী তথা দীঘলীয়া তলাবন্ধৰ ফলত হোৱা বৃহৎ ক্ষয়-ক্ষতি পূৰণ কৰা আৰু অৰ্থনীতি পুনৰ গঢ়ি তোলাৰ বাবে একেদৰে বৃহৎ পেকেজ আগবঢ়াইছে। জাপানে ইতিমধ্যে জিডিপিৰ ২১.১ শতাংশ, আমেৰিকা যুক্তৰাষ্ট্ৰই জিডিপিৰ ১৩.৩ শতাংশ, জাৰ্মানীয়ে জিডিপিৰ ১০.৭ শতাংশ, অষ্ট্ৰেলিয়াই ১০.৮ শতাংশ পুঁজিৰে বিশেষ পেকেজ আগবঢ়াইছে। ভাৰতে ২০ লাখ কোটি টকা কি কি উৎসৰ পৰা লাভ কৰিব আৰু ক'ত ক'ত কেনেকৈ খৰচ কৰিব, সেই বিষয়টোৱে ইতিমধ্যে বিশেষজ্ঞসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। ২০ লাখ কোটি টকাৰ ১.৭ লাখ কোটি টকা কেন্দ্ৰই পূৰ্বেই কৰ'নাৰ নামত আগবঢ়াইছিল। পাছত ৰিজাৰ্ভ বেংকে ৩.৭ লাখ কোটি টকা আগবঢ়াইছিল। শেহতীয়া ২০ লাখ কোটিৰ অন্তৰ্ভুক্ত কৰা হৈছে উল্লিখিত ধনকো। জাপান, আমেৰিকা, অষ্ট্ৰেলিয়া, জাৰ্মানী আদিৰ সমান পৰিমাণৰ নহ'লেও ভাৰতে আগবঢ়োৱা সাহায্য পেকেজৰ পৰিমাণো কম নহয়। দেশৰ সকলো শ্ৰেণীৰ লোকক সহায় কৰিব পৰাকৈ এই পেকেজৰ ধন বিতৰণ কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে আশ্বাস দিছে। তলাবন্ধৰ ফলত সৰ্বাধিক ক্ষতি হৈছে শ্ৰমিক, ক্ষুদ্ৰ ব্যৱসায়ী, ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগ আদি। বৃহৎ সংখ্যক মধ্যবিত্ত বিপদত পৰিছে। দেশৰ ১২.৫ কোটি লোক কৰ্মহীন হৈছে আৰু ইয়াৰ ৭৫ শতাংশই শ্ৰমিক, যিসকলৰ মাজত দিন হাজিৰা কৰা, সংগঠিত তথা অসংগঠিত খণ্ডৰ শ্ৰমিকো আছে। ইতিমধ্যে লাখ লাখ কৰ্মহীন লোক নিজ ৰাজ্য তথা ঘৰলৈ ঘূৰি গৈছে। এই কোটি কোটি কৰ্মহীন হৈ পৰা লোকে পুনৰ কাম পোৱাৰ ব্যৱস্থা কৰাত সাহায্য পেকেজে ভূমিকা ল'ব লাগিব। সকলো শ্ৰেণীৰ লোক ইয়াৰ যোগেদি উপকৃত হ'ব পৰাকৈ আঁচনি গ্ৰহণ কৰিব লাগিব।

## খোলা মঞ্চ

# কৰ'না দুৰ্যোগক কিদৰে সুযোগলৈ নিব পাৰি



**বৰ্তমান** সময়ত কৰ'না ভাইৰাছ গোটেই বিশ্বতে শংকাৰ কাৰণ হৈ পৰিছে। খালী চকুৰে দেখা নোপোৱা এটা ক্ষুদ্ৰ অণুজীৱৰ ওচৰত আজি মানুহৰ গতিশীল জীৱন স্তব্ধ হৈ পৰিছে। প্ৰতিৰোধৰ উপায় হিচাপে সমগ্ৰ বিশ্বতেই তলাবন্ধ ঘোষণা কৰা হৈছে। এতিয়া সামাজিক বা শাৰীৰিক দূৰত্ব বজাই ৰাখি আমি নিজকে সুৰক্ষিত কৰি ৰখাটো অতি প্ৰয়োজনীয় পদক্ষেপ। দুৰ্যোগ সময়ে সময়ে আহিবই। আমি ধৈৰ্য সহকাৰে অপেক্ষা কৰিব লাগিব। গতিকে আমি নিৰাশ নহৈ যোগাত্মক চিন্তাধাৰাৰে হাতত পোৱা সময়খিনি সদ্ব্যৱহাৰ কৰিব লাগে। এতিয়া সময়ৰ অভাৱত পৰি ৰোৱা ঘৰুৱা কিছু কাম কৰিব পাৰিছো। সদায় সহজতে হাতত পোৱা খাদ্যবস্তু যেনে মিঠাই বা অন্যান্য মুখৰোচক বস্তু যিবোৰ আমি কিনি আনো, সেইবোৰ কিছু ঘৰতে বনাব শিকিছো, কে'বাখনো বছা বছা উপন্যাস পঢ়িলো। শিক্ষকতাৰ কাম কৰো, গতিকে ছাত্ৰ-ছাত্ৰীক যেনেকৈ পাৰো ঘৰৰ পৰাই সহায় কৰিছো আৰু লগতে কে'বাখনো ভাল চলচ্চিত্ৰ উপভোগ কৰাৰো সুযোগ পাইছো। গতিকে সময়খিনি খুব সুন্দৰভাৱেই অতিবাহিত কৰিছো। দূৰসংযোগৰ মাধ্যমেৰেই পৰিয়ালৰ আৰু ওচৰ চুবুৰীয়াৰ লগত সম্পৰ্কও ৰাখিছো। কৰ'না ভাইৰাছৰ উৎপত্তি আৰু উৎস সম্বন্ধে বিজ্ঞানীসকলে গৱেষণা চলাই আছে। কৰ'নাৰ উদ্ৰেক আমি এটা অস্বাভাৱিক পৰিৱৰ্তনৰ ফলত হোৱা দুৰ্যোগ বুলিয়ে ধৰি ল'ব পাৰো। প্ৰাকৃতিক পৰিৱেশৰ পৰিবৰ্তন জীৱৰ ক্ৰমবিকাশ আৰু পুনৰ উৎপত্তিৰ এটা কাৰক। বৰ্দ্ধিত জনসংখ্যা আৰু মানুহৰ প্ৰয়োজন পূৰাবৰ বাবে প্ৰকৃতিক অনিয়ন্ত্ৰিতভাৱে ব্যৱহাৰ কৰা হৈছে। মানুহে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰিলে প্ৰকৃতিয়ে নিজেই ভাৰসাম্য ৰক্ষাৰ ব্যৱস্থা ল'ব। এতিয়া আমি মুক্ত বতাহ পাইছো, য'ত বায়ু প্ৰদূষণ নাই, শব্দ প্ৰদূষণ নাই। গতিকে এতিয়া প্ৰতিটো মুহূৰ্ত ধৈৰ্যৰে, সাহসেৰে মুখামুখি হ'ব লাগিব। বহুতেই নানা সমস্যাৰ সন্মুখীন হৈছে যদিও চৰকাৰ, বিভিন্ন সংগঠনে আৰ্তজনলৈ সহায়ৰ হাত আগবঢ়াইছে; কিন্তু পৰিতাপৰ বিষয় এই যে এচাম সুবিধাবাদী, দালালৰূপী মানুহে সেইসকলক লৈ ৰাজনীতি কৰিছে। কেনেকৈ চৰকাৰখনক লঘু কৰিব পাৰি, কেনেকৈ চৰকাৰখনৰ ওপৰত হেঁচা প্ৰয়োগ কৰিব পাৰি, তাৰ যেন এটা প্ৰতিযোগিতা। এয়া ৰাজনীতি কৰাৰ সময় নহয়। ৰাজনীতিৰ উৰ্ধ্বত থাকি মানুহ হিচাপে মানৱ ধৰ্ম পালন কৰিব লাগে। সুচাৰুৰূপে কাম কৰিবলৈ চৰকাৰকো ৰাইজৰ সহযোগিতা লাগে। কৰ'না প্ৰতিৰোধৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ কাম শলাগিবলগীয়া। চৰকাৰে বান্ধি দিয়া নীতি-নিয়ম ভালদৰে মানি আমি সকলোৱে মিলি কৰ'নাক প্ৰতিৰোধ কৰিব লাগিব।

দীপ্তি ভট্টাচাৰ্য, *শিক্ষয়িত্ৰী*

*ফোন ঃ ৭০০২৯৮২০৬৪*

কৰ'না আতংক

# তৃতীয়টো হওক অন্তিম তলাবন্ধ

আজিৰ পৰা তিনিদিন পাছত আমাৰ দেশত বলৱৎ কৰা তৃতীয়টো 'তলাবন্ধ'ৰ অৱধি সমাপ্ত হ'ব। ইয়াতে 'তলাবন্ধ' অন্ত পৰিবনে দেশখনত চতুৰ্থটো 'তলাবন্ধ' জাৰি কৰা হ'ব, সেইটো জানিবলৈ দেশবাসীয়ে নিশ্চয় উৎকণ্ঠাৰে বাট চাইছে; কিন্তু এটা কথা ঠিক যে ৰঙা অঞ্চল হিচাপে চিহ্নিত অঞ্চলসমূহত 'তলাবন্ধ'ৰ অৱধি বৃদ্ধি কৰাটো অৱশ্যম্ভাৱী। বাকী কমলা আৰু সেউজীয়া অঞ্চল হিচাপে চিহ্নিত অঞ্চলসমূহত চৰ্ত সাপেক্ষে আৰু অঞ্চল বিশেষে 'তলাবন্ধ' শিথিল কৰা অথবা সময় সীমা বৃদ্ধি কৰা হ'ব বুলি ভবাৰ থল আছে। ১১ মে'ত প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীসকলৰ স'তে হোৱা ভিডিঅ' কনফাৰেন্সত কেইগৰাকীমান মুখ্যমন্ত্ৰীয়ে 'তলাবন্ধ'ৰ সীমা বৃদ্ধি কৰিবলৈ আৰু কেইগৰাকীমানে বৃদ্ধি নকৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। গতিকে এই প্ৰৱন্ধ প্ৰকাশ হয়গৈ মানে চৰকাৰে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাৰ আশা আছে। যি হওক, সমস্যাটো হৈছে অনেকেই চৰকাৰী নিৰ্দেশনা নমনাৰ ফলত আৰক্ষী আৰু প্ৰশাসন কঠোৰ হ'বলগীয়া হৈছে। সকলো শ্ৰেণীৰ নাগৰিকে সাৱধানতা অৱলম্বন কৰাৰ লগতে চৰকাৰী নিৰ্দেশনা আখৰে আখৰে পালন কৰাহেঁতেন সংক্ৰমণ আৰু মৃত্যুৰ হাৰ দ্ৰুতগতিত নাবাঢ়িলহেঁতেন আৰু চৰকাৰেও 'তলাবন্ধ'ৰ অৱধি বৃদ্ধি কৰিবলগীয়া অৱস্থাৰ সৃষ্টি নহ'লহেঁতেন। অজ্ঞতাৰ কাৰণে অনেক লোকে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা নাই, যথাবিহিত সাৱধানতা অৱলম্বন কৰা নাই আৰু চৰকাৰী নিয়ম মনা নাই; কিন্তু অনেক শিক্ষিত আৰু জনা-বুজা লোকে জানি-বুজিও ইচ্ছাকৃতভাৱে নিয়ম মনা নাই। তেওঁলোকক আৰক্ষীয়ে আটক কৰি তেওঁলোকৰ যান-বাহন জব্দ কৰাটো ভালেই হৈছে। তেনে লোকক চৰকাৰে আটক কৰি কৰ'না সংক্ৰান্তীয় কামত বাধ্যতামূলকভাৱে নিয়োজিত কৰিলে তেওঁলোকে উচিত শিক্ষা পাব।

ভাৰতত প্ৰথমটো সংক্ৰমণ ধৰা পৰিছিল ৩০ জানুৱাৰী, ২০২০ত। প্ৰথমটো মৃত্যু ঘটিছিল ১২ মাৰ্চত। সিদিনা আক্ৰান্তৰ সংখ্যা আছিল ৭৪। ১৯ মাৰ্চত আক্ৰান্তৰ সংখ্যা ১৭৩ জনলৈ আৰু মৃত্যুৰ সংখ্যা চাৰিজনলৈ বৃদ্ধি পাইছিল। ভাৰতত সংক্ৰমণ আৰু মৃত্যুৰ হাৰৰ উৰ্দ্ধগামী ধাৰাৰ উমান পাবলৈ ইয়াৰ লগতে বছা বছা তাৰিখৰ তথ্যসহ চাৰ্ট এখন সন্নিবিষ্ট কৰা হ'ল। (বিভিন্ন উৎসত থকা একে তাৰিখৰ তথ্য একে নোহোৱাৰ ফলত চাৰ্টখনত উল্লেখ কৰা তথ্যত কিছু তাৰতম্য থাকিব পাৰে)। চাৰ্টখনৰ পৰা দেখা যায় যে মাৰ্চৰ মাজলৈকে ভাৰতৰ সংক্ৰমণ আৰু মৃত্যুৰ সংখ্যা সহ্য কৰিব পৰা ধৰণৰেই আছিল। মাৰ্চৰ দ্বিতীয় পষেকত হ'বলৈ ধৰা বৰ্ধিত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ২২ মাৰ্চৰ পৰা ভাৰতলৈ আন্তৰ্জাতিক বিমানৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছিল আৰু ২৪ মাৰ্চৰ পৰা ভাৰতত প্ৰথমটো 'তলাবন্ধ' বলৱৎ কৰা হৈছিল।

ইতিমধ্যে আক্ৰান্ত আৰু মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি হৈ হৈ ২৩ মাৰ্চত ক্ৰমে ৪৬৮ আৰু নজন হৈছিলগৈ। আক্ৰান্ত হোৱা লোকৰ সংখ্যা ২৯ মাৰ্চত এহেজাৰ, দুই এপ্ৰিলত দুহেজাৰ, চাৰি এপ্ৰিলত তিনি হেজাৰ আৰু ১৬ এপ্ৰিলত ১২ হেজাৰ অতিক্ৰম কৰিছিল। ১১ মে'ত আক্ৰান্ত আৰু মৃত্যু হোৱা লোকৰ সংখ্যা প্ৰায় ৬৭ হেজাৰ আৰু ২,২০০ অতিক্ৰম কৰিছে। অৱশ্যে সেই তাৰিখত আৰোগ্য লাভ কৰা লোকৰ সংখ্যাও প্ৰায় ২১ হেজাৰলৈকে বৃদ্ধি পাইছে।

আক্ৰান্ত হোৱা লোকৰ প্ৰায় ৩১ শতাংশ লোকে আৰোগ্য লাভ কৰাৰ বিপৰীতে ৩.৩ শতাংশ লোকৰ মৃত্যু হৈছে। যিহেতু ৰোগটোৰ নিৰাময়ৰ বাবে কোনো ঔষধ নাই, গতিকে ৰোগত পৰা লোকে কেনেদৰে আৰোগ্য লাভ কৰিছে, সিও এক বিস্ময়ৰ কথা। কেৱল প্ৰতিপাল, শুশ্ৰূষা আৰু ছেকেণ্ডাৰী সংক্ৰমণ প্ৰতিৰোধৰ বাবে কৰা চিকিৎসাৰ বাবে সংক্ৰমিত লোক আৰোগ্য হোৱা বুলি ভবাৰ থল আছে।

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ভাইৰাছটোৰ দ্বাৰা আক্ৰান্ত সৰহ সংখ্যক ৰোগীয়ে বিশেষ চিকিৎসা লাভ নকৰাকৈয়ে আৰোগ্য লাভ কৰে। কাৰ্ডিঅ' ভাস্কুলাৰ ৰোগ, মধুমেহ, শ্বাস-প্ৰশ্বাসৰ ৰোগ, কৰ্কট ৰোগ আদিত ভুগি থকা লোকসকল এই ৰোগৰ চিকাৰ হোৱাৰ সম্ভাৱনা বেছি। গতিকে কেনেদৰে বীজাণুটোৰ সংক্ৰমণৰ পৰা নিজকে বচাব পৰা যায়, তাৰ বাবে চেষ্টা কৰাটোহে দৰকাৰী কথা। তাৰ বাবে প্ৰয়োজনীয় কথা হৈছে ৰোগটোৰ বিষয়ে জনা, ভাইৰাছটোৱে মানুহৰ শৰীৰত কেনেদৰে প্ৰৱেশ কৰি সংক্ৰমণৰ সৃষ্টি কৰে, সেই বিষয়ে জনা, হাত ধোৱা, হেণ্ড ছেনিটাইজাৰ ব্যৱহাৰ কৰা, মুখ মণ্ডল



সোঁতৰ বিপৰীতে চিন্তা

প্ৰবীণ চৌধুৰী

হাতেৰে নুচুৱা, মুখা পিন্ধা আদি পদক্ষেপৰ জৰিয়তে নিজকে আৰু আনক সুৰক্ষিত কৰা। কথাটো কোৱা যিমান সহজ, তাক কাৰ্যকৰী কৰাটো সিমানেই টান কাম। বিশেষকৈ শিক্ষাৰ গুৰুত্ব আৰু জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা বুজি নোপোৱা লোকক বিশেষ বীজাণুৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ সাৱধানতা অৱলম্বন কৰাৰ বাবে শিক্ষা দিয়াটো কিমান টান কাম, সেয়া সহজে অনুমেয়।

যোৱা ২২ মাৰ্চত আন দেশৰ পৰা ভাৰতলৈ বিমান অহাটো বন্ধ কৰাৰ ফলত অনেক ভাৰতীয় লোক বিদেশত আৱদ্ধ হৈ থাকিবলগীয়া হৈছিল। তদুপৰি, 'তলাবন্ধ'ৰ কাৰণে অনেক ভাৰতীয় লোক নিজ দেশৰ বিভিন্ন ঠাইত আৱদ্ধ হৈ থাকিবলগীয়া হৈছিল। দেশখনৰ বিভিন্ন ঠাইত আৱদ্ধ হৈ থকা লোকক নিজ নিজ ঠাইলৈ অনাৰ ব্যৱস্থা কৰাৰ লগতে বিভিন্ন দেশত আৱদ্ধ হৈ থকা ভাৰতীয় লোককো নিজ দেশলৈ ওভতাই অনাৰ প্ৰক্ৰিয়াও আৰম্ভ কৰা হৈছে। মহামাৰীটোৰ প্ৰাদুৰ্ভাৱৰ আগতে বিভিন্ন দেশৰ পৰা ভাৰতলৈ নিতৌ তিনিশ খন মান বিমান আহিছিল। ইতিমধ্যে মহামাৰীত আক্ৰান্ত দেশসমূহলৈ অহা-যোৱা কৰা অনেক ফ্লাইট বাতিল কৰাৰ ফলত ভাৰতলৈ অহা বিমানৰ সংখ্য নিতৌ প্ৰায় এশখনলৈ হ্ৰাস পাইছিলেই। সদ্যহতে ১২ খন দেশত আৱদ্ধ হৈ থকা প্ৰায় ১৫ হেজাৰ ভাৰতীয় লোকক উৰাজাহাজ আৰু নৌজাহাজেৰে ভাৰতলৈ অনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। বিদেশত আৱদ্ধ হৈ জীয়াতু ভুগি থকা প্ৰায় দুই লাখ শংকিত লোকে পঞ্জীয়ন কৰাৰ বাবে হেতা-ওপৰা লগোৱাৰ ফলত ছয় মে'ত অসামৰিক বিমান সেৱা মন্ত্ৰণালয়ৰ ৱেবছাইট 'ক্ৰেছ' কৰিছিল। যি হওক, আঠ মে'ত ইউনাইটেড আৰব এমিৰেটছৰ ডুবাই আৰু আবু ধাবিৰ পৰা নটা শিশুকে ধৰি ৩৫৪ জন আবদ্ধ ভাৰতীয়ক লৈ দুখন বিমান ভাৰতৰ কেৰালাস্থিত বিমান বন্দৰত অৱতৰণ কৰে। তেনেদৰে ন মে'ৰ পৰা আৰম্ভ কৰি প্ৰথম পৰ্যায়ত লণ্ডনৰ পৰা মুম্বাই, দিল্লী আদি মহানগৰলৈ সাতখন এয়াৰ ইণ্ডিয়া ফ্লাইটৰ ব্যৱস্থা কৰা হৈছে। ভাৰতৰ বিভিন্ন ঠাইত আৱদ্ধ হৈ থকা লোকক নিজ নিজ প্ৰদেশলৈ ঘূৰাই অনাৰ বাতৰিয়ে নিজ নিজ প্ৰদেশৰ আতংকিত লোকৰ মন অধিক আতংকিত কৰি তুলিছে। তেনে এটা উদাহৰণ হৈছে অসমলৈ আজমীৰ শ্বৰিফৰ পৰা বাছত ঘূৰি অহা লোকৰ মাজত কৰ'না সংক্ৰমিত লোক চিনাক্ত কৰাৰ ফলত বৃদ্ধি হোৱা আতংক। এতিয়া বিদেশৰ পৰা ঘূৰি অহা লোকেও সংক্ৰমণ বৃদ্ধি কৰিব বুলি মানুহে ভয় খাইছে; কিন্তু সেই বুলি মানুহবোৰ নিজ নিজ ঘৰলৈ ঘূৰি




নাহিবনে?

এই কথা অনস্বীকাৰ্য যে 'তলাবন্ধ'ৰ কাৰণে প্ৰতিখন দেশতে অৰ্থনৈতিক ক্ষতিসাধন হোৱাৰ লগতে সাধাৰণ জনগণেও অসহনীয় বিলৈৰ সন্মুখীন হ'ব লগা হৈছে। আটাইতকৈ বেছি দুৰ্ভাগ্যৰ কথাটো হৈছে সাধাৰণ লোক চিকিৎসাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। ৰোগ এটা হ'ব বুলি সম্ভাব্য ৰোগীৰ বাবে হাস্পতাল সমূহ আছুতীয়াকৈ ৰখাৰ ফলত আন ৰোগত আক্ৰান্ত হোৱা ৰোগীক চিকিৎসাৰ পৰা বঞ্চিত কৰি মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ দৰে হৈছে। জ্বৰ হ'লেই কৰ'না ৰোগত আক্ৰান্ত হোৱা বুলি সন্দেহ কৰি ৰোগীজনক আছুতীয়া কৰি ৰাখি হাৰাশাস্তি কৰা হৈছে। প্ৰথম অৱস্থাত এমাহ বা দুমাহ তেনে ব্যৱস্থা গ্ৰহণীয় হ'লেও অনিৰ্দিষ্ট কালৰ কাৰণে সেই ব্যৱস্থা সহনীয় হ'ব নোৱাৰে। আন সংক্ৰমণৰ বাবে জ্বৰ হ'লেও কৰ'না ৰোগ হোৱা বুলি ভাবি প্ৰথমতে কৰ'না সংক্ৰমণৰ টেষ্ট কৰাৰ ভয়ত জ্বৰ হ'লে মানুহ চিকিৎসালয়লৈ নোযোৱা হৈছে। আন বেমাৰ কৰ'নাতকৈ কম গুৰুত্বপূৰ্ণ হ'ব নোৱাৰে। সাপৰ যেনেদৰে সৰু-বৰ নাই, অসুখৰো সৰু-বৰ নাই। প্ৰতিষ্ঠিত চিকিৎসা পদ্ধতি নথকা কৰ'নাৰ পাছত দৌৰি চিকিৎসাধীন হৈ থকা ক্ৰিটিকেল ৰোগীৰ চিকিৎসা পিছুৱাই তেওঁলোকক মৃত্যুৰ মুখলৈ ঠেলি পঠোৱাটো কিমান যুক্তিপূৰ্ণ হৈছে, ভাবি চোৱাৰ সময় সমাগত। স্বাস্থ্য মন্ত্ৰণালয়ৰ এক তথ্য মতে কৰ'নাত আক্ৰান্ত ৰোগীৰ চিকিৎসাৰ বাবে দেশজুৰি চিকিৎসালয়ত আছুতীয়াকৈ ৰখা ১.৩৪ লাখ বিছনাৰ ১.৫ শতাংশহে ব্যৱহাৰ কৰা হৈছে। সম্ভাব্য ৰোগীৰ বাবে চিকিৎসালয়ৰ বাহিৰত ব্যৱস্থা কৰা ৬.৪৫ লাখ 'আইচ'লেছন' বিছনাৰ ব্যৱহাৰ কেনেদৰে কৰা হৈছে, সেই কথা জনা হোৱা নাই। তদুপৰি কৰ'না ৰোগীৰ ১.১ শতাংশকহে ভেন্টিলেটৰত ৰখা হৈছে, ৩.৩ শতাংশ লোককহে অক্সিজেন দিবলগীয়া হৈছে আৰু ৪.৮ শতাংশ লোককহে চিকিৎসালয়ৰ বিছনাত ৰাখিবলগীয়া হৈছে।

দেশ এখনৰ সকলো মানুহে দীৰ্ঘদিন ধৰি কাম-কাজ নকৰি ঘৰতে বহি থাকিলে দেশৰ অৰ্থনীতি ভাঙি পৰিবই। সেই কথা কোনো অৰ্থনীতিবিদে কৈ দিব নালাগে; কিন্তু আমাৰ দেশকে ধৰি বিভিন্ন দেশৰ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ কেতিয়া, কিমান হ'ব, তাৰ ভৱিষ্যদ্বাণী কৰাৰ ধুম এটা উঠিছেই। প্ৰধানমন্ত্ৰী মোদীৰ দ্বিতীয় কাৰ্যকালৰ আৰম্ভণিৰ পৰাই দেশখনত অৰ্থনৈতিক মন্দাৱস্থাৰ বিষয় চৰ্চিত হৈ আহিছে। এনে নিম্নগামী অৰ্থনীতিৰ পটভূমিত যোৱা দুমাহ ধৰি সকলো অৰ্থনৈতিক কাম-কাজ স্তব্ধ হৈ থকাৰ পাছত হঠাৎ কেনেকৈ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ গ্ৰহণযোগ্য পৰ্যায়লৈ যাব বুলি কোনো কোনো মহলে আশা কৰিছে, সেইটোহে আচৰিত কথা। ভাৰত চৰকাৰে যোৱা বছৰ ৰিজাৰ্ভ বেংকৰ পৰা ন লাখ ৮০ হেজাৰ কোটি টকাৰ ঋণ লৈছিলেই। এতিয়া কৰ'না মহামাৰী ৰোধৰ বাবে অৰ্থনৈতিক এক্টিভিটিজ বন্ধ কৰি হোৱা বিপৰ্যয়ৰ সন্মুখীন হ'বলৈ বিভিন্ন বণ্ড জমা থৈ চৰকাৰে ৰিজাৰ্ভ বেংকৰ পৰা ১২ লাখ কোটি টকা ঋণ লোৱাৰ যো-জা কৰিছে। গতিকে, অৰ্থনীতি অধিক বিপৰ্যয়ৰ পৰ্যায়লৈ নোযোৱাৰ স্বাৰ্থত দেশখনত বলৱৎ কৰা 'তলাবন্ধ' তৃতীয়টোতে সমাপ্ত হোৱাটো দৰকাৰী কথা।

মুঠতে, দীৰ্ঘদিন ধৰি 'তলাবন্ধ' চলি থাকিব লাগিলে হিতে বিপৰীত হ'বগৈ। গতিকে আমি ধীৰে ধীৰে অসুখটোৰ লগত সহাৱস্থান কৰিবলৈ শিকিব লাগিব। গতিকে, চৰকাৰী নিৰ্দেশনা মানি যথাবিহিত সাৱধানতা অৱলম্বন কৰাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি স্বাভাৱিক জীৱন যাপন কৰিবলৈ চেষ্টা কৰাটোহে হ'ব উপযুক্ত পদক্ষেপ।

মই দৃঢ়ভাৱে বিশ্বাস কৰা আৰু একাধিকবাৰ মোৰ বিভিন্ন প্ৰৱন্ধত উল্লেখ কৰা এটা কথা হৈছে, পৃথিৱীত কোনো সমস্যাৰে সৰ্বশ্ৰেষ্ঠ একক সমাধান সূত্ৰ থাকিব নোৱাৰে। বৰ্তমান বিশ্বজুৰি সৰ্বনাশী ৰূপ ধাৰণ কৰা অতি মহামাৰীটোৰ চিকিৎসাৰ বাবে ঔষধ আৰু প্ৰতিষেধক টিকা ওলোৱা নাই। এনে অৱস্থাত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ কেৱল পৰীক্ষামূলকহে, সমস্যাটোৰ এককভাৱে সৰ্বশ্ৰেষ্ঠ সমাধান সূত্ৰ নহয়। গতিকে অপ্ৰমাণিত বদ্ধমূল ধাৰণাৰ পেৰাৰ পৰা ওলাই আহি মুকলি মন আৰু ব্যতিক্ৰমী চিন্তাৰে বিকল্প ব্যৱস্থাৰ উদ্ভাৱনৰ চেষ্টা কৰাটো দৰকাৰী কথা। ইয়াৰ অবিহনে পৃথিৱীখন বা কোনো দেশ কৰ'না সন্ত্ৰাসৰ পৰা মুক্ত হ'ব নোৱাৰে।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

| তাৰিখ ২০২০ | আক্ৰান্ত হোৱা লোকৰ সংখ্যা | আৰোগ্য হোৱা লোকৰ সংখ্যা | আক্ৰান্ত হৈ থকা লোকৰ সংখ্যা | মৃত্যু হোৱা লোকৰ সংখ্যা |
|---|---|---|---|---|
| ৩০ জানুৱাৰী | ১ | ০ | ১ | ০ |
| ১৫ ফেব্ৰুৱাৰী | ৩ | ০ | ৩ | ০ |
| ৩ মাৰ্চ | ৬ | ৩ | ৩ | ০ |
| ৪ মাৰ্চ | ২৮ | ৩ | ২৫ | ০ |
| ১২ মাৰ্চ | ৭৪ | ৪ | ৭০ | ১ |
| ১৯ মাৰ্চ | ১৭৩ | ১৫ | ১৫৮ | ৪ |
| ২৪ মাৰ্চ | ৫১৯ | ৪০ | ৪৭৯ | ১০ |
| ২৯ মাৰ্চ | ১,০২৪ | ৯৫ | ৯২৯ | ২৭ |
| ২ এপ্ৰিল | ২,০৬৯ | ১৪৮ | ১,৯২১ | ৫৩ |
| ৪ এপ্ৰিল | ৩,০৭২ | ২২৯ | ২,৮৪৩ | ৭৫ |
| ১৬ এপ্ৰিল | ১২,৪৫৬ | ১,৫১৩ | ১১,৯৩৩ | ৪২৩ |
| ১ মে' | ৩৫,৩৬৫ | ৯,০৬৮ | ২৬,২৯৭ | ১.১৫৪ |
| ১১ মে' | ৬৭,১৫২ | ২০,৯১৭ | ৪৬,২৩৫ | ২,২০৬ |

# তলাবন্ধই আমাক শিকাইছে জীৱনৰ নতুন অৰ্থ

## গৃহবন্দিত্বৰ সময়ত শিক্ষা ল'ব লাগিব প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰি চলিবলৈ



অৱলোকন

চাইৰা ইছলাম বড়া

**পৃথিৱীখন** প্ৰদূষণমুক্ত কৰাত তলাবন্ধই মুখ্য ভূমিকা পালন কৰিছে। যিটো কাম জীৱশ্ৰেষ্ঠ মানুহৰ পৰা সম্ভৱ হৈ উঠা নাছিল। মানৱ সভ্যতাৰ বিবেকক জোঁকাৰি যোৱা এই বন্দিত্বৰ জীৱনে আওপকীয়াকৈ শিকাই গ'ল আমাক বহু কথা। মৃত্যুৰ আশংকাত সকলো বাধ্য হৈ পৰিল গৃহবন্দিত্বৰ জীৱন যাপন কৰিবলৈ। সলনি হ'ল আমাৰ জীৱনশৈলী। আৰম্ভণিতে আচহুৱা যেন লাগিছিল যদিও বৰ্তমান সকলোৱে সুৰক্ষাৰ খাতিৰত মানি ল'বলৈ চেষ্টা কৰিছে। সকলোৱে বুজি উঠিছে অনাকাংক্ষিত বিপদৰ পৰা ৰক্ষা পাবলৈ বৰ্তমান ঘৰৰ ভিতৰত থকাটোৱেই উত্তম উপায়। জীৱন হেৰুওৱাৰ পাছত সকলো মূল্যহীন অসাৰ। কিছু ত্যাগৰ বিনিময়ত মানৱ জাতিক মহামাৰীৰ গ্ৰাসৰ পৰা কিদৰে বচাব পাৰি, এই সময়ত সকলোৰে বাবে এইটোৱেই মুখ্য চিন্তা হৈ পৰিছে। চৰকাৰী ঘোষণা মানি চলাৰ লগতে জনসাধাৰণৰ সজাগতাৰ খুবেই প্ৰয়োজন। বহু লোকৰ অজ্ঞতা আৰু অবিবেচকহীন মানসিকতাৰ বাবে নিয়ম-শৃংখলা উলংঘন কৰি চৰম বিপৰ্যয়ৰ সন্মুখীন হ'বলৈ গৈ আছে। এনে বিবেকহীন লোকসকলে উপলব্ধি কৰা উচিত দেশৰ জনসাধাৰণৰ উপকাৰৰ কথা ভাবিয়েই চৰকাৰী নিষেধাজ্ঞাসমূহ ঘোষণা কৰা হৈছে। জটিল সময়ক অৱজ্ঞা নকৰি গুৰুত্ব সহকাৰে সাৱধানতা অৱলম্বন কৰা উচিত। সকলো নেতিবাচক চিন্তা পৰিহাৰ কৰি, অতি ধৰ্মান্ধতাৰ ভেদাভেদ পাহৰি মানৱতাৰ গুণবোৰক প্ৰাধান্য দি সকলোৱে এতিয়া মানৱ সেৱাত ব্ৰতী হোৱাৰ সময়। সবাতোকৈ জটিল ক্ষণত আমি ভৰি দিছো। এই সময় হিংসা-প্ৰতিহিংসা, বিদ্ৰোহৰ নহয়। ঘৰৰ ভিতৰত থাকিয়েই নিজকে কৰ'না প্ৰতিহত যুদ্ধখনৰ এজন সৈনিক ৰূপত নিজৰ দায়িত্ব পালন কৰক। সামাজিক দূৰত্বৰ নিয়ম মানি এজন আনজনৰ সহায়ক হৈ জীৱনৰ কঠিন সময়ৰ মোকাবিলা কৰিবলৈ সাজু থাকক। অসমবাসীৰ বাবে এতিয়াহে স্পৰ্শকাতৰ সময়, কিয়নো ইতিমধ্যে বহিঃৰাজ্যৰ পৰা বহু লোক আহি আপোন ঠাইখনত প্ৰৱেশ কৰিছেহি, বহু লোকে সকলোৰে অজ্ঞাতে প্ৰৱেশ কৰা বাতৰিও আমাৰ দৃষ্টিগোচৰ হৈছে। এইসকল লোক কিমান নিৰাপদ, সেয়াও গভীৰ চিন্তনীয় বিষয়। এনে বিপদসংকুল কালত কোনো লোকে লুক-ঢাক নকৰি চৰকাৰক সহযোগিতা আগবঢ়োৱাহে জ্ঞানীজনৰ কাম। ৰাজ্যৰ বাহিৰৰ পৰা উভতি অহা লোকসকলে নিজৰ মাতৃভূমিক ৰক্ষা কৰিবলৈ অধিক সতৰ্কতা অৱলম্বন কৰি গুৰু দায়িত্ব মানি চলা উচিত। নজনাকৈয়ে অগ্নিপিণ্ডৰ মাজত সোমাই পৰিছে অসমবাসী। নিষ্ঠুৰ কাল কৰ'নাৰ অক্টোপাছৰ কুটিল হাতোৱাত বন্দী। এই বন্দিত্বৰ শিকলিডাল ছিঙিবলৈ আমি অধিক সতৰ্কতাৰে খোজ দিব লাগিব। বিশ্ববাসী কৰ'নাৰ গ্ৰাসত পৰাৰ দিনৰে পৰা আমাৰ মন-মগজুত ক্ৰিয়া কৰি আছে মাৰাত্মক সংক্ৰমণৰ পৰা কিদৰে উদ্ধাৰ পাব পৰা যায়। পলে পলে খেদি ফুৰিছে মৃত্যু ভয়ৰ অজান আশংকাই। খাওঁতে, শোওঁতে, উঠোতে, বহোতে, টিভি, বাতৰি কাকত, ম'বাইল সকলোতে মাথোঁ প্ৰাধান্য পাইছে কৰ'না আতংকই। এনে মহাসংকট কালত খুব জৰুৰী কামতো বাহিৰলৈ ওলাই যাবলৈ মন সংকুচিত হৈ পৰে। নতুন কামত হাত দিবলৈও হতাশাই ঘেৰি ধৰে। এক অনিশ্চিত ভৱিষ্যৎ সন্মুখত লৈ, গধুৰ বেদনাৰ বোজা বুকুত লৈ এটি এটি ক্ষণ গণিছো। এই শ্বাসৰুদ্ধ পৰিৱেশৰ পৰা অতি সোনকালে মুক্তি লাভ কৰিবলৈ প্ৰতিষেধক উদ্ভাৱন নোহোৱালৈকে আমাৰ দৈনন্দিন কৰ্মসূচী এনে ধৰণেই আগুৱাই নিব লাগিব। প্ৰকৃতিৰ কাষত আজি অসহায়, নিৰুপায় মানৱ। হাতত কলম তুলি




লৈয়ো অস্থিৰ মনে কৰ'নাৰ বাদে আন একোৱেই চিন্তা কৰিব নোৱাৰে। মহামাৰীৰ ক'লা ধোঁৱাই ছানি ধৰা আকাশৰ তলত দুখৰ হেজাৰ হুমুনিয়াহে আমাৰ মন-মগজুত আঘাত দিছে। এনে স্থলত ভাৰসাম্যতা ৰাখিবলৈও যথেষ্ট পৰিমাণে কষ্টকৰ হয়। নিৰাপত্তাজনিত কাৰণত শিয়ৰি উঠে তন-মন। মানসিকভাৱে প্ৰস্তুত হ'বলৈ সময়ৰ কিছু প্ৰয়োজন নিশ্চয় হ'ব। এনে অস্থিৰ পৰিৱেশত চিন্তা শক্তি দুৰ্বল হোৱাটো তেনেই স্বাভাৱিক। হঠাতে ক'ৰপৰা কি হৈ গ'ল, কোনেও ততকে ধৰিব নোৱাৰিলে। পুনৰ স্বাভাৱিক অৱস্থালৈ পৰিৱেশ ঘূৰি আহিলে আমাৰ কৰ্মস্পৃহা দুগুণে বাঢ়িব। এতিয়া মাথোঁ অধীৰ অপেক্ষা সেই সোণালী সময়লৈ। মন আনন্দত ভৰি থাকিলে সকলো দিশতে সুখ-শান্তি পোৱা যায়। নিয়মমাফিক অনিশ্চয়তাৰ গ্ৰাসত সোমাই পৰিল আমাৰ জীৱন। সকলোৱে এই সময়ত বাৰুকৈয়ে উপলব্ধি কৰিছে মানুহক মানুহৰ প্ৰয়োজন। গৃহবন্দিত্বৰ কালছোৱাতে মানুহে শিক্ষা ল'ব লাগিব প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰি চলিবলৈ, নহ'লে মানৱ জাতিৰ বাবে ইয়াতকৈও ভয়ংকৰ বিপদ আহিব। মানুহৰ ভুলৰ বাবেই পৃথিৱীখনক জিৰণিৰ প্ৰয়োজন হৈছিল। সকলোৱে বুজি পোৱা উচিত তলাবন্ধৰ শিথিলকৰণ মানেই অবাধ বিচৰণ নহয়। এই নিয়ম-শৃংখলা বাৰে বাৰে ভংগ কৰি থাকিলে এক দীৰ্ঘদিনীয়া গৃহবন্দিত্বৰ জীৱন মানৱ জাতিয়ে অতিবাহিত কৰিবলৈ সাজু থাকিব লাগিব। কৰ'নাক অৱজ্ঞা নকৰি সজাগ হওক, সচেতন হওক।

*ফোন ঃ ৮০১১২ ৯১৬৯১*

# তলাবন্ধ, মেক ইন ইণ্ডিয়া আৰু প্ৰাসংগিক চিন্তা

অভিমত

**স্বয়ংঘোষিত** জীৱশ্ৰেষ্ঠ মানৱৰ বিশ্বত ত্ৰাস সৃষ্টি কৰিছে খোদ মানৱসৃষ্টি আণৱিক আতংক কৰ'না মহামাৰীয়ে। শক্তিধৰ দেশসমূহৰ মাজত চলা ক্ষমতাৰ বৃহৎ শীতল যুদ্ধৰ গুৰুতৰ ফল ভুগিছে পৃথিৱীয়ে; থমকিছে জন-জীৱনৰ উন্নয়ন। ঈশ্বৰ আৰু চিকিৎসা শাস্ত্ৰৰ সকলো অধ্যায় অধ্যয়ন-গৱেষণাৰ পাছতো কোনো প্ৰতিষেধক বা দৰৱৰ সন্ধান উলিয়াবলৈ অদ্যাপি অক্ষম বৰ্তমানৰ অত্যাধুনিক প্ৰযুক্তিৰে আবৃত্ত পৃথিৱী। কৰ'নাৰ বিৰুদ্ধে কেৱল তলাবন্ধকে একমাত্ৰ সম্বল হিচাপে গ্ৰহণ কৰি গৃহবন্দিত্বত বিশ্বৰ প্ৰতিখন দেশেই অসহায় হুমুনিয়াহ কাঢ়িছে। বন্য পশু-পক্ষীক সঁজাত বন্দী কৰি ৰখাৰ যেন প্ৰায়শ্চিত্তহে কৰিছে আত্মকেন্দ্ৰিক মানৱ সমাজে।

কৰ'না মহামাৰীৰ মুখামুখি হ'বলৈ প্ৰাৰম্ভিক পৰ্যায়ত সকলোতে প্ৰয়োজন হৈছে পি পি ই কিট আৰু ৰেপিড কিট। কৰ'না আক্ৰান্ত ৰোগীক চিকিৎসা সেৱা কৰাত স্বাস্থ্য সম্পৰ্কীয় সুৰক্ষা প্ৰদানৰ বাবে চিকিৎসা কৰ্মীসকলক অতীৱ প্ৰয়োজনীয় এই পাৰ্চনেল প্ৰটেকটিভ ইকুইপমেন্ট চমুকৈ পি পি ই কিট। ফলস্বৰূপে পাঁচ এপ্ৰিলত চীনৰ পৰা ভাৰতে আমদানি কৰিলে এক লাখ ৭০ হেজাৰ পি টি ই কিট আৰু অসমেও ১৫ এপ্ৰিলত আমদানি কৰিছিল ৫০ হেজাৰ পি পি ই কিট; কিন্তু শেহতীয়াকৈ প্ৰতিৰক্ষা অনুসন্ধান আৰু বিকাশ সন্থাৰ পৰীক্ষাত এই কিটসমূহৰ অধিকাংশই সুৰক্ষা প্ৰদানত বিফল হিচাপে পৰিগণিত হৈছে। সেই অনুসৰি আই চি এম আৰে অসন্তুষ্টি প্ৰকাশ কৰি কে'বাদিনলৈ পিছুৱাইছে এই কিটসমূহৰ প্ৰয়োগ। এতিয়া প্ৰশ্ন হৈছে চীনৰ পৰা আমদানি কৰা এই কিটসমূহক আমদানি কৰাৰ পাছত উচ্চ পৰ্যায়ৰ পৰীক্ষাগাৰত সবিশেষ পৰীক্ষা হ'লনে? কিটসমূহ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানত প্ৰস্তুত কৰা হৈছিলনে নে এই কৰ'না আক্ৰান্তৰ সময়ত কেৱল ৰঙা চীনৰ প্ৰৱঞ্চনাৰ চিকাৰ হ'ল সমগ্ৰ অসম তথা ভাৰত? 'মেক ইন ইণ্ডিয়া'ৰ আদৰ্শৰে দেশীয় উৎপাদনৰ দ্বাৰা স্বাৱলম্বী হোৱাৰ সপোন দেখা ভাৰতে ৫০ খনৰো অধিক দেশক কৰ'নাৰ স'তে যুঁজিবলৈ সঞ্জীৱনী সদৃশ ঔষধ হাইড্ৰক্সিক্ল'ৰকুইন ৰপ্তানি কৰি সমগ্ৰ বিশ্বজুৰি প্ৰশংসিত হৈছে। ছুইজাৰলেণ্ডে ধন্যবাদ জনাই আল্পছ পৰ্বতৰ মেটাৰহৰ্ণ শৃংগত এহেজাৰ মিটাৰোধিক জোখেৰে আলোকিত কৰা ত্ৰিৰংগ পতাকাই গৰ্বিত কৰিছে প্ৰতিজন ভাৰতীয়ক; কিন্তু ইয়াৰ বিপৰীতে, বিশেষকৈ চীনা সামগ্ৰী বৰ্জনৰ দ্বাৰা দেশীয় সামগ্ৰীৰ ব্যৱহাৰেৰে দেশবাসীক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ আহ্বান জনাই অহা শাসক চৰকাৰখনে ভাৰতীয় উদ্যোগীসকলে কম মূল্যত পি পি ই কিট যোগান ধৰিব পৰাকৈ সক্ষম বুলি প্ৰকাশ কৰাৰ পাছতো ভাৰতীয় উদ্যোগীক প্ৰতিষ্ঠানসমূহক কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰি চীনৰ কিটক চকু মুদি আমদানি কৰাটো অতি ৰহস্যজনক বিষয়।

কৰ'না মহামাৰীত দেশৰ জনসাধাৰণে গভীৰ অৰ্থনৈতিক অসুবিধাৰ সন্মুখীন হোৱাৰ মাজতেই চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সুহৃদ নাগৰিকসকলে পি এম ৰিলিফ ফাণ্ডলৈ কে'বা হেজাৰ কোটি টকা আৰু অসমতো চি এম ৰিলিফ ফাণ্ড আৰু অসম আৰোগ্য নিধিলৈ সুকীয়া সুকীয়াকৈ এশ কোটিৰ অধিক টকাৰে চৰকাৰক অৰ্থনৈতিক সহযোগিতা আগবঢ়াইছে। এই সকলোবোৰ বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি জনকল্যাণমুখী চৰকাৰখনে এতিয়াৰে পৰা ফিল্মফেয়াৰ, নমামি গংগা, নমামি ব্ৰহ্মপুত্ৰ আদি চমকসৃষ্ট অনুষ্ঠানৰ আয়োজন সীমাবদ্ধ কৰি অনাকাংক্ষিত মূল্যবৃদ্ধি, নিৰ্বাচনকেন্দ্ৰিক দৃষ্টিকোণ, ধৰ্মীয় মেৰুকৰণ, আক্ৰোশমূলক দৃষ্টিভংগী, অপ্ৰয়োজনীয় বিলাস ভ্ৰমণ আদি ৰোধ কৰি উন্নত চিকিৎসা ব্যৱস্থা, সামগ্ৰিক আন্তঃগাঁথনি উন্নয়ন আৰু অৰ্থনৈতিক স্বাৱলম্বিতাৰ পদক্ষেপেৰে ৰাজহুৱা ধনৰাশিক প্ৰতিটো ক্ষেত্ৰতে মিতব্যয়ী হৈ যথোচিত প্ৰয়োগ কৰাহে সকলোৰে কাম্য।

**শংকুসিদ্ধ নাথ**, মাজুলী

ফোন ঃ ৯৮৬৪১২০৩৫৭

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ মে' বৃহস্পতিবাৰ, ২০২০ পৃষ্ঠা ৫




# মৎস্যকুল সংৰক্ষণৰ প্ৰতি গুৰুত্ব দিও আহক

# কৰ'না বিভীষিকাৰ পাছতো মাছ লাগিবই

## ড° ধ্ৰুৱজ্যোতি শৰ্মা

**অসমৰ** সমাজ-সংস্কৃতি আৰু জনজীৱনৰ লগত শীতলৰক্তি প্ৰাণী মাছৰ এক ওতঃপ্ৰোত সম্পৰ্ক অনস্বীকাৰ্য। পুষ্টিগত দিশৰ পৰাও মাছৰ কোনো তুলনা নাই। পুষ্টিৰ অফুৰন্ত ভাণ্ডাৰ মাছ ডেকা, বুঢ়া, শিশু, গৰ্ভৱতী মহিলা সকলোৰে উৎকৃষ্ট পথ্য। এক কথাত ক'বলৈ গ'লে স্বাদ, পৰিপুষ্টি, চাহিদা আদি সকলো দিশ বিবেচনা কৰিলে মাছক বাদ দি অসমৰ জনজীৱনৰ কোনো প্ৰতিচ্ছবি আঁকিব নোৱাৰি। সাম্প্ৰতিক কৰ'না আতংকৰ সময়ত কেইদিনমানৰ বাবে মাছে বজাৰৰ পৰা হৰলুকি মাৰোতে ৰাজ্যত কি অবৰ্ণনীয় পৰিস্থিতিৰ উদ্ভৱ হৈছিল, তাক ভাষাৰে বৰ্ণাব নোৱাৰি। গতিকে পৰৱৰ্তী সময়তো অসমীয়া জাতিৰ বাবে মাছ লাগিবই। গতিকে মাছৰ উৎপাদন সুনিশ্চিত কৰিবই লাগিব। বৰ্তমান সময়খিনি অৰ্থাৎ এক এপিলৰ পৰা ১৫ জুলাইলৈ মাছৰ প্ৰজনন ঋতু। দুৰ্ভাগ্যবশতঃ চলিত বৰ্ষৰ এই সময়খিনিত চৌদিশে কৰ'না আতংক। কৰ'নাৰ বিভীষিকাই সন্ত্ৰাসিত কৰিলেও আমি ভৱিষ্যৎ প্ৰজন্মৰ স্বাৰ্থত মৎস্যকুলৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ কথাটো উলাই কৰিব নোৱাৰো। কাৰণ কৰ'নাই সাময়িকভাৱে জনজীৱন স্তব্ধ কৰিব পাৰিলেও মূৰকত মানৱৰ জয় অৱশ্যম্ভাৱী। ইতিহাসৰ ঘটনা প্ৰবাহেও তাকেই সোঁৱৰায়। ৰাজ্যত সামগ্ৰিকভাৱে মীন উৎপাদন বৃদ্ধি আৰু গুণগত মানৰ মীন পোণাৰ যোগান নিশ্চিত কৰাৰ উদ্দেশ্যে অসম মীন নীতি, ১৯৫৩ আৰু অসম মীন পোণা আইন, ২০০৫ অতি সফলভাৱে বলৱৎ কৰি থকা হৈছে। উল্লেখ্য যে মীন পোণা আইন, ২০০৫ৰ আধাৰত অসম মীন পোণা নীতি, ২০১০ ইতিমধ্যে গৃহীত হৈছে। দেশৰ ভিতৰত এনে ধৰণৰ এয়া প্ৰথম প্ৰচেষ্টা। ৰাজ্যত আশানুৰূপ মীন উৎপাদন বৃদ্ধি আৰু গুণগত মানৰ মীন পোণাৰ উপলভ্যতা নিশ্চিত কৰিবলৈ এই আইনসমূহে সামৰি লোৱা দিশসমূহ আমি জানি লৈ কাৰ্যত পৰিণত কৰা একান্তই বাঞ্ছনীয়। এই সকলোখিনি জানি লৈ বাস্তৱায়িত কৰাত সহযোগিতা আগবঢ়োৱাটো এজন সচেতন নাগৰিক হিচাপে আমাৰ কেৱল কৰ্তব্যই নহয়, দায়িত্বও।

অসম মীন নীতি, ১৯৫৩ (সংশোধিত ২০০৫) মৰ্মে প্ৰাকৃতিক জলাশয়ত মাছৰ সংৰক্ষণ, বংশ বৃদ্ধি আৰু উৎপাদন বৃদ্ধিৰ বাবে প্ৰজনন কালছোৱাৰ লগতে বছৰটোৰ বাবে মাছ ধৰা আৰু জাল আদি ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান বাধা-নিষেধ জাৰি কৰা হৈছে। এইসমূহ থোৰতে এনে ধৰণৰ—

ক) এক এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ সাত ছেঃ মিঃ বা/১৪ ছেঃ মিটাৰতকৈ (২.৭ ইঞ্চি/ বা ৫.৫ ইঞ্চি) কম পাহিৰ বেৰজাল, মহাজাল, ফাঁচিজাল বা আন যিকোনো জাল ঘোষিত মীন মহলত ব্যৱহাৰ কৰা নিষেধ। (ধাৰা ২৩ (১)

খ) এক ছেঃ মিঃ বা দুই ছেঃ মিটাৰতকৈ কম পাহিৰ আঁঠুৱা জাল গোটেই বছৰ জুৰি মীন মহলত ব্যৱহাৰ কৰা নিষেধ। (ধাৰা ২৩ (২)

গ) এক মে'ৰ পৰা ১৫ জুলাইলৈ মাছৰ প্ৰজনন ঋতুৰ সময়ত ৰৌ, বাহু, মিৰিকা, মালি, কলিয়াজৰা, চিতল, খৰিয়া, পিঠিয়া, শিলঘৰিয়া আৰু কুঢ়ি প্ৰজাতিৰ কণী বা শুক্ৰ থকা গাভিনী মাছ ঘোষিত মীন মহলত ধৰিব নোৱাৰিব (ধাৰা ২৩ (ক)১

ঘ) এক আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ ৰৌ, বাহু, মিৰিকা, চিতল, খৰিয়া, পিঠিয়া, শিলঘৰিয়া আদি মাছৰ ২৩ ছেঃ মিঃ (ন ইঞ্চি) দৈৰ্ঘ্যতকৈ তলৰ আৰু কলিয়াজৰা, মালি, কুঢ়ি, ভাঙোন মাছৰ ১০ ছেঃ মিঃ (৩.৯ ইঞ্চি) দৈৰ্ঘ্যতকৈ সৰু মাছ খোৱা বা বিক্ৰীৰ বাবে ধৰিব বা মাৰিব নোৱাৰিব। সৰু মাছৰ ক্ষেত্ৰত উক্ত বাধা নিষেধ মীন বিভাগৰ অনুমতি সাপেক্ষে কেৱল মীন পালনৰ বাবে শিথিল হ'ব পাৰে। যদি মাছ ধৰাৰ সময়ত তেনে মাছ জালত পৰে, তেন্তে জীয়াই জীয়াই উক্ত মীন মহলত এৰিব লাগিব নাইবা মীন বিভাগে সময়ে সময়ে নিৰ্ধাৰিত কৰি দিয়া মূল্যত মীন বিভাগক যোগান ধৰি লাগিব (ধাৰা ২৩ (ক) ২

ঙ) এক মে'ৰ পৰা ১৫ জুলাইলৈ কোনো নদী, ডোবা, বিল বা মীন মহলত সাত বৰ্গ ছেঃ মিটাৰতকৈ (২.৭ বৰ্গ ইঞ্চি) সৰু ফাঁকৰ অস্থাৰৰ বানা (বাঁহেৰে তৈয়াৰী মাছ ধৰা সঁজুলি) মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব। (ধাৰা ২৪)

চ) লিজত বা ডাকত লোৱা মীন মহল কোনো মহলদাৰে পানী সিঁচি শুকুৱাই পেলাব নোৱাৰিব (বিধি ১৮) আৰু মীন মহলখন মেটেকা, জলজ উদ্ভিদ আদিৰ পৰা মুক্ত কৰি ৰাখিব লাগিব। (বিধি ১৯)

ছ) কোনো ঘোষিত মীন মহলত মহলদাৰ বা আন কোনোৱে মৰাপাট গোৱাব নোৱাৰি। (বিধি ২১)

আকৌ উপযুক্ত মানৰ মীন পোণাৰ যোগান নিশ্চিত কৰিবলৈ অসম মীন পোণা আইন, ২০০৫ মৰ্মে নিম্নোক্ত বিধিসমূহ মানি চলাটো বাঞ্ছনীয়। এজন মীন পোণা উৎপাদকে জানিবলগীয়া এনে ধৰণৰ—

■ কোনো ব্যক্তি বা সংগঠনে বিভাগীয় অনুজ্ঞাপত্ৰ ব্যতিৰেকে অনুমোদিত মাছ পোণাৰ উৎপাদন, প্ৰতিপালন আৰু পৰিবহণ কৰিব নোৱাৰিব। (দফা ছয়)

■ মীন পোণা উৎপাদনৰ বাবে ইচ্ছুকসকলে অনুজ্ঞাপত্ৰৰ বাবে নিৰ্দিষ্ট প্ৰপত্ৰত ৩১ জানুৱাৰীৰ ভিতৰত জিলা মীন বিষয়াক আবেদন কৰিব লাগিব। জিলা মীন উন্নয়ন বিষয়াই চৰজমিন তদন্ত কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। (দফা ৭ (১) আৰু ৭ (২)

■ এই আইন প্ৰযোজ্য হোৱাৰ আগৰ পৰা পোণা উৎপাদন, প্ৰতিপালন আৰু ব্যৱসায় কৰি থকাসকলেও অনুজ্ঞাপত্ৰ লোৱাটো বাধ্যতামূলক।

■ মীন পোণা উৎপাদনকাৰীয়ে বিভাগীয় বিধি-বাধকতাৰ আওতাৰ ভিতৰত পোণা উৎপাদন কৰিব লাগিব আৰু সময়ে সময়ে বিভাগে প্ৰদান কৰা প্ৰশিক্ষণ গ্ৰহণ কৰাটো বাধ্যতামূলক (দফা ৭ (৪)

■ অনুজ্ঞাপত্ৰ এবছৰৰ বাবে দিয়া হয় আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত পুনৰ পঞ্জীকৰণ কৰাটো বাধ্যতামূলক (দফা ৮)

অসম মীন পোণা আইন, ২০০৫ৰ বিধি-বিধান আৰু নীতি-নিয়ম অনুযায়ীহে মীন পোণা উৎপাদন, প্ৰতিপালন, বিতৰণ, পৰিবহণ, ৰপ্তানি আৰু আমদানি কৰিব পাৰি।

মীন পোণা উৎপাদকসকলে অসম মীন পোণা আইন, ২০০৫ মৰ্মে নিম্নোক্ত কথাসমূহ জনা উচিত—

■ মীন পোণা উৎপাদন কেন্দ্ৰটোত বিজ্ঞানসন্মত ন্যূনতম আন্তঃগাঁথনি থকাটো বাধ্যতামূলক।

■ অনুমোদিত আৰু নিৰ্দিষ্ট ওজনৰ মাছৰহে প্ৰজনন কৰিব পাৰি।

■ মীন পামৰ অনুমোদিত প্ৰজাতিৰ গাভিনী মাছৰ ৩০ শতাংশ প্ৰতি বছৰে গাভিনী মাছৰ ভঁৰালৰ পৰা স্থানান্তৰ কৰিব লাগে।

■ কেৱল জীৱিত অৱস্থাতহে মাছ পোণাৰ ব্যৱহাৰ হ'ব পাৰে।

মাছ পোণা বিক্ৰী, পৰিবহণ, ব্যৱসায় আদি কৰিবলৈ জিলা মীন উন্নয়ন বিষয়া বা তেওঁৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ মাছ পোণাৰ গুণগত মান নিশ্চিতিৰ প্ৰমাণপত্ৰ একান্তই বাঞ্ছনীয়।

অসম মীন আইনৰ নিষেধাজ্ঞাসমূহ বা আইনৰ অন্যান্য বিধি ভংগ কৰিলে মীন আইনৰ ২২ নম্বৰ আৰু ৪১ নম্বৰ ধাৰা অনুসৰি আইন ভংগকাৰীসকলক সৰ্বনিম্ন এহেজাৰ টকাৰ পৰা পাঁচ হেজাৰ টকা পৰ্যন্ত জৰিমনা হ'ব পাৰে আৰু যদিহে এবাৰ জৰিমনা ভৰাৰ পাছত পুনৰবাৰ বিধি ভংগ কৰে তেন্তে প্ৰথম ভংগ কৰা দিনৰ পৰা আৰম্ভ কৰি প্ৰতিদিনে এশ টকাকৈ পুনৰ জৰিমনা ভৰিব লাগিব। আনহাতে, এই জৰিমনা ভৰাৰ উপৰি সেই কামৰ বাবে ব্যৱহাৰ হোৱা জাল, অন্যান্য মাছ ধৰা সঁজুলি সকলোবোৰ বাজেয়াপ্ত হ'ব পাৰে। লেচী বা মহলদাৰে এনে আইন ভংগ কৰিলে মীন মহল বন্দোৱস্তি নাকচ হ'ব পাৰে আৰু আমানত ধনো বাজেয়াপ্ত কৰা হ'ব পাৰে।

ভাৰতীয় মীন আইন ১৮৯৭ৰ সাত (১) ধাৰা মীন আইন ১৯৫৩ৰ ২৭ নম্বৰ ধাৰা অনুসৰি উক্ত আইন ভংগকাৰীসকলক দণ্ডাধীশ, আৰক্ষী বিষয়া, মীন বিভাগৰ সম্প্ৰসাৰণ বিষয়া বা তাতকৈ উচ্চ পৰ্যায়ৰ যিকোনো বিষয়াই গ্ৰেপ্তাৰ কৰাৰ উপৰি বিধি অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

উক্ত আইন তথা বিধিসমূহ কাৰ্যক্ষেত্ৰত বাস্তৱায়িত কৰি ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ জনসাধাৰণৰ সহযোগিতা একান্তই বাঞ্ছনীয়। কিয়নো জনসাধাৰণৰ মুকলি সহযোগিতা অবিহনে এই ক্ষেত্ৰত কেৱল চৰকাৰী পদক্ষেপেই সমুচিত বা পৰ্যাপ্ত নহয়। আমাৰ বিশাল মীন সম্পদ যাতে দুষ্কৃতিকাৰীয়ে হানি কৰিব নোৱাৰে তাৰ প্ৰতি আমি সতৰ্ক দৃষ্টি ৰাখিব লাগিব।

ফোন ঃ ৯৮৫৪৯৪৪৭০০

# কৰ'না আৰু শৈক্ষিক সংস্কাৰ

## পুলিন ডেকা

**প্ৰত্যাহ্বান** আৰু অনিশ্চয়তাৰ মাজত আজিৰ আধুনিক মানুহৰ জীৱন যাত্ৰা আৰম্ভ হৈ গৈছে। প্ৰতিনিয়ত শংকা আৰু দ্বিধাগ্ৰস্ততাই মানুহৰ সামগ্ৰিক চিন্তা-ধাৰা সলনি কৰি পেলাইছে। অপ্ৰত্যাশিত এই প্ৰত্যাহ্বানে অৰ্থনৈতিক-সামাজিক আৰু শৈক্ষিক খণ্ডৰ ওপৰত সম্পূৰ্ণ নেতিবাচক প্ৰভাৱ পেলাইছে। ভৱিষ্যত প্ৰজন্মক প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ বাবে উপযুক্ত শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন। শৈক্ষিক খণ্ডত সংস্কাৰ সাধন কৰাৰ বাবে বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰই গ্ৰহণ কৰা ব্যৱস্থা আজি স্থবিৰ প্ৰায়। কৰ'না প্ৰতিহত কৰাৰ বাবে বিভিন্ন ৰাষ্ট্ৰই তলাবন্ধ পালন কৰিছে। অৰ্থনৈতিক গতি পুনৰুজ্জীৱিতকৰণৰ বাবে কেতবোৰ বিষয়ত শিথিলতা আনিলেও শিক্ষানুষ্ঠানসমূহ বন্ধ হৈয়ে আছে। ইয়ে শৈক্ষিক বাতাৱৰণ স্তব্ধপ্ৰায় কৰি তুলিছে। আজি বিশ্বৰ ১৫৪ কোটি শিক্ষাৰ্থী ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থাকিবলগীয়া হৈছে। একবিংশ শতিকাৰ বাবে ই এক অন্যতম বৃহৎ সংকট হিচাপে পৰিগণিত হৈ পৰিছে। সম-সাময়িক এই সংকট আতঁৰ কৰাৰ বাবে প্ৰায় প্ৰতিখন ৰাষ্ট্ৰই অনলাইন শিক্ষা ব্যৱস্থা আৰম্ভ কৰিছে। এই আৰ্হি কিমান কাৰ্যকৰী হ'ব, সেই দিশসমূহ পৰ্যালোচনা কৰাটো নিতান্তই প্ৰয়োজন। পেকিং বিশ্ববিদ্যালয়ৰ গৱেষকসকলে কৈছে যে অনলাইন শিক্ষা ১৫ ৰ পৰা ৩০ মিনিটহে অধিক কাৰ্যকৰী। আমাৰ শিক্ষা ব্যৱস্থাটোৰ মাজত বুজন সংখ্যক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এনেবোৰ শিক্ষানুষ্ঠানৰ শিক্ষক-কৰ্মচাৰীৰ দৰমহাৰ বিষয়টো এৰাই চলিব পৰা নহয়। প্ৰতিটো পৰিকল্পনাতে জটিলতা অহাৰ লগতে ভৱিষ্যত সম্পৰ্কটো অনিশ্চয়তা বিৰাজ কৰিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ লিংকন বিশ্ববিদ্যালয়ে অৰ্থনৈতিক সংকটৰ বাবে শিক্ষানুষ্ঠানখনত জৰুৰী অৱস্থা ঘোষণা কৰিবলগীয়া হৈছে। বিশ্ববিদ্যালয়খনে প্ৰকাশ কৰা অনুযায়ী যোৱা বছৰৰ তুলনাত গ্ৰীষ্মকালীন নামভৰ্ত্তি ৪০ শতাংশতকৈ অধিক হ্ৰাস পাইছে।

শিক্ষানুষ্ঠান হৈছে শিক্ষাৰ্থীৰ ভৱিষ্যতৰ বিনিয়োগৰ স্থলী; কিন্তু সাম্প্ৰতিক সময়ক প্ৰত্যাহ্বান জনাই শিক্ষানুষ্ঠান পুনৰ আৰম্ভ কৰাটো কোনোপধ্যে সম্ভৱ নহয়। শৈক্ষিক বৰ্ষৰ প্ৰতিবন্ধকতা, শ্ৰেণীসমূহ বন্ধ থকা, পৰীক্ষা বাতিল কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱন চলাই থকাৰ বাবে আধুনিক প্ৰযুক্তিৰ সহায় ল'বলগীয়া হৈছে। অ'ডিঅ' আৰু ভিডিঅ' লিংকৰ জৰিয়তে লাইভ শিক্ষা প্ৰদানৰ প্ৰক্ৰিয়াটো ইতিমধ্যে আৰম্ভ হৈ গৈছে। ইয়ে নতুন অভিজ্ঞতা প্ৰদান কৰিছে। আমাৰ ভাৰতবৰ্ষৰ তিনিশ নিযুত শিক্ষাৰ্থী তলাবন্ধৰ বাবে ঘৰত আৱদ্ধ হৈ থাকিবলগীয়া হৈছে; কিন্তু এই বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰীক অনলাইন ব্যৱস্থাৰে সামৰি ল'ব পৰা পৰিস্থিতি হৈছে নে নাই, সেইটো চিন্তা কৰিবলগীয়া। এই কথা কোৱাৰ প্ৰয়োজনীয়তা আছে যে তলাবন্ধৰ সময়ছোৱাত অনলাইন শিক্ষা ব্যৱস্থাটো অধিক গতিশীল হৈ পৰিব আৰু ইয়ে অদূৰ ভৱিষ্যতে আমাৰ আধুনিক শিক্ষা জগতখনক নতুন মাত্ৰা প্ৰদান কৰিব। অৱশ্যে বহু ব্যক্তিগত আৰু চৰকাৰী শিক্ষানুষ্ঠানে অনলাইন শিক্ষা প্ৰদান কৰি আহিছিল যদিও পৰম্পৰাগত শিক্ষা পদ্ধতিটোৱে সৰ্বাধিক গুৰুত্ব লাভ কৰি আহিছিল। 'দ্য নিউয়ৰ্ক টাইমছ'ৰ এক বাতৰি অনুসৰি মাৰ্কিন যুক্তৰাষ্ট্ৰত কেতবোৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত সকলো সুবিধা প্ৰদানেৰে অনলাইনত শিক্ষা প্ৰদান অব্যাহত থকাৰ বিপৰীতে ৰাজহুৱা খণ্ডৰ শিক্ষানষ্ঠানসমূহে এই ক্ষেত্ৰত সংগ্ৰাম কৰিবলগীয়া হৈছে। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে যোৱা ১৫ এপ্ৰিলত জাৰি কৰা নিৰ্দেশনাৰ জৰিয়তে অনলাইন শিক্ষা অধিক কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে; কিন্তু এই পৰ্যন্ত আমৰ দেশত সমপৰ্যায়ৰ অনলাইন শিক্ষা ব্যৱস্থা এটা আৰম্ভ হোৱাটো



সহজলভ্য হৈ উঠা নাই। আনহাতে গ্ৰামাঞ্চলৰ অধিক সংখ্যক দুখীয়া মানুহৰ ম'বাইল অথবা লেপটপ নথকা বিষয়টো এতিয়া গুৰুত্বপূৰ্ণ হৈ পৰিছে। ঠিক একেদৰে নেটৱৰ্কৰ সমস্যাটো অন্যতম চিন্তনীয় বিষয় হিচাপে দেখা দিছে। পৰম্পৰাগত শিক্ষা পদ্ধতিৰ পৰা ই-লাৰ্নিঙলৈ লৈ যোৱাটো, বাস্তৱ পাঠ্যক্ৰম প্ৰস্তুত আৰু প্ৰশিক্ষণ প্ৰত্যাহ্বান হিচাপে দেখা দিছে; কিন্তু ক'ৰুণা ভাইৰাছে শিক্ষা খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰি এই জটিল সময়ত তথ্য প্ৰযুক্তিৰ পিনে ধাৱমান হ'বলৈ সকলোকে বাধ্য কৰিছে। ইউৰোপিয়ান কমিছনে ডিজিটেল এডুকেশ্বনেল এডুকেশ্বন একশ্বন প্লেন প্ৰস্তুত কৰিছে যাতে ডিজিটেল শিক্ষা ব্যৱস্থাটোত থকা প্ৰত্যাহ্বান মোকাবিলা কৰি সুযোগৰ সঠিক ব্যৱহাৰ কৰিব পৰা যায়।

সকলো বিদ্যাৰ্থীকে সমভাৱে ডিজিটেল ব্যৱস্থাৰে সামৰি লোৱাটো ডাঙৰ প্ৰত্যাহ্বান হিচাপে দেখা দিছে। অনলাইন শিক্ষা ব্যৱস্থাটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। ডিজিটেল শিক্ষা প্ৰদান আৰু আহৰণৰ ব্যৱস্থাপনা এটা পূৰ্বতে গঢ়ি উঠা নাছিল। শিক্ষা এপ আৰম্ভ কৰা হোৱা নাছিল। শিক্ষানুষ্ঠানৰ প্ৰশাসক, শিক্ষক, অভিভাৱক আৰু শিক্ষাৰ্থীৰ মাজত সঠিক যোগসূত্ৰ স্থাপন কৰাটো অন্যতম সমস্যা হিচাপে দেখা দিছে। এই অনলাইন শিক্ষা ব্যৱস্থাটোত প্ৰত্যকৰে উদ্বিগ্নতা অহাটো স্বাভাৱিক। কাৰণ সমগ্ৰ প্ৰক্ৰিয়াটো নতুন। ভিডিঅ' আৰু টেস্ক, স্কিন্‌ছত আৰু স্কিনকাষ্টিং টিউটেৰিয়েল ইত্যাদি বিভিন্ন পদ্ধতিৰে ডিজিটেল ব্যৱস্থা আগবঢ়াই নিব লাগিব আৰু ইয়াৰ স'তে শিক্ষক-বিদ্যাৰ্থীৰ পৰিচয় কৰাটো অতিশয় প্ৰয়োজন। ইয়াৰ বাবে কিছু সময়ৰ প্ৰয়োজন হ'ব। কিয়নো হঠাৎ শিক্ষানুষ্ঠানসমূহ বন্ধ হোৱাৰ বাবে বিকল্প শিক্ষাব্যৱস্থা আৰম্ভ কৰিবলগীয়া হৈছে। কৰ'না ভাইৰাছৰ বিৰুদ্ধে যিহেতু যুঁজখন দীঘলীয়া হ'ব, তাৰ বাবে অনলাইন ব্যৱস্থাটো অধিক কাৰ্যকৰী কৰাৰ বাবে আত্মনিয়োগ কৰিব লাগিব। হোমস্কুলিং ব্যৱস্থাটো গতিশীল কৰিব লাগিলে অভিভাৱক সচেতন হোৱাই নহয়, অধিক দায়িত্বশীল হ'ব লাগিব।

কৰ'নাৰ ফলত আমাৰ ৰাজ্যখনতো শিক্ষা ব্যৱস্থাৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিছে। শৈক্ষিক বৰ্ষ যাতে কোনো কাৰণতে বাধাপ্ৰাপ্ত নহয়, তাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিক্ষাবিদসকলৰ লগত আলোচনাত মিলিত হৈছে। সম্প্ৰতি শিক্ষানুষ্ঠানত নিৰৱচ্ছিন্ন পাঠদান চলাই থকাটো কোনোপধ্যে সম্ভৱ নহয়। নতুন প্ৰত্যাহ্বান মোকাবিলা কৰাৰ বাবে মানৱসম্পদ মন্ত্ৰণালয়েও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে কৰ'না ভাইৰাছৰ পৰিপ্ৰেক্ষিতত শৈক্ষিক খণ্ডৰ স্থবিৰতা আতঁৰাই শিক্ষাক পুনৰুজ্জীৱিতকৰণৰ বাবে এখন সমিতি গঠন কৰি দিছে। অসম চৰকাৰেও ইতিমধ্যে টাস্ক ফ'ৰ্চ গঠন কৰিছে। উল্লেখ্য যে ইতিমধ্যে আমাৰ ৰাজ্যখনতো বিভিন্ন পৰ্যায়ত অনলাইন শিক্ষা ব্যৱস্থাটো ইতিমধ্যে আৰম্ভ হৈছে। কিন্তু গ্ৰামাঞ্চলৰ এই ব্যৱস্থাটো আগবঢ়াই নিয়াটো যথেষ্ট কঠিন হ'ব, সেইটো নিশ্চিত। অৱশ্যে ইয়াৰ বাবে দীৰ্ঘকালীন পৰিকল্পনাৰ প্ৰয়োজন হ'ব। সাম্প্ৰতিক সময়ত অনলাইনৰ উপৰি টেলিভিছন, বাতৰি কাকতৰ জৰিয়তে শিক্ষা প্ৰদানৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিলে বুজন সংখ্যক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব পাৰিব। এই ক্ষেত্ৰত বাতৰি কাকত আৰু ব্যক্তিগত খণ্ডৰ টেলিভিছন চেনেলসমূহে সহযোগিতাৰ হাত প্ৰশস্ত কৰিব লাগিব। ইয়াৰ বাবে নিৰ্দিষ্ট ৰূপৰেখা এটি প্ৰস্তুত কৰি ল'ব লাগিব। তেনেদৰে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ আমি আগুৱাই নিব লাগিব।

তলাবন্ধৰ ফলত ৰাজ্যখনৰ বাধাপ্ৰাপ্ত শিক্ষা ব্যৱস্থাটো আগুৱাই নিয়াৰ বাবে শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আগবঢ়োৱা পৰামৰ্শৱলী যথেষ্ট গুৰুত্বপূৰ্ণ। চিবিএছচিৰ লেখীয়াকৈ এপ্ৰিলৰ পৰা মাৰ্চলৈ শৈক্ষিক বৰ্ষ নিৰ্দ্ধাৰণ কৰাৰ বাবে বিভিন্ন পৰ্যায়ত পূৰ্বৰে পৰা আলোচনা হৈ আহিছে। এই আলোচনাই কোনো নিৰ্ণায়ত্মক ৰূপ পৰিগ্ৰহণ কৰা নাছিল। সম্প্ৰতি কৰ'নাৰ ফলত সুদীৰ্ঘ দিন শিক্ষানুষ্ঠানসমূহ বন্ধ থকা বাবে শিক্ষা মন্ত্ৰীগৰাকীয়ে আগবঢ়োৱা প্ৰস্তাৱ নিতান্তই আদৰণীয়। শিক্ষা যদিও ৰাজ্যিক পৰ্যায়ৰ এক বিষয়, কিন্তু সৰ্বভাৰতীয় প্ৰেক্ষাপটক আমি কোনোপধ্যে উপেক্ষা কৰিব নোৱাৰো। অনলাইন ব্যৱস্থাটো অধিক বাস্তৱসন্মত কৰিব লাগিলে শিক্ষা ব্যৱস্থাটোৰ বিভিন্ন পৰ্যায়ত তাক প্ৰতিফলিত কৰিব লাগিব। পৰীক্ষাৰ ফলাফল, মাৰ্কশ্বিট অনলাইনৰ জৰিয়তে কৰিলে ই অধিক দ্ৰুত, নিখুঁত হ'ব আৰু পৰীক্ষাৰ্থীয়ে সহজে ফলাফল লাভ কৰিবলৈ সমৰ্থ হ'ব। এইবাৰ পৰীক্ষাৰ ফলাফল, মাৰ্কশ্বিট আদি অনলাইনৰ জৰিয়তে প্ৰদান কৰা হ'ব আৰু অনলাইন বা ডিজিটেল মাৰ্কশ্বিট দেখুৱাই উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয়সমূহত নামভৰ্তি কৰিব পাৰিব। নতুন পদক্ষেপ যথেষ্ঠ প্ৰত্যাহ্বানমূলক আৰু হয়তো সমালোচনাৰ উৰ্ধত নহয়। বহুতৰে হাতত স্মাৰ্টফোন অথবা ইন্টাৰনেট নথকাৰ বিষয়টো আলোচনাৰ মেজলৈ আহিব পাৰে। ভৱিষ্যতৰ এই মানৱ সম্পদক আধুনিক দৃষ্টিভংগীৰে আগুৱাই নিয়াৰ বাবে আমি সামাজিক দায়বদ্ধতাৰ পৰিচয় দিয়াৰো সময় আহি পৰিছে। বিদ্যালয়ৰ শিক্ষক, গাঁওবুঢ়া, সামাজিক সংগঠনে দৰিদ্ৰ পৰিয়ালৰ সন্তানক এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াব লাগিব। এই সংকটৰ সময়ত হাত হাত মিলাই আমি মানৱতাৰ পৰিচয় দাঙি ধৰাৰ উপৰি সময়ৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই প্ৰযুক্তিগত ধ্যান-ধাৰণা শক্তিশালী কৰিবই লাগিব। অনলাইন ব্যৱস্থাটো আমাৰ ৰাজ্যখনত শক্তিশালী কৰাৰ বাবে শিক্ষানুষ্ঠান সমূহে গুৰু দায়িত্ব ল'বই লাগিব। 'শিক্ষা-দীক্ষা' এপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে ঘৰত শিক্ষা লাভৰ সুযোগ প্ৰদান কৰিছে অথবা 'বিশ্ব বিদ্যা অসম' ইউ টিউব চেনেল চোৱাৰ বাবে দিয়া পৰামৰ্শ আদৰণীয়। দৰিদ্ৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল যাতে বঞ্চিত হ'ব নালাগে তাৰ বাবে প্ৰতিখন গাঁৱৰ সচেতন ব্যক্তি অথবা স্বেচ্ছামূলক সংগঠনসমূহে সহযোগিতা আগবঢ়াব লাগিব। কৰ'না ভাইৰাছে আমাক যি সুযোগ দিছে, সেয়া বিজ্ঞানসন্মত দৃষ্টিভংগীৰে গ্ৰহণ কৰি সময়ৰ স'তে খোজ মিলাই যোৱাৰ মানসিকতা গঢ়িবই লাগিব!

ফোন ঃ ৭০০২৫১৬৯৮৩

# অতি লোভাতুৰ হৈ মাত্ৰাধিক মদ্যপান কৰিলে, সেই ব্যক্তি নৰকলৈ যাব

## নাহাঁহিবি মোক খুঁচৰিব তোক

## মনেশ্বৰ দেউৰী

**চলিত** বৰ্ষৰ ছয় মে'ৰ 'দৈনিক অগ্ৰদূত'ৰ শেষ পৃষ্ঠাত 'এদিনতে দেশত ৩৫ হেজাৰ কোটিৰ সুৰা বিক্ৰী' লেখাটো পঢ়ি আমাৰ জীৱনৰ অভিজ্ঞতাৰ দুটামান কথা পাঠকসকললৈ আগবঢ়াব খুজিছো। ইয়াৰ লগে লগে অসমৰ ৰাইজলৈ আহ্বান জনাইছো ২৪ মাৰ্চৰ পৰা পাঁচ মে'লৈ এই সুদীৰ্ঘ ৪৩ দিন যি সাহস আৰু ধৈৰ্য্যৰে দেশবাসীয়ে নিজকে গৃহবন্দী কৰি ৰাখি কৰ'না বীজাণুৰ আক্ৰমণক প্ৰত্যাহ্বান জনালে, তাৰ বাবে দেশবাসী নিশ্চয়কৈ ধন্যবাদৰ পাত্ৰ। আশা কৰা হৈছে, চৰকাৰে আহ্বান দিয়া তৃতীয় পৰ্যায়ৰ তলাবন্ধৰ ১৭ মে'লৈকে বাকী থকা দিনকেইটাতো যেন সকলো ভাৰতীয়ই ধৈৰ্য আৰু সাহসৰ পৰিচয় দিয়ে, তাৰেই কামনা কৰিলো। কাৰণ আমাৰ সমাজত এযাৰ কথাৰ প্ৰচলন আছে বোলে— 'নাও উঠোতেও বুৰে আৰু নামোতেও বুৰে।' আমি নাৱত উঠি থাকোতেই কৰ'না বীজাণুৰ আক্ৰমণত যিমান লটি-ঘটি হৈছো, এই নাকনি-কাননিবোৰ যেন ইমানতে শেষ হয় তাকে নেদেখাজনক খাতিছো। ইয়াৰ লগতে চৰকাৰে বান্ধি দিয়া সম্ভাব্য সংক্ৰমণমুক্ত কালছোৱালৈকে অৰ্থাৎ ১৭ মে'লৈকে আত্মৰক্ষামূলক ব্যৱস্থা মানি চলি নিজক আৰু আনকো যেন সংক্ৰমণমুক্ত কৰি ৰাখে তাৰ বাবেও আহ্বান জনালো। কাৰণ কৰ'নাৰ স'তে হোৱা যুঁজখনত আত্মৰক্ষাৰ একমাত্ৰ অস্ত্ৰ হৈছে তলাবন্ধ অথবা লক ডাউন। ইয়াৰ অনুষংগৰূপে নাক-মুখত ঢাকনি কাপোৰ বন্ধা আৰু ব্যক্তিৰ পৰা নিৰাপদ দূৰত্ব বজাই ৰখাৰ লগতে চাবোনেৰে হাত ধুই পৰিচ্ছন্ন কৰি ৰখা।

বাতৰিত প্ৰকাশ পোৱা মতে তলাবন্ধৰ সময়ছোৱাতে গ্ৰীণ জ'ন অঞ্চলত তলাবন্ধ খুলি দিয়াৰ দিনাখনেই; ৪৩ দিনীয়া উপবাসী ব্ৰত পালন কৰা সুৰাপায়ীসকলে হাততে সৰগ ঢুকি পালে আৰু পুৱাৰে পৰা ঘন্টাৰ পাছত ঘন্টা ধৰি সুৰাৰ বিপণীৰ সন্মুখত থিয় হৈ থাকি হেঁপাহৰ দ্ৰব্যবিধ ধন দি কিনিলে। অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ তালিকাত স্থান নোপোৱা, নাম শুনিলেই ভকত-বৈষ্ণৱসকলে নাক কোচোৱা দ্ৰব্যবিধৰ এদিনতে ৩৫ হেজাৰ কোটি টকাৰ সুৰা বিক্ৰী হোৱা কথাটো সঁচাকৈয়ে আচৰিত হ'বলগীয়া কথা নহয়নে? ধনৰ পৰিমাণলৈ লক্ষ্য কৰিলেই গ্ৰাহকৰ সংখ্যাই চকু কপালত তুলিব। এই সুৰাপায়ীসকলক সুৰাৰ বিপৰীতে 'অমৰত্ব প্ৰদান কৰা অমৃত বিক্ৰী হৈ আছে আহক' বুলি টেঁটুফালি চিঞৰিলেও সেইফালে কেৰাহিকৈয়ো নাচালেহেঁতেন। কাৰণ সুৰাপায়ীসকলৰ অমৃত হ'ল সুৰা-লাউপানী, হুইস্কি। এই বাতৰিটোৱে এই কথাই প্ৰমাণ কৰিলে যে ভাৰতবৰিষত সীমাসংখ্যাহীন মদাহী লোকেৰে দেশখন গিজগিজাই আছে। মদ্যপায়ী দেশ এখনত্ধৰ্ষণ, হত্যা, লুণ্ঠন, চৌৰ্যকৰ্ম, গাৰ্হস্থ্য হিংসা স্বাভাৱিকতে সহজলভ্য। অশ্লীল শব্দ নোকোৱা এজনক দুগিলাছমান গিলিবলৈ দিয়ক, স্থান-কাল-পাত্ৰ-পাত্ৰী কালৈকো ভ্ৰূক্ষেপ নকৰি অনৰ্গল অবাইচ মাত মাতিব; কাৰণ পানীটুপিয়ে তেওঁক লজ্জাবোধৰ কথা পাহৰাই পেলাব। গাত নিচা লাগি থকা সময়লৈকে তেৱেঁই সৰ্বজান্তা আৰু সৰ্বশক্তিমান ব্যক্তি। সুৰাপানৰ বিক্ৰিয়া এনে ৰূপ।

১৯৮৯তহে মৰিগাঁও মহকুমাক জিলাৰূপে ঘোষণা কৰা হয় অসম গণ পৰিষদ চৰকাৰৰ দিনত। সেইখন চৰকাৰৰ দিনতেই চৰকাৰীভাৱে সুৰাপানক মুকলিভাৱে স্বীকৃতি প্ৰদান কৰা হৈছিল বুলি ক'ব পাৰি। সেইখন চৰকাৰৰ আগৰ কালছোৱাত বিলাতী সুৰা পান কৰা লোকসকল বয়োজ্যেষ্ঠ চাকৰিজীৱী লোক আছিল। জানিবলৈ পোৱা মতে তেওঁলোকৰ হাতত সুৰাপানৰ একো একোখন অনুজ্ঞাপত্ৰ আছিল। নগাঁও চহৰৰ আমোলাপট্টি Doss Co নামেৰে এখন সুৰাৰ বিপণীতহে সুৰা বিক্ৰী কৰাৰ কথা জানিছিলো। ১৯৬৩ৰ পৰা ১৯৬৬লৈকে মই নগাঁও কলেজৰ ছাত্ৰ আছিলো। জনামতে কোনো যুৱকে সুৰাৰ বিপণীলৈ গৈ সুৰা ক্ৰয় কৰিব নোৱাৰিছিল। কিয়নো ডাক্তৰৰ প্ৰেছক্ৰিপছনৰ আধাৰতহে আবকাৰী বিভাগে উপভোক্তক সুৰা ক্ৰয়ৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিছিল। এনে বাধ্য-বাধকতাৰ বাবেই জিলা- চহৰখনত সুৰাপায়ীৰ সংখ্যা কিমান হ'ব সহজে অনুমান কৰিব পাৰি। ইয়াৰ বিপৰীতে গাঁও-ভুঁইবিলাকত, বিশেষকৈ জনজাতীয় লোকসকলৰ মাজত চাউলৰ পৰা তৈয়াৰ কৰা দেশী মদৰ প্ৰচলন আছিল— যাক বোলা হৈছিল লাউপানী। ইংৰাজীত ইয়াক ৰাইন নুবুলি 'ৰাইচবিয়াৰ' বুলি কোৱা হৈছিল। দুৰ্ভাগ্যই বোলক কিম্বা সৌভাগ্যই বোলক, এই মদ ওৰফে লাউপানীবিধ অসমৰ জনজাতীয় লোকসকলেহে ঘৰতে তৈয়াৰ কৰি ব্যৱহাৰ কৰিছিল। পিছে এই কথাও সত্য যে অনাৰ্য জনজাতিসকলহে সুৰাৰ উদ্ভাৱক, আৰ্যসকল নহয়। ইয়াৰ প্ৰমাণ পশুযাগ যজ্ঞত পৰ্যাপ্ত পৰিমাণৰ সুৰা অনাৰ্যসকলৰ পৰাহে তেওঁলোকে আহৰণ কৰিবলগীয়া হৈছিল। বহু ক্ষেত্ৰত কন্যাৰ বিনিময়তো অনাৰ্যসকলৰ পৰা যজ্ঞৰ বাবে সুৰা আহৰণ কৰিছিল। জনজাতিসকলৰ সামাজিক-সাংস্কৃতিক কাম-কাজ যেনে— অশৌচ, বিয়া, কৰম (শ্ৰাদ্ধ) আদিত লাউপানী অপৰিহাৰ্য আছিল আৰু বিহুৰে-সংক্ৰান্তিয়ে বৰঘৰৰ (উপাসনাগৃহ) ইষ্টদেৱতাক লাউপানী উছৰ্গা কৰি পূজাভাগ কৰাৰ প্ৰচলিত পৰম্পৰা আছিল। সেইবাবে অসমৰ জনজাতিসকলে লাউপানী ওৰফে মদ ঘৰতে প্ৰস্তুত কৰিছিল। বিয়া-বাৰুৰ জৰিয়তে নতুন সম্বন্ধ স্থাপন হোৱা লোক (ন-জমাই) অকল আলহীৰূপে ঘৰলৈ আহিলে বা গ'লে এই পানীয়বিধ আগনবঢ়ালে গৃহস্থৰ মৰ্যাদা হানি হোৱা বুলি ভাবিছিল আৰু এতিয়াও ভাবে। সেইবাবে অসমৰ জনজাতিৰ লোকসকলক, অজনজাতি অসমীয়া লোকসকলে মদাহী জাতি বুলি হেয় দৃষ্টিৰে চাইছিল আৰু চায়। আজিৰ পৰা ২৫-৩০ বছৰ আগলৈকে অসমৰ জনজাতীয় লোকসকল, নিজকে অগ্ৰগণ্য বুলি ভবা অজনজাতি অসমীয়া লোকসকলৰ পুতৌৰ পাত্ৰ আছিল। অনা-ট্ৰাইবেল অসমীয়াই আজিৰ দৈখতো ট্ৰাইবেল লোকসকলক 'বেল' বুলি তিৰ্যক মন্তব্য কৰিবলৈ এৰা নাই। এই সামাজিক দৃষ্টিভংগীৰ বাবেই জনজাতীয় লোকসকল একেখন সমাজৰে, একেখিনি অসমীয়া ভাই-ভ্ৰাতৃৰ ওচৰত কাহানিও সহজ হ'ব পৰা নাছিল আৰু অদ্যাপি নহজ নহয়। সামাজিক হীনমন্যতা যেন এইসকল জনজাতিৰ হাড়ে-হিমজুৰে সোমাই পৰিল। আজিৰ দৈখত যদিওবা জাতি-জনজাতি-উপজাতিৰ মাজত কোনো ভেদ ভাব নাই বুলি অনেক লেখা-মেলা কৰা দেখা গৈছে; আৰু সভাই-সমিতিয়ে বক্তৃতা দিয়াও দেখা গৈছে, তেনেহ'লেও বাস্তৱ ক্ষেত্ৰত তেনে ৰূপ পৰিৱৰ্তন হৈছে বুলি ভবাৰ থল নাই।

কুৰি শতিকাৰ ছয় আৰু সাতৰ দশকত আমাৰ চকুৰ আগতেই আবকাৰী-পুলিচ বিষয়াই জনজাতীয় গাঁওসমূহত সোমাই মদ নিবাৰণী আইনৰ দোহাই দি মদৰ কলহ ভাঙি ফুৰিছিল আৰু ইয়াৰ সাক্ষীস্বৰূপে দুই-তিনি কলহমান মদ গাড়ীত উঠাই প্ৰস্তুতকাৰীসকলক পুৰুষ-মহিলা নিৰ্বিশেষে জিলা সদৰলৈ (তেতিয়াৰ নগাঁও সদৰ) ধৰি নিছিল। জিলা উপায়ুক্ত কাৰ্যালয়ত উকীলৰ হতুৱাই PR Bondত চহী কৰি, ভৱিষ্যতে মদ তৈয়াৰ নকৰো বুলি লিখি দিব লগাত পৰিছিল। চাকৰিসূত্ৰে কুৰি শতিকাৰ সাতৰ দশকত মৰিগাঁৱলৈ আহি থিতাপি লোৱাত, লগতে সামাজিক-সাংস্কৃতিক কাম-কাজত জড়িত হৈ থকাত, মহকুমা প্ৰশাসনৰ আহ্বানত আবকাৰী বিষয়াৰ দ্বাৰা আয়োজিত মদ নিবাৰণী সভাত বক্তৃতা প্ৰদান কৰিবলৈ যাব লগা হৈছিল। আজি-কালি এই বিষয়ৰ সজাগতা সভা হোৱা ক'তো দেখা নাই। সি যি কি নহওক, যিহেতু মই নিজেও এজন জনজাতীয় শিক্ষিত ব্যক্তি, অবিভক্ত নগাঁও জিলাৰ জনজাতীয় সমাজখনৰ ওপৰত মোৰ যথেষ্ট প্ৰভাৱ বিদ্যমান, মোৰ এক বিশেষ স্থানো আছে; গতিকে মোৰ কথা ৰাইজে মানিব বুলিয়ে ই প্ৰশাসনৰ ধাৰণা। যদিওবা মই ধোঁৱা তুলসীৰ পাত নহয় অৰ্থাৎ বিহুৰে-সংক্ৰান্তিয়ে এটোপা ধৰাৰ অভ্যাস আছে; তৎসত্বেও মদ্যপানৰ পৰা হ'ব পৰা অপকাৰ আৰু অনিষ্টৰ বিষয়ে ৰাইজক বুজাইছিলো। মদ্যপানৰ অভ্যাসে যে আমাক অজনজাতি অসমীয়া ভাইসকলৰ পৰা পৃথক কৰিছে; মদ্যপানে ল'ৰা-ছোৱালীৰ পঢ়া-শুনাত ব্যাঘাত জন্মায়; মানুহক কামৰ প্ৰতি ধাউতি নোহোৱা কৰে; অধিক মদ্যপানে শৰীৰত যক্ষ্মাৰোগৰ সৃষ্টি কৰিব পাৰে; জণ্ডিছ হ'ব পাৰে, জলোদৰ ৰোগ আনিক লিভাৰ চিৰোছিছ হৈ হেপাটাইটিছ বি আদি ৰোগ হ'ব পাৰে। গতিকে মদ বৰ্জন কৰা উচিত। সঁচা কথা ক'বলৈ হ'লে বাধ্যত পৰি মোৰ ভূতৰ মুখত ৰাম নাম লোৱাৰ দৰে অৱস্থা হৈছিল। এটা কথা অৱশ্যে ক'বলৈ নাপাহৰো— আশুতোষ চৌধুৰী নামৰ ব্যক্তি এজনৰ 'তন্ত্ৰৰশ্মি' নামৰ গ্ৰন্থৰ পৰা এটা শ্লোক মাতি মদ বৰ্জন কৰিব লাগে বুলি পোনপতীয়াকৈ নকৈ নিজকে বচালো। যেনে—

মন্ত্ৰাৰ্থং স্ফুৰনাৰ্যায় ব্ৰহ্মজ্ঞানোদ্ভবায় চ।
অলিপানং প্ৰকৰ্তব্যং লোলুপে নৰকং ব্ৰজেৎ।।

অৰ্থাৎ— 'মন্ত্ৰৰ অৰ্থে, দেৱতাৰ আনন্দ বিধানৰ অৰ্থে আৰু হৃদয়ত ব্ৰহ্ম ভাব উদয়ৰ হ'বৰ নিমিত্তে, শাস্ত্ৰৰ নিৰ্দেশ অনুযায়ী মদ্যপান কৰিব লাগে। পিছে, অতি লোভাতুৰ হৈ মাত্ৰাধিক মদ্যপান কৰিলে, সেই ব্যক্তি নৰকলৈ যাব।'

আজি-কালি মদ নিবাৰণী দিৱস অথবা মদ নিবাৰণী সপ্তাহ পালন কৰাৰ খবৰ পোৱা নাই। দূৰদৰ্শনৰ পৰ্দাত ধূমপানে কেন্সাৰ সৃষ্টি কৰে বুলি বিজ্ঞাপন প্ৰচাৰ কৰা দেখিছো; কিন্তু মদ্যপানেও যে ভয়ানক ৰোগৰ সৃষ্টি কৰিব পাৰে, সেই কথা দূৰদৰ্শনত প্ৰচাৰ কৰা চকুত পৰা নাই। চৰকাৰৰ স্বাস্থ্যৰ শিতানত হুইস্কিৰ বটলত মদ্যপান স্বাস্থ্যৰ বাবে হানিকাৰক বুলিহে তাকো ইংৰাজীত লিখা হৈ আছে। ২০০০ৰ পৰাই অধিক মদ্যপানৰ দ্বাৰা স্বজাতিৰ ভালেকেইজন বিষয়া-কৰ্মচাৰীয়ে অকালতে ধৰাধাম এৰি যাব লগা হৈছে। জণ্ডিছ, উচ্চ ৰক্তচাপ, লিভাৰ চিৰোছিছ, হেপাটাইটিছ বি আদিৰ দ্বাৰা আক্ৰান্ত হৈ ভালেকেইজনে মৃত্যুক সাবটিলে। মৃত ব্যক্তিকেইজনৰ এজনেও ৭০ বছৰ পূৰ্ণ কৰিব নোৱাৰিলে। লাউপানী, চুলাই আৰু হুইস্কিয়ে এওঁলোকৰ কাল হ'ল।

ভাৰতীয় শাস্ত্ৰত অনৈতিক কাম-কাজক ব্যসন বোলে। প্ৰাচীন শাস্ত্ৰজ্ঞসকলে এই ব্যসনক কামজ আৰু ক্ৰোধজ ব্যসন বুলি দুভাগে ভগাইছে। মদ্যপান, জুৱাখেল, চিকাৰ কৰা, নৃত্য-গীত আদিক কামজ ব্যসন বুলি কৈছে। চৰকাৰে মাদক দ্ৰব্য বৰ্জনৰ বাবে ছপা মাধ্যম, বৈদ্যুতিন মাধ্যম আদিত মাদক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে জনতাক সজাগ কৰি আহিছে। আগতে বোলছবিসমূহত নায়ক-খলনায়কসকলে ওঁঠত চিগাৰেট লগাই ধোঁৱাৰ কুণ্ডলী সৃষ্টি কৰি দৰ্শকক আকৰ্ষণ কৰিছিল। আজি-কালিৰ বোলছবিত চিগাৰেট হোপা নিষেধ। পিছে চিগাৰেটতকৈ সুৰাপান বেছি হানিকাৰক। চিগাৰেটৰ পেটেকত 'চিগাৰেট স্মকিং ইজ ইনজুৰিয়াছ টু হেল্থ', মদৰ বটলত 'কনজাম্পছন অৱ এলক'হল ইজ ইনজুৰিয়াছ টু হেল্থ' বুলি লিখা আছে। মানুহে এই বিধি নিষেধ মানি চলাহেঁতেন এদিনতে ৩৫ হেজাৰ কোটি টকাৰ সুৰা ভাৰতত বিক্ৰী নহ'লহেঁতেন। কৰ'না আক্ৰান্তৰ সময়তে উৰাবাতৰি প্ৰচাৰ হ'ল বোলে, মদ্যপান কৰিলে কৰ'না ভাইৰাছ দূৰতে বিদূৰ। চৰকাৰে স্বাস্থ্য বিভাগৰ হতুৱাই এই কথা শুদ্ধ নহয় বুলি স্পষ্টীকৰণ দিব লগা হ'ল।

ভাৰতীয় লোকসকল বৈদিক যুগৰে পৰা সুৰাসেৱী বুলি জনাজাত। যুধিষ্ঠিৰে সুৰাৰ ৰাগিত পাশা খেলি ধন-সম্পত্তি হেৰুৱাই, ভাই-ভ্ৰাতৃ-পত্নীকো জুৱাত হেৰুৱাব লগা হৈছিল। মৌৰ্য যুগ, গুপ্তযুগতো নগৰে-চহৰে পানশালা আছিল; তালৈ ব্ৰাহ্মণ, সদাগৰ, সৈন্য-সেনাপতি, ৰাজকীয় বা-বিষয়াই আড্ডা দিছিল। বোলছবিসমূহতো বাৰবিলাকত চিনেমাৰ কলা-কুশলীসকলে বিশেষ দৃশ্যৰ বাবে হাতে হাতে মদৰ গিলাছ লৈ নৃত্য কৰা সকলোৱে দেখিছে। সেইবাবে মদ্যপান যেন আন্তৰ্জাতিক স্বীকৃতিসম্পন্ন কৃষ্টি এনে ভাব হয়। পুনঃ 'তন্ত্ৰ ৰশ্মি'ৰে এফাঁকি শ্লোকৰ উদ্ধৃতিৰে নাহাঁহিবলৈ আহ্বান জনালো। যথা—

পীত্বা পীত্বা পুনঃ পীত্বা পতিতং ধৰণীতলে,
উত্থায় চ পুনঃ পীত্বা পুনৰ্জন্ম ন বিদ্যতে।
যাতায়াতং ত্ৰিভিঃ কৃত্বা পুনৰ্জন্ম ন বিদ্যতে।।

অৰ্থাৎ— 'মদ্যপান কৰা আৰু যিমান পাৰা সিমানে কৰা। পুনঃ পুনঃ মদ্য পান কৰা, লাগে হামখুৰি খাই মাটিত পৰি যোৱা। তথাপি পৰাৰ পৰা উঠি আকৌ মদ্যপান কৰা। এইদৰে মদ খাই তিনি টেলেঙনি খাব পৰাজনে পৃথিৱীত পুনৰ জনম লোৱাৰ কোনো প্ৰয়োজন নাই বুলি শাস্ত্ৰই কৈছে।'

ফোন ঃ ৯৭০৬৬৬৫৯৯১



## মাজপথতে সন্তান প্ৰসৱ, দুঘণ্টা বিশ্ৰামৰ পাছত গৃহৰাজ্য অভিমুখে পুনৰ ১৫০ কিলোমিটাৰ পদযাত্ৰা মহিলা শ্ৰমিকৰ



**নিউজ ব্যুৰ’, নাছিক, ১৩ মে’ ঃ** শ্ৰমিকসকলৰ যাতায়াতৰ বাবে চৰকাৰে আগবঢ়োৱা বিশেষ ৰেলত যাত্ৰা কৰাৰ সুযোগৰ পৰা বঞ্চিত হোৱা এগৰাকী শ্ৰমিক মহিলাই গৰ্ভাৱস্থাতে স্বামীসহ নিজ গৃহৰাজ্য অভিমুখে খোজকাঢ়ি যাত্ৰা আৰম্ভ কৰিছিল। এইদৰে গৃহৰাজ্য অভিমুখে যাত্ৰা কৰাৰ সময়তে ৰাজপথতে প্ৰসৱ বেদনা অনুভৱ কৰা মহিলা শ্ৰমিকগৰাকীয়ে পথতে এটি সন্তান প্ৰসৱ কৰে। সন্তান প্ৰসৱৰ পাছত দুঘণ্টা সময় বিশ্ৰাম কৰাৰ পাছত ১৫০ কিলোমিটাৰ পথ পুনৰ খোজকাঢ়ি যাত্ৰা কৰিলে উক্ত প্ৰব্ৰজনকাৰী মহিলা শ্ৰমিকগৰাকীয়ে। প্ৰকাশিত বাতৰি অনুসৰি মধ্যপ্ৰদেশৰ ছাটনা জিলাৰ নিবাসী উক্ত মহিলাগৰাকীয়ে মহাৰাষ্ট্ৰৰ নাছিকত স্বামীৰ স’তে শ্ৰমিক হিচাপে কাম-কাজ কৰে। তলাবন্ধত নাছিকতে দীৰ্ঘদিন ধৰি আবদ্ধ হৈ থকাৰ পাছত দম্পতীহালে শ্ৰমিক ৰেলৰে ছাটনালৈ অহাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল যদিও ৰেলত উঠাৰ সুবিধা লাভ কৰিব নোৱাৰিলে। উপায়হীন হৈ খোজকাঢ়িয়ে স্বামীসহ মহিলাগৰাকীয়ে ছাটনা অভিমুখে যাত্ৰা কৰিছিল। কালি পুৱাতে মাজপথতে মহিলাগৰাকীয়ে এটি সন্তান প্ৰসৱ কৰে আৰু দুঘণ্টা পথৰ কাষত বিশ্ৰাম কৰাৰ পাছত কোলাত কেঁচুৱা লৈ মহিলাগৰাকীয়ে স্বামীৰ হাত ধৰি পুনৰ গৃহাভিমুখী যাত্ৰা খোজকাঢ়ি আৰম্ভ কৰে। এইদৰে ১৫০ কিলোমিটাৰ পথ মহিলাগৰাকীয়ে খোজকাঢ়ি সকলোকে চমকিত কৰে। ছাটনাৰ এজন স্বাস্থ্য বিষয়াই এই ঘটনাৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয় যে কে’বাশ কিলোমিটাৰ খোজকঢ়াৰ পাছত প্ৰশাসনিক তৎপৰতাৰে মহিলাগৰাকীক চৰকাৰী বাছৰ জৰিয়তে ঘৰলৈ প্ৰেৰণ কৰা হয় আৰু স্বাস্থ্য পৰীক্ষাত মাতৃ আৰু সন্তান কুশলে থকাটো নিশ্চিত হয়। উল্লেখ্য যে কিছুদিন পূৰ্বে চত্তিছগড়ত থকা বাসগৃহলৈ তেলেংগানাৰ পৰা খোজকাঢ়ি যাত্ৰা কৰাৰ সময়ত আন এগৰাকী সন্তান সম্ভৱা মহিলাই মাজপথতে সন্তান প্ৰসৱ কৰিছিল।



## টুইটাৰৰ ঘোষণা ঃ ঘৰৰ পৰাই আজীৱন সম্পন্ন কৰক কাৰ্যালয়ৰ কাম

**নিউজ ব্যুৰ’, নিউ য়ৰ্ক, ১৩ মে’ ঃ** তলাবন্ধৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ প্ৰায়বোৰ আগশাৰীৰ কৰ্প’ৰেট প্ৰতিষ্ঠানে কৰ্মচাৰীক ঘৰৰ পৰাই কৰ্মৰত হোৱাৰ অনুমতি প্ৰদান কৰিছে। ফে’চবুক, গুগল আদিৰ পাছত এইবাৰ ‘ৱৰ্ক ফ্ৰম হোম’ সংস্কৃতিক জনপ্ৰিয় কৰাৰ পদক্ষেপ গ্ৰহণ কৰিলে মাইক্ৰ’ ব্ল’গিং ছাইট টুইটাৰে। তলাবন্ধ প্ৰত্যাহাৰ হ’লেও টুইটাৰৰ কাৰ্যালয়লৈ নহাকৈও কৰ্মচাৰীসকলে নিজৰ কাম-কাজ সম্পন্ন কৰিব পাৰিব। মাৰ্কিন সংস্থাটোৱে কৰ্মচাৰীসকলক এই সুবিধা প্ৰদান কৰি কয় যে টুইটাৰৰ সকলো কৰ্মচাৰীয়ে তলাবন্ধ প্ৰত্যাহাৰৰ পাছতো নিজৰ ঘৰৰ পৰাই স্থায়ীভাৱে আজীৱন টুইটাৰত কৰ্মৰত হ’ব পাৰিব। এই সিদ্ধান্ত গ্ৰহণৰ কাৰণ ব্যাখ্যা কৰি টুইটাৰে কয়, ‘তলাবন্ধত বিগত কে’বামাহত টুইটাৰৰ কৰ্মীসকলে এই কথাৰ প্ৰমাণ দিলে যে ঘৰত থাকিও সমানে কাৰ্যালয়ৰ কাম-কাজ সম্পন্ন কৰিব পাৰি। যদি ঘৰত থাকিয়ে সুস্থভাৱে কাৰ্যালয়ৰ সকলো কাম-কাজ সম্পন্ন কৰিব পাৰি, তেন্তে কাৰ্যালয়লৈ অহাৰ প্ৰয়োজন ক’ত? সেয়েহে আমি স্থায়ীভাৱে ‘ৱৰ্ক ফ্ৰম হোম’ ব্যৱস্থা প্ৰৱৰ্তনৰ সিদ্ধান্ত ল’লো।’ প্ৰতিষ্ঠানটোৱে লগতে কয় যে কাৰ্যালয় কেতিয়া খোলা হ’ব সেই সন্দৰ্ভত কৰ’নাৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত এতিয়ালৈকে কোনো চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাই। কাৰ্যালয়সমূহ খোল খালেও স্বাভাৱিক পৰিৱেশ উভতি আহিবলৈ অনেক সময়ৰ প্ৰয়োজন হ’ব বুলিও টুইটাৰে মন্তব্য কৰিছে।

### গুজৰাটত ৭০ শতাংশ কৰ’না আক্ৰান্ত ৰোগী আহমেদাবাদৰ বাসিন্দা

# ভাৰতত বৃহৎ চহৰতে কৰ’নাৰ সৰ্বাধিক সংক্ৰমণ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১৩ মে’ ঃ** দিল্লী, মহাৰাষ্ট্ৰ, গুজৰাট আৰু তামিলনাডুতে দেশৰ সৰ্বাধিকসংখ্যক কৰ’না আক্ৰান্ত ৰোগী চিনাক্ত হৈছে। মঙলবাৰলৈকে তামিলনাডুত ৮৭১৮, গুজৰাটত ৮৯০৪জন কৰ’না ৰোগী ধৰা পৰিছিল। পৰিসংখ্যা অনুসৰি ভাৰতত বৃহৎ চহৰসমূহত কৰ’না আক্ৰান্তৰ সংখ্যা সৰ্বাধিক পৰিলক্ষিত হৈছে। তামিলনাডুৰ চেন্নাইত মঙলবাৰলৈকে পাঁচ হেজাৰৰো অধিক কৰ’না



আক্ৰান্ত ৰোগী চিনাক্ত হৈছিল। ৰাজ্যখনৰ কৰ’নাত আক্ৰান্ত ৫৫ শতাংশ ৰোগীয়ে হৈছে চেন্নাইৰ বাসিন্দা। কেৱল চেন্নাইয়ে নহয়, দেশৰ প্ৰায়কেইখন ৰাজ্যতে সৰ্বাধিকসংখ্যক কৰ’না ৰোগী এখন বা দুখন বৃহৎ চহৰত চিনাক্ত হৈছে। মধ্য প্ৰদেশৰ ক্ষেত্ৰত ইণ্ডোৰ আৰু পশ্চিমবংগৰ ক্ষেত্ৰত কলকাতাত কৰ’নাৰ আক্ৰান্ত সংখ্যা সৰ্বাধিক। একেদৰে গুজৰাটতো ৭০ শতাংশ কৰ’না আক্ৰান্ত আহমেদাবাদত আৰু মহাৰাষ্ট্ৰৰ ক্ষেত্ৰত ৬০ শতাংশ কৰ’না আক্ৰান্ত মুম্বাইত ধৰা পৰিছে। তলাবন্ধ কঠোৰভাৱে পালন কৰাৰ পাছতো দেশৰ বৃহৎ চহৰসমূহত সৰ্বাধিকসংখ্যক ক’ভিড-১৯ আক্ৰান্তক চিনাক্ত কৰা হৈছে।

## ছবছৰ ধৰি আত্মনিৰ্ভৰ ভাৰতৰ বাবে ধন সাঁচিছিল, মোদীক কটাক্ষ অনুৰাগৰ



**নিউজ ব্যুৰ’, মুম্বাই, ১৩ মে’ ঃ** ‘প্ৰভুৱে এটা সত্য কথা অন্ততঃ দেশবাসীক ক’লে যে আত্মনিৰ্ভৰ হওঁক, নহ’লে কাৰো একো উন্নয়ন নহ’ব। প্ৰভুৰ ওপৰত বিশ্বাস নাই।’ এই মন্তব্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তীব্ৰ কটাক্ষ কৰিলে বলিউডৰ বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অনুৰাগ কাশ্যপে। কৰ’না মহামাৰীত সমগ্ৰ বিশ্ব ত্ৰাসিত হোৱাৰ সময়তে ভাৰতক আত্মনিৰ্ভৰশীল হ’বলৈ দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীৰ এই আহ্বানৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আজি অনুৰাগে টুইটাৰত কয়, ‘যি ১৫ লাখ টকা ইমানদিনে দেশবাসীয়ে বেংক একাউণ্টত নোসোমাল, সেই ধনশিনি জমা কৰি কৰি এই আৰ্থিক পেকেজ তৈয়াৰ কৰা হৈছে। আজিৰ এই দিনটোৰ বাবেই তেওঁ বিগত ছবছৰ ধৰি ধন জমা কৰি ৰাখিছিল।’ মোদীৰ দ্বাৰা কালি ঘোষণা কৰা ২০ লাখ কোটি টকাৰ আৰ্থিক পেকেজৰ সন্দৰ্ভত এইদৰে মন্তব্য কৰি একাধিক জনপ্ৰিয় ছবি পৰিচালনা কৰা অনুৰাগে টুইটাৰত পুনৰ কয়, ‘আপোনালোকে আগলৈ দেখা পাব যে এই আৰ্থিক পেকেজৰ ধনখিনিও পুনৰ ভৱিষ্যতে আন কোনো শিতানত ধৰা হ’ব। এইদৰে যোগ কৰি কৰি আমি অতিশীঘ্ৰে পাঁচ ট্ৰিলিয়নৰ অৰ্থনীতিত প্ৰৱেশ কৰিম। ইয়াকে কোৱা হয় দূৰদৃষ্টিসম্পন্ন।’ উল্লেখ্য যে অনুৰাগে প্ৰায়ে প্ৰধানমন্ত্ৰীক ছ’চিয়েল মিডিয়াৰ জৰিয়তে কঠোৰভাৱে সমালোচনা কৰি আহিছে।

# পুনৰ বিতৰ্কত কীম, বৈদেশিক মুদ্ৰা প্ৰত্যাহাৰৰ সিদ্ধান্তক লৈ তীব্ৰ প্ৰতিক্ৰিয়া উত্তৰ কোৰিয়াত

**নিউজ ব্যুৰ’, পিয়ংইয়ং, ১৩ মে’ ঃ** স্বাস্থ্য বিতৰ্কৰ পাছত আন এক বিতৰ্কৰ স’তে সাঙোৰ খালে উত্তৰ কোৰিয়া শাসক কীম জং উন। বৈদেশিক মুদ্ৰা অউন বন্ধ কৰাৰ বাবে পিয়ংইয়ঙে গ্ৰহণ কৰা সিদ্ধান্তই দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।



তুলনামূলকভাৱে অতি দুৰ্বল এই বৈদেশিক মুদ্ৰা এতিয়াৰে পৰা উত্তৰ কোৰিয়াত ব্যৱহাৰ কৰিব নোৱাৰিব। ইয়াৰ পৰিৱৰ্তে দেশখনত মাৰ্কিন ডলাৰ আৰু চীনৰ হোৱানৰ ব্যৱহাৰ বৃদ্ধি কৰা হ’ব। ‘ৰেডিঅ’ ফ্ৰি এছিয়া’ৰ বাতৰি অনুসৰি উত্তৰ কোৰিয়াত মাৰ্কিন আৰু চীনৰ মুদ্ৰাৰ অধিক ব্যৱহাৰত কীমে অগ্ৰাধিকাৰ দিছে আৰু সেয়েহে দেশখনত বৈদেশিক মুদ্ৰাৰ অউনৰ ব্যৱহাৰ বন্ধৰ সিদ্ধান্ত লোৱা হৈছে। চৰকাৰৰ এই সিদ্ধান্তত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে উত্তৰ কোৰিয়াবাসীয়ে। প্ৰকাশিত বাতৰি অনুসৰি পিয়ংইয়ঙৰ বজাৰত অউন সৰ্বাধিক প্ৰচলিত হৈ আহিছে আৰু চৰকাৰে লোৱা সিদ্ধান্তৰ ফলত উত্তৰ কোৰিয়াবাসী সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ ক্ষুদ্ৰ ব্যৱসায়ীসকলে এই সিদ্ধান্তক সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। অৱশ্যে স্বেচ্ছাচাৰী শাসকৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰিবলৈ দেশবাসীয়ে এতিয়ালৈকে সাহস প্ৰদৰ্শন কৰা নাই।

## ৰোগক ঘৃণা কৰক, ৰোগীক নহয় ঃ কৰ’নাৰ সন্দৰ্ভত অভিনেতা অমিতাভৰ মত



**নিউজ ব্যুৰ’, মুম্বাই, ১৩ মে’ ঃ** কৰ’না ভাইৰাছ প্ৰতিৰোধৰ ক্ষেত্ৰত শাৰীৰিক শক্তিৰ যিমান প্ৰয়োজন, তাতোকৈ অধিক প্ৰয়োজন হয় এই মাৰণ ভাইৰাছৰ স’তে যুঁজত অৱতীৰ্ণ হ’বলৈ মানসিক শক্তিৰ। অদম্য মানসিক শক্তিৰ জৰিয়তেহে এনে মাৰাত্মক ভাইৰাছৰ কবলৰ পৰা মুক্ত হোৱা সম্ভৱ। সমগ্ৰ বিশ্বতে কৰ’নাক পৰাভূত কৰিবলৈ সক্ষম হোৱা লোকসকলে এইদৰে কৰ’নাৰ সন্দৰ্ভত মত প্ৰকাশ কৰি আহিছে। বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চনেও কৰ’নাৰ সন্দৰ্ভত একে মন্তব্য প্ৰকাশ কৰি কৰ’নাৰ দৰে ভাইৰাছত আক্ৰান্ত লোকক ঘৃণা নকৰিবলৈ সকলোকে আহ্বান জনাইছে। কেন্দ্ৰীয় চৰকাৰৰ হৈ ‘আৰোগ্য সেতু’ এপৰ প্ৰচাৰত অংশ লৈ মহাতাৰকা অভিনেতাজনে কয়, ‘কৰ’নাজয়ী আৰু তেওঁলোকৰ পৰিয়ালৰ কাষত থিয় হওঁক। মানসিকভাৱে যাতে তেওঁলোক ভাগি নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখক। কৰ’নাই দুই ধৰণৰে আক্ৰমণ কৰে, শাৰীৰিক আৰু মানসিকভাৱে। চিকিৎসাৰ জৰিয়তে শৰীৰৰ পৰা কৰ’নাই বিদায় ল’লেও মানসিকভাৱে ৰোগী দুৰ্বল হ’ব পাৰে। সেয়েহে কৰ’নাজয়ীক সহায়-সহযোগিতা কৰক। কৰ’না ৰোগক ঘৃণা কৰক, কিন্তু ৰোগীক নহয়।’ অমিতাভে সকলো লোকক ‘আৰোগ্য সেতু’ এপ ব্যৱহাৰ কৰিবলৈকো আহ্বান জনাইছে।



## মস্তিষ্কৰ কৰ্কটত আমিৰৰ দীৰ্ঘদিনৰ সহযোগী ছাই গুণ্ডেৱাৰৰ মৃত্যু

**নিউজ ব্যুৰ’ মুম্বাই, ১৩ মে’ ঃ** মাত্ৰ ৪২ বছৰ বয়সতে শেষ নিশ্বাস ত্যাগ কৰিলে বলিউডৰ অভিনেতা ছাই গুণ্ডেৱাৰাই। আমিৰ খানৰ জনপ্ৰিয় ছবি ‘পি কে’ত সহ-অভিনেতা হিচাপে অভিনয় কৰা ছায়ে সুদীৰ্ঘ কাল আমিৰৰ চলচ্চিত্ৰত সহযোগী হিচাপেও কাম কৰিছিল। ‘পি কে’ৰ বাদেও ছায়ে ‘ৰক অন’, ‘লাভ ব্ৰেক আপ জিন্দেগী’ আদি ছবিতো অভিনয় কৰিছিল। বলিউডৰ ছবিৰ লগতে মাৰাঠী ছবিজগততো ছাই জড়িত আছিল। দীৰ্ঘদিন ধৰি মস্তিষ্কৰ কৰ্কটত আক্ৰান্ত হোৱা অভিনেতাজনৰ যোৱা বছৰৰ ফেব্ৰুৱাৰীত লছ এঞ্জেলছত প্ৰথমটো অস্ত্ৰোপচাৰ সম্পন্ন হৈছিল। আমেৰিকাতে চিকিৎসা গ্ৰহণ কৰা অভিনেতাজনে আজি পুৱাতে শেষ নিশ্বাস ত্যাগ কৰে।

# পাকিস্তানৰ সিন্ধ প্ৰদেশত পুনৰ হিন্দু যুৱতীক অপহৰণ কৰি বলপূৰ্বক ধৰ্মান্তকৰণ

**নিউজ ব্যুৰ’, কৰাচী, ১৩ মে’ ঃ** কৰ’না ভাইৰাছৰ সংক্ৰমণৰ মাজতে পাকিস্তানত সংখ্যালঘু হিন্দুৰ ওপৰত নিৰ্যাতন আৰু বলপূৰ্বক ধৰ্মান্তৰকৰণৰ ঘটনা আকৌ এবাৰ পোহৰলৈ আহিল। শেহতীয়াভাৱে দেশখনৰ সিন্ধ প্ৰদেশৰ ঘোটকীৰ বাৰজুণ্ডিত এগৰাকী হিন্দু যুৱতীক অপহৰণ কৰি নি বলপূৰ্বক ইছলাম ধৰ্মত দীক্ষিত কৰোৱাৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুসৰি সিন্ধ প্ৰদেশত ধৰ্মান্তকৰণৰ অভিযান চলাই মিয়া মিট্টু নামৰ এজন লোকে কবিতা কুমাৰী নামৰ হিন্দু সম্প্ৰদায়ৰ যুৱতী এগৰাকীক প্ৰথমে অপহৰণ কৰি নিয়ে আৰু পাছত বলপূৰ্বক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ বাধ্য কৰায়। এই ঘটনা পোহৰলৈ অহাৰ পাছত অঞ্চলটোৰ সংখ্যালঘু হিন্দুসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বলপূৰ্বক ধৰ্মান্তকৰণৰ নেতৃত্ব দি অহা মিয়া মিট্টু পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত। মিট্টুৱে এতিয়ালৈকে পাকিস্তানত কমেও এহেজাৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকক বলপূৰ্বক ইছলাম ধৰ্মত দীক্ষিত কৰাইছে।





## ১৬ লাখ কৰ্মচাৰীৰ বিশেষ ভাট্টা কৰ্তনৰ সিদ্ধান্ত উত্তৰ প্ৰদেশ চৰকাৰৰ

**নিউজ ব্যুৰ’ লক্ষ্ণৌ, ১৩ মে’ ঃ** কৰ’না ভাইৰাছৰ সংক্ৰমণ আৰু তলাবন্ধৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে লাভ কৰি অহা বিশেষ কেতবোৰ ভাট্টা বন্ধ ৰখাৰ সিদ্ধান্ত ল’লে উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰে। ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তৰ ফলত উত্তৰ প্ৰদেশৰ ১৬ লাখ চৰকাৰী কৰ্মচাৰীয়ে পাঁচ হেজাৰ টকালৈকে বিশেষ ভাট্টা লাভৰ পৰা বঞ্চিত হ’ব। যোৱা নিশা অনুষ্ঠিত হোৱা ৰাজ্যিক কেবিনেটৰ বৈঠকত আদিত্যনাথ চৰকাৰে ১৬ লাখ কৰ্মচাৰীয়ে ইমানদিনে লাভ কৰি অহা ছটা বিশেষ ভাট্টা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তৰ ফলত ৰাজ্য চৰকাৰখনৰ কৰ্মচাৰীসকলৰ বেতন দুহেজাৰৰ পৰা পাঁচ হেজাৰ টকালৈকে হ্ৰাস পাব। আদিত্যনাথৰ চৰকাৰৰ এই সিদ্ধান্তত ৰাজ্যখনৰ চৰকাৰী কৰ্মচাৰীয়ে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। আদিত্যনাথ চৰকাৰে প্ৰকাশ কৰা মতে, তলাবন্ধৰ ফলত ৰাজ্য চৰকাৰৰ ৰাজহ যথেষ্ট হ্ৰাস পাইছে আৰু সেয়েহে চৰকাৰী কৰ্মচাৰীয়ে লাভ কৰা কিছুমান বিশেষ ভাট্টা কৰ্তন কৰিবলৈ এই সিদ্ধান্ত লোৱা হৈছে।

## গুজৰাটৰ চিকিৎসালয়ত নাই এন-৯৫ মাস্ক-পি পি ই ঃ চিকিৎসকৰ ধৰ্মঘট




**নিউজ ব্যুৰ’, আহমেদাবাদ, ১৩ মে’ ঃ** কৰ’নাৰ বিৰুদ্ধে যুঁজত তেওঁলোকে হৈছে মূল সেনা। কিন্তু ঢাল-তৰোৱাল অবিহনে কৰ’না প্ৰতিৰোধী যুঁজত অৱতীৰ্ণ হ’ব লগা হৈছে চিকিৎসকৰূপী এইসকল সেনা। গুজৰাটৰ আহমেদাবাদৰ এখন চিকিৎসালয়ত প্ৰয়োজনীয় এন-৯৫ মাস্ক আৰু পি পি ইৰ অভাৱত ক্ষুব্ধ চিকিৎসকে ধৰ্মঘটৰ পথ ল’বলৈ বাধ্য হয়। এইসকল চিকিৎসকে অভিযোগ কৰা মতে, মাস্ক আৰু পি পি ইৰ অবিহনে তেওঁলোকে নিজৰ জীৱনৰ বিপদ স্বীকাৰ কৰি কৰ্তব্যত নিয়োজিত হৈছে। এলিছব্ৰীজৰ এছ ভি পি হাস্পতালত শতাধিক কনিষ্ঠ চিকিৎসকে সম্প্ৰতি ধৰ্মঘট অব্যাহত ৰাখিছে। এই সন্দৰ্ভত এজন চিকিৎসকে কয়, ‘চিকিৎসালয়ৰ কৰ্তৃপক্ষই আমাক সাধাৰণ মাস্ক পৰিধান কৰি ক’ভিড ৱাৰ্ডত সেৱা আগবঢ়াবলৈ নিৰ্দেশ দিছে। অন্যথা এন-৯৫ মাস্ক নিজৰ ধনৰে ক্ৰয় কৰিবলৈ কৈছে।’

# কৰ’নাৰ প্ৰভাৱ ঃ তলাবন্ধত বিশ্বজুৰি মুক্তি নাপালে এখনো চলচ্চিত্ৰই, প্ৰথমবাৰৰ বাবে চাৰিমাহ পিছুৱালে অস্কাৰ বঁটা অনুষ্ঠান

**নিউজ ব্যুৰ’ লণ্ডন, ১৩ মে’ ঃ** ১৯২৯ৰ পৰা আৰম্ভ হোৱা চলচ্চিত্ৰ জগতৰ সবাতোকৈ সন্মানীয় বঁটা প্ৰদান অনুষ্ঠান অস্কাৰ এৱাৰ্ড প্ৰথমবাৰৰ বাবে পিছুৱাই গ’ল। কৰ’না ভাইৰাছৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত অস্কাৰ বঁটা প্ৰদান অনুষ্ঠান কমেও চাৰিমাহ পিছুৱালে। উল্লেখ্য যে পূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰি, ২০২১ত ২৮ ফেব্ৰুৱাৰীত অস্কাৰ প্ৰদান কৰাৰ কথা আছিল। কিন্তু কৰ’নাৰ সংহাৰৰ প্ৰতি লক্ষ্য ৰাখি এই বঁটা প্ৰদান অনুষ্ঠান মে’-জুন ২০২১ লৈ পিছুৱাই দিয়া হৈছে। অৱশ্যে অস্কাৰ একাডেমীয়ে স্পষ্ট কৰি কয় যে মহামাৰীৰ প্ৰকোপৰ প্ৰতি লক্ষ্য ৰাখিহে বঁটা প্ৰদান অনুষ্ঠান পিছুৱাই দিয়া হৈছে। এয়া স্থায়ী সিদ্ধান্ত নহয় বুলিও একাডেমীয়ে বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে। অস্কাৰ বঁটা প্ৰদানৰ ক্ষেত্ৰত একাডেমীয়ে ঘোষণা কৰা এই সালসলনি তথা নিয়ম কেৱল চলিত বৰ্ষত মুক্তি লাভ কৰিব লগা চলচ্চিত্ৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ’ব বুলিও উক্ত বিবৃতিত উল্লেখ কৰা হৈছে। একাডেমীয়ে প্ৰকাশ কৰা মতে, অস্কাৰ বঁটাৰ মনোনয়নৰ শিতানো এইবাৰ ২৩ টালৈ হ্ৰাস কৰা হৈছে।

ইফালে, বিশ্বজুৰি অব্যাহত থকা কৰ’না ভাইৰাছৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত বিগত কে’বামাহ ধৰি কোনো নতুন চলচ্চিত্ৰই চিত্ৰগৃহত মুক্তি লাভ কৰা নাই। কৰ’না প্ৰতিৰোধৰ বাবে প্ৰায়বোৰ দেশে তলাবন্ধ অব্যাহত ৰাখিছে




আৰু বিশ্বজুৰি সকলো দেশতে চিত্ৰগৃহসমূহ বন্ধ ৰখা হৈছে। ফলত তলাবন্ধৰ সময়ছোৱাত বিশ্বজুৰি এখনো ছবিৰ মুক্তি নহ’ল। তলাবন্ধৰ পৰিণতিতে হলিউডৰ কে’বাখনো বহু প্ৰতীক্ষিত চলচ্চিত্ৰৰ মুক্তি বন্ধ ৰাখিবলৈ নিৰ্মাতা প্ৰতিষ্ঠান বাধ্য হ’ল। মুক্তি এইদৰে স্থগিত ৰখা বিখ্যাত ছবিসমূহৰ ভিতৰত ব’ণ্ড ছিৰিজৰ ‘নো টাইম টু ডাই’, ‘টপ গান মেবৰিক’, ‘মুলন’, ‘ব্লেক উইণ্ডো’ অন্যতম। এইসমূহ ছবি কেতিয়াকৈ চিত্ৰগৃহত প্ৰদৰ্শিত হ’ব সেয়া নিশ্চিত হোৱা নাই। কৰ’নাৰ সংক্ৰমণ বিশ্বৰ বিভিন্ন দেশত হ্ৰাস পালেও আৰু চিত্ৰগৃহ পুনৰ মুকলি কৰা হ’লেও ছবি চাবলৈ দৰ্শকে চিত্ৰগৃহত ভিৰ কৰিব বুলি ভাবিব নোৱাৰি। অলপতে চীনৰ উহানত চিত্ৰগৃহসমূহ পুনৰ মুকলি কৰা হৈছিল যদিও প্ৰায়বোৰ চিত্ৰগৃহতে দৰ্শকৰ অভাৱত ছবিৰ প্ৰদৰ্শন এতিয়াও বন্ধ হৈ আছে। হলিউডৰ ছবিৰ ক্ষেত্ৰতো অচিৰে সুদিন উভতি আহিব বুলি আশা কৰিব নোৱাৰি। কৰ’নাৰ এই সংক্ৰমণে হলিউডৰ লগতে বলিউডৰ ছবিজগতকো সৰ্বাধিক ক্ষতিগ্ৰস্ত কৰিছে। তলাবন্ধৰ এই সময়ছোৱাত বলিউডটো এখনো ছবিয়ে মুক্তি লাভ নকৰিলে।

## স্বৰ্ণ ৰাইফলৰ স’তে মেক্সিকান ড্ৰাগছ মাফিয়াক কৰিলে গ্ৰেপ্তাৰ




**নিউজ ব্যুৰ’, নিউ মেক্সিকো, ১৩ মে’ ঃ** ড্ৰাগছ মাফিয়া আৰু অবৈধ অস্ত্ৰ সৰবৰাহকাৰীৰ বিৰুদ্ধে চলোৱা এক অভিযানৰ জৰিয়তে বৃহৎ সফলতা লাভ কৰিলে মেক্সিকো আৰক্ষীয়ে। শেহতীয়াভাৱে চলোৱা এক অভিযানত মেক্সিকো আৰক্ষীয়ে দীৰ্ঘদিন ধৰি উক্ত অঞ্চলত নিচাযুক্ত নিষিদ্ধ ড্ৰাগছৰ অবৈধ সৰবৰাহ অব্যাহত ৰখা লছ বিগট’নাছ গেঙৰ মুৰব্বীক এটা এ আৰ ১৫ এছাল্ট ৰাইফলসহ গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, এই কুখ্যাত অপৰাধ চক্ৰটোৰ মুৰব্বীৰ প্ৰকৃত নাম হৈছে ভিক্টৰ ইভান আৰু ইভানক অঞ্চলটোত এল য়’ৰী নামৰে জনা যায়। দীৰ্ঘদিন ধৰি ইভানৰ নেতৃত্বত এই অপৰাধ চক্ৰটোৱে মেক্সিকোত ড্ৰাগছৰ নিষিদ্ধ বেহা চলাই আহিছিল। আৰক্ষীয়ে অৱশেষত ইভানক জালত পেলাবলৈ সক্ষম হ’ল। উল্লেখ্য যে ইভানৰ স’তে আৰক্ষীয়ে জব্দ কৰা ৰাইফলটো স্বৰ্ণৰে নিৰ্মিত। মেক্সিকোত ইভানৰ দৰে অপৰাধীয়ে নিচাযুক্ত দ্ৰব্যৰ লগতে অবৈধ অস্ত্ৰ-শস্ত্ৰৰো বেহা আৰু সৰবৰাহ চলাই আহিছে।

# ৰঙিয়া মহকুমাৰ সমবায় সমিতিসমূহে জুনৰ পৰা বিতৰণ বন্ধ কৰিব চাউল

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৩ মে’ ঃ** কৰ’না ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ দেশ জুৰি চলি থকা তৃতীয় পৰ্যায়ৰ তলাবন্ধৰ সময়তে দুখীয়া লোকসকলৰ বাবে ৰঙিয়া মহকুমা পাইকাৰী গ্ৰাহক সমবায় সমিতিয়ে এক দুঃসংবাদ কঢ়িয়াই আনিছে। সমবায় সমিতিসমূহে অহা মাহৰ পৰা সমগ্ৰ ৰঙিয়া মহকুমাত পৰিয়াল পৰিচয়পত্ৰৰ যোগেদি প্ৰদান কৰা চাউল-দাইল আদি বিতৰণ বন্ধ কৰিব। এই হুংকাৰ ৰঙিয়া মহকুমা সমবায় সমিতিৰ। যোৱা ১১ মে’ত ৰঙিয়া সমবায় সমিতিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক জৰুৰী সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে সমবায় সমিতিসমূহে বিগত প্ৰায় ১০ মাহ ধৰি সুলভ মূল্যৰ সামগ্ৰী বিতৰণৰ নিৰ্ধাৰিত কমিছন পোৱা দূৰৰে কথা আজিলৈ পৰিবহণ ব্যয়ো অনাদায় হৈ আছে। ফলত অকল সমবায় সমিতিসমূহৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। সুলভ মূল্যৰ দোকানীসকলৰো অৱস্থা অনুৰূপ হৈ পৰা বুলি উল্লেখ কৰি চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰে। সভাত চলিত মে’ৰ ভিতৰত বিগত ১০ মাহৰ বকেয়া কমিছন আৰু পৰিবহণ ব্যয় প্ৰদান নকৰিলে অহা জুনৰ পৰা সুলভ মূল্যৰ যাৱতীয় সামগ্ৰী বিতৰণ বন্ধ কৰা হ’ব বুলি সভাত হুংকাৰ দিয়ে। উল্লেখ্য যে অকল ৰঙিয়া মহকুমাৰ নখন সমবায় সমিতিৰ একোখনৰ পৰিবহণ ব্যয় আৰু কমিছন মুঠ প্ৰায় চাৰিলাখ টকাকৈ প্ৰতি মাহত ৩৬ লাখ টকা পাব লাগে। কিন্তু চৰকাৰৰ হেমাহিৰ ফলত বিগত ১০ মাহত ৩.৬ কোটি টকা অনাদায় হৈ আছে। চলিত মাহৰ ভিতৰত এই বকেয়া ধন পৰিশোধ নকৰিলে অহা মাহৰ পৰা বিতৰণ বন্ধ কৰা হ’ব বুলি সমবায় সমিতিসমূহে চৰকাৰক সকীয়াই দিয়ে।

# ওদালগুৰিত কৰ্তব্যৰত চিকিৎসক-নাৰ্ছক সম্বৰ্ধনা গোৰ্খা ছাত্ৰ সন্থাৰ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৩ মে’ ঃ** বিশ্ব ধাত্ৰী (নাৰ্ছ) দিৱস উপলক্ষে কালি দেশৰ জটিল সময়ছোৱাত নিজৰ জীৱনকো তুচ্ছ কৰি কৰ্তব্যত নিয়োজিত হৈ থকা ওদালগুৰিৰ একাংশ নাৰ্ছক ওদালগুৰি জিলা গোৰ্খা ছাত্ৰ সন্থাই অভিনন্দন জ্ঞাপন কৰে। ওদালগুৰি জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত সংগঠনটোৰ কিছু সংখ্যক কৰ্মচাৰী উপস্থিত হৈ সামাজিক ব্যৱধান মানি চলি জীৱনৰ বহুমুলীয়া সময় জনগণৰ সু-স্বাস্থ্য আৰু আৰোগ্যৰ স্বাৰ্থত কৰ্ম কৰি থকা নাৰ্ছ আৰু চিকিৎসকসকলক গোৰ্খা জাতীয় খদ্দা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচীত জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি সোমৰাজ সোনাৰে কয় যে বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে চিকিৎসক আৰু নাৰ্ছসকল ভগৱান যেন হৈ পৰিছে। নিজৰ পৰিয়াল তথা জীৱনকো তুচ্ছ কৰি ২৪ ঘণ্টাই স্বাস্থ্য সেৱাত বৰ্তি থকা এই বৃত্তিৰ লোকসকল যাতে কেতিয়াও কৰ’না ভাইৰাছত আক্ৰান্ত নহয় অথবা যিসকল ইতিমধ্যে আক্ৰান্ত হৈছে, তেওঁলোকো যাতে শীঘ্ৰে আৰোগ্য হয় তাৰ বাবে সোনাৰে প্ৰাৰ্থনা জনাই এই শ্ৰেণীৰ লোকসকলৰ উৎসাহ বৃদ্ধিৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰা কথা জানিবলৈ দিয়ে।

# বৰপেটাৰোডত বাঙালী পৰিষদৰ মাস্ক বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ১৩ মে’ ঃ** কৰ’না ভাইৰাছৰ বিৰুদ্ধে অব্যাহত ৰখা যুঁজখনৰ বাবে অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে কালি সদৌ অসম বাঙালী পৰিষদৰ বৰপেটা জিলা সমিতিৰ তৰফৰ পৰা বৰপেটাৰোড আৰু হাউলীৰ আৰক্ষী-বিষয়া, স্বাস্থ্যকৰ্মী আৰু সাংবাদিকসকলক গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত পুলক পাটগিৰি আৰু বৰনগৰ চক্ৰ বিষয়া সান্ত্বনা বৰাক বিশেষভাৱে সম্বৰ্ধনা জনায়। কাৰ্যসূচীত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ নাগ, সহকাৰী সম্পাদিকা ৰীতা নাগ, কেন্দ্ৰীয় কাৰ্যকৰী সদস্য প্ৰদীপ ঘোষৰ লগতে বৰপেটা জিলা সমিতিৰ কাৰ্যকৰী সভাপতি উদয় কৰ্মকাৰ, উপ-সভাপতি কৃষ্ণগোপাল ঘোষ, সাধাৰণ সম্পাদক সঞ্জীৱ বৰ্মন, কোষাধ্যক্ষ মদন বসাকে সামাজিক দূৰত্ব বজাই ৰাখি সম্বৰ্ধনা অনুষ্ঠান সমাপন কৰে। তদুপৰি সংগঠনটোৰ কৰ্মীসকলে ৰাইজৰ মাজত প্ৰায় এহেজাৰ মাস্ক বিতৰণ কৰে।



*চামতাত মাস্ক প্ৰস্তুত কৰাত ব্যস্ত দুগৰাকী মহিলা, বুধবাৰে।*

# নগাঁৱত ধাত্ৰী দিৱস পালন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ মে’ ঃ** নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত কৰ্মৰত নাৰ্ছসকলে কালি ধাত্ৰী দিৱস পালন কৰে। তলাবন্ধৰ বাবে সীমিত পৰিসৰত সামাজিক দূৰত্ব মানি নাৰ্ছসকলে এই দিৱস পালন কৰে। উল্লেখ্য যে, মহীয়সী নাৰী, ফ্লোৰেঞ্চ নাইটিংগেলৰ জন্মদিনতো নাৰ্ছসকলে প্ৰতিবছৰে ধাত্ৰী দিৱস হিচাপে পালন কৰি আহিছে। কালি নগাঁৱৰ নাৰ্ছসকলে বন্তি প্ৰজ্বলনেৰে এই দিৱসৰ আৰম্ভ কৰে। বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাৰ্ছ ৰাজশ্ৰী শইকীয়া আৰু চুনীত প্ৰভা মেধীয়ে। অনুলেখা দেৱীয়ে আঁত ধৰা অনুষ্ঠানত জীৱনী আৰু কবিতা পাঠ কৰে ক্ৰমে দীপিকা আৰু কবিতা বৰুৱাই। অনুষ্ঠানতে ৰেখামণি কলিতাৰ পৰিচালনাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে গীতটো নাৰ্ছসকলে সমবেত সংগীত হিচাপে আৰু চুনীত প্ৰভা মেধীয়ে বৰগীত পৰিবেশন কৰে। অনুষ্ঠানতে নাৰ্ছসকলে ফ্লোৰেঞ্চ নাইটিংগেলৰ জীৱন দৰ্শনৰ বিষয়ে আলোকপাত কৰে।

# পিপলিবাৰীত ধাত্ৰী দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৩ মে’ ঃ** নলবাৰী জিলাৰ পশ্চিম নলবাৰীৰ পিপলীবাৰীস্থ পিপলীবাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কালি পিপলিবাৰী গাঁও পৰিচালনা সমিতিয়ে আন্তৰ্জাতিক ধাত্ৰী দিৱস পালন কৰে। ধাত্ৰী দিৱসৰ লগত সংগতি ৰাখি পিপলিবাৰী গাঁও পৰিচালনা সমিতিয়ে মহামাৰী কৰ’না ভাইৰাছৰ লগত সন্মুখৰ পৰা যুঁজ দি থকা পিপলীবাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ চিকিৎসক, নাৰ্ছ আৰু চিকিৎসা কৰ্মীসকলক কৃতজ্ঞতা জনাই একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সামাজিক দূৰত্ব বজাই স্বাস্থ্য কেন্দ্ৰটোত আন্তৰ্জাতিক ধাত্ৰী দিৱস তথা কৃতজ্ঞতা জ্ঞাপনৰ এখন সভা অনুষ্ঠিত হয়। পিপলিবাৰী গাঁও পৰিচালনা সমিতিৰ সম্পাদক পংকজ কুমাৰ হালৈৰ সঞ্চালনাত অনুষ্ঠিত সভাত সমাজকৰ্মী প্ৰমোদ চন্দ্ৰ ঠাকুৰীয়া, কামিনী হালৈ, পিপলিবাৰীৰ সন্তান তথা নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি তপন কুমাৰ শৰ্মা, গাঁও পৰিচালনা সমিতিৰ সভাপতি ৰমেন্দ্ৰ নাৰায়ণ দাসে বক্তব্য প্ৰদান কৰি দেশৰ দুৰ্যোগৰ সময়ত কৰ’না মহামাৰীৰ লগত সন্মুখৰ পৰা যুঁজ দি থকা চিকিৎসক, নাৰ্ছ স্বাস্থ্যকৰ্মীসকল, আৰক্ষীৰ লোকসকল আৰু সংবাদ মাধ্যমৰ লগত জড়িত লোকসকলক কৃতজ্ঞতা জনায়। অনুষ্ঠানত পিপলিবাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ চিৰঞ্জীৱ বৰুৱা, তিনিগৰাকী নাৰ্ছ আৰু তিনিগৰাকী চিকিৎসা কৰ্মীক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

# তলাবন্ধ ভংগ কৰি বৰভাগত চিলিণ্ডাৰ বিচাৰি গ্ৰাহকৰ ভিৰ

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৩ মে’ ঃ** নলবাৰী জিলাৰ বৰভাগৰ মৰোৱা অসমী গেছ বিতৰক এজেন্সীৰ সন্মুখত কালি তলাবন্ধৰ নিয়ম ভংগ কৰি পুৱাৰে পৰা শ শ গ্ৰাহকে দীঘলীয়া শাৰী পাতিবলগীয়া হোৱাত অঞ্চলটোৰ ৰাইজক আতংকিত কৰি তুলিছে। এজেন্সীটোত প্ৰয়োজন অনুসৰি চিলিণ্ডাৰ নাটনিৰ বাবেই দুই-একোজন গ্ৰাহকে ঘনাই চিলিণ্ডাৰ বিচাৰি আহিবলগীয়া হোৱাৰ বাবেই এনেদৰে ভিৰ হয় বুলি জানিব দিয়ে একাংশই। মৰোৱা অসমী গেছ এজেন্সীৰ সন্মুখত চিলিণ্ডাৰ নিবলৈ অহা গ্ৰাহকসকলে কোনো ধৰণৰ সামাজিক দূৰত্ব নামানি এনেদৰে শাৰী পাতি ভিৰ কৰাক লৈ একাংশ গ্ৰাহকে ক্ষুব্ধ হৈ পৰে। গ্ৰাহকসকলৰ মাজৰে একাংশই সামাজিক দূৰত্ব মানি নিৰ্দিষ্ট শাৰীত থাকে যদিও একাংশই এই নিয়ম ভংগ কৰি চিলিণ্ডাৰ সংগ্ৰহ কৰে। কালি এজেন্সীৰ সন্মুখত শতাধিক গ্ৰাহকে ভিৰ কৰে।

# ধলাইবিলত পথ দুৰ্ঘটনাত দুজন আহত

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৩ মে’ ঃ** নদুৱাৰৰ অন্তৰ্গত ধলাইবিলত কালি সংঘটিত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় দুজন যুৱক। শোণিতপুৰ জিলাৰ জামুগুৰি আৰক্ষী নিবেশৰ অন্তৰ্গত ধলাইবিলত সংঘটিত পথ দুৰ্ঘটনাটোত ধলাইবিলৰ বৰমতা গাঁৱৰ কিষাণ কাৰ্কী আৰু নৰবাহাদুৰ দামাই নামৰ যুৱক দুজন গুৰুতৰভাৱে আহত হয়। প্ৰথমে দুয়োজনক উত্তৰ জামুগুৰি চিকিৎসালয়ত ভৰ্তি কৰে যদিও পাছত উন্নত চিকিৎসাৰ বাবে চিকিৎসকে দুয়োজনকে তেজপুৰলৈ প্ৰেৰণ কৰে। যুৱক দুজনে বৰমতাৰ নিজ গৃহৰ পৰা এখন চাইকেলৰে ওলাই আহি ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকাৰ সময়তে এ এছ-১২ এফ-৮২৮৩ নম্বৰৰ এখন মাৰুতি কাৰে যুৱক দুজনক পাছফালৰ পৰা খুন্দা মাৰে। জিলাখনৰ ৰঙাপৰাৰ ফুলবাৰীৰ গোবিন সিং নামৰ লোকজনে নিজা গাড়ীৰে ইটাখোলাৰ এঘৰ আত্মীয়ৰ পৰা নিজ গৃহ ৰঙাপৰালৈ আহি থকা অৱস্থাতে দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাত চাইকেলখনৰ লগতে মাৰুতিখনৰো ক্ষতিসাধন হয়।

# বহতীত উদ্ধাৰ অচিনাক্ত যুৱকৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৩ মে’ ঃ** গোৱালপাৰা জিলাৰ বহতীত জলজলী নদীৰ পৰা পৰহি সন্ধিয়া আৰক্ষীয়ে উদ্ধাৰ কৰা অচিনাক্ত যুৱকৰ মৃতদেহটো কালি মৰণোত্তৰ পৰীক্ষাৰ পাছত আগন্তুক ৭২ ঘণ্টাৰ বাবে মৰ্গত ৰখা হৈছে। উল্লেখ্য যে জলজলী নদীত ওপঙি থকা অৱস্থাত মৃতদেহটো প্ৰত্যক্ষ কৰি ৰাইজে বহতী আৰক্ষীক অৱগত কৰে। পাছত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি বহতী আৰক্ষী চকীলৈ নিয়ে। পিন্ধনত কেৱল হাফ গেঞ্জী থকা যুৱজনৰ বয়স ২০ৰ পৰা ২৫ বছৰ হ’ব বুলি আৰক্ষী সুত্ৰে প্ৰকাশ।

# চিপাহী বিদ্ৰোহ উপলক্ষে বিশ্বনাথত ৫০ জনৰ ৰক্তদান

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৩ মে’ ঃ** ভাৰতৰ স্বাধীনতা যুঁজৰ প্ৰথম আন্দোলন চিপাহী বিদ্ৰোহৰ বাৰ্ষিকী উপলক্ষে কালি বিশ্বনাথত ৫০ জন ব্যক্তিয়ে ৰক্তদান কৰে। কৰ’না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ বাবে দেশত চলি থকা তলাবন্ধৰ বাবে খাদ্য সামগ্ৰীৰ লগতে জৰুৰীকালীন ৰোগীসকলৰ বাবে ৰাজ্যৰ বিভিন্ন ৰক্ত ভঁড়ালত নাটনি হৈ পৰিছে বিভিন্ন গ্ৰুপৰ ৰক্ত। সেয়েহে সমগ্ৰ ৰাজ্যৰ লগতে বিশ্বনাথ মহকুমা অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভঁড়ালত নেছনেল মেডিক’জ অৰ্গেনাইজেছন, অসমৰ উদ্যোগত আৰু সেৱা ভাৰতী পূৰ্বাঞ্চলৰ সহযোগত ৰক্তদান কৰে ৫০ জন ব্যক্তিয়ে। বিশ্বনাথ মহকুমা অসামৰিক চিকিৎসালয়ৰ চিকিৎসক তথা নাৰ্ছৰ উপস্থিতিত ৰক্তদান কাৰ্যসূচীৰ মুকলি কৰে।

# ৰামদিয়াত ছেনিটাইজ কৰিলে প্ৰশাসনে

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৩ মে’ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া কলবাৰী চুবুৰি আৰু সোৱানচাহৰ চাৰিটা পৰিয়ালক যোৱা আঠ মে’ত হোম কোৱাৰেণ্টাইন কৰাৰ পাছত পাছদিনা জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে দুয়োখন গাঁও ছেনিটাইজাৰ কৰে। উল্লেখ্য যে ৰামদিয়া কলবাৰীৰ ধীৰেণ মেধিৰ পুত্ৰ তথা জি এম চি এইছৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী সোণজ্যোতি মেধিয়ে দুদিন পূৰ্বে কৰ্তব্যৰ পৰা পোনে পোনে ঘৰলৈ আহে যদিও জি এম চি এইছৰ এজন চিকিৎসক ক’ভিড-১৯ত আক্ৰান্ত হোৱাত গাঁৱৰ একাংশ লোকে তেওঁক ঘৰত প্ৰৱেশত বাধা দিয়াত সোৱানচাহৰ শহুৰেকৰ ঘৰত আশ্ৰয় লয়। ইয়াৰ পাছতে দুয়োখন গাঁৱত এক আতংকৰ সৃষ্টি হয়। এই খবৰৰ ভিত্তিত হাজো বিষ্ণুৰাম মেধি এফ আৰ ইউৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ গৌৰাংগ দাসৰ নিৰ্দেশত চিকিৎসক ডাঃ মদন চন্দ্ৰ দাসে আৰক্ষী প্ৰশাসনৰ সহায়ত ৰামদিয়া কলবাৰীৰ সোণজ্যোতিৰ লগতে সোৱানচাহৰ শহুৰেকৰ পৰিয়ালৰ সকলো লোকক হোম কোৱাৰেণ্টাইন কৰাৰ পাছতহে গাঁও দুখনৰ ৰাইজে স্বস্তিৰ নিশ্বাস পেলায়। আনহাতে, প্ৰশাসনৰ হৈ দুৰ্যোগ ব্যৱস্থাপনা আৰু হাজো অগ্নি নিৰ্বাপক বাহিনীয়ে ৰামদিয়া কমাৰটোলা, কলবাৰী, বঙালতোলা আৰু সোৱানচাহত ছেনিটাইজাৰ কৰে। সহযোগ কৰে তিনি নম্বৰ জিলা পৰিষদৰ সদস্য বিপুল দাস, যুৱকৰ্মী গৌতম চক্ৰৱৰ্তী, দীপাংকৰ তালুকদাৰে।

# আৰক্ষী-সাংবাদিকক মাস্ক-ছেনিটাইজাৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৩ মে’ ঃ** দিনে-নিশাই ৰ’দে-বৰষুণে নিষ্ঠা সহকাৰে নিজৰ কৰ্তব্য পালন কৰি অহা চতিয়াৰ আৰক্ষীসকল আৰু চতিয়া প্ৰেছ ক্লাবৰ সদস্যসকলক যোৱা সাত মে’ৰ দুপৰীয়া ১২ বজাত সামাজিক দূৰত্ব বজাই ৰাখি চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, চতিয়া প্ৰেছ ক্লাবৰ সংবাদকৰ্মীসকলক চতিয়া বন্ধন বেংকৰ শাখা প্ৰৱন্ধক তথা কৰ্তৃপক্ষই এখন মাস্ক আৰু এটাকৈ হেণ্ড ছেনিটাইজাৰ বিতৰণ কৰে।

# শিল্পীৰ হাতৰ পৰশত প্ৰাণ পালে নেলছন মেণ্ডেলা, বিষ্ণুপ্ৰসাদ ৰাভা

## তলাবন্ধৰ সময়ত সৃষ্টিশীলতাৰ প্ৰয়াস

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ মে’ ঃ** তলাবন্ধৰ সময়ত চিন্তা-চেতনা, সৃষ্টিশীলতাক ৰুদ্ধ হ’বলৈ নিদিয়াৰ লক্ষ্যৰে গৃহবন্দীৰ অস্থিৰতাৰ মাজতে নতুন প্ৰজন্মৰ মাজত যোৱা ১২ৰ পৰা ৩০ এপ্ৰিললৈ এলানি প্ৰতিকৃতি অংকন প্ৰতিযোগিতা আয়োজন কৰিছিল ভাৰতীয় গণনাট্য সংঘৰ নগাঁও জিলা শাখাই। অকণিৰ সাহিত্যসভাৰ সহযোগত মুখপুথিৰ জৰিয়তে অনলাইনযোগে অনুষ্ঠিত প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন স্থানৰ ন ৰ পৰা ৫০ বছৰ বয়সৰ মাজৰ ৩৮ জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত খাটিখোৱা মানুহৰ কল্যাণৰ অৰ্থে আপোচহীন সংগ্ৰামী বিষ্ণুপ্ৰসাদ ৰাভা, ২৭ টা বছৰ সাতটা মাহ কাৰাৰুদ্ধ হৈ থকাৰ পাছতো আফ্ৰিকাৰ বৰ্ণ-বৈষম্যৰ প্ৰাচীৰখন বজ্ৰ হাতুৰীৰে ভাঙি পেলাবলৈ সক্ষম হোৱা মহান পুৰুষ নেলচন মেণ্ডেলা আৰু ক’ভিড-১৯ৰ প্ৰাদুৰ্ভাৱত সমগ্ৰ বিশ্ব ত্ৰাস্ত, বিধ্বস্ত হোৱা এই জটিল সন্ধিক্ষণতো কাৰাৰুদ্ধ হৈ থকা কৃষক নেতা অখিল গগৈৰ প্ৰতিকৃতি অংকন কৰিবলৈ দিয়া হৈছিল। ব্যক্তিকেইজনৰ প্ৰতিকৃতি অংকন প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দহগৰাকী চিত্ৰকাৰক অহা ২০ জুনত অনুষ্ঠিত হ’বলগীয়া ৰাভা দিৱসত ১০০০ টকা নগদ ধন, মানপত্ৰৰে সন্মানিত কৰা হ’ব। গণনাট্য সংঘৰ নগাঁও জিলা সমিতিৰ হৈ প্ৰতিযোগিতা পৰিচালনা কৰে দুলাল বৰা, লেখক ড° বিন্দু ভূষণ বৰা, চিত্ৰকৰ ৰাকেশধীৰ মেধি, কবি নীলাভ সৌৰভ আৰু অকণিৰ সাহিত্যসভাৰ সভাপতি পংকজ বৰুৱাই। ভাৰতীয় গণনাট্য সংঘৰ নগাঁও জিলা সমিতিৰ সভাপতি দিপ্তি কুমাৰ বৰুৱা, কাৰ্যকৰী সভাপতি মোলান লস্কৰ আৰু সম্পাদক নিজৰা শইকীয়াই আজি নগাঁৱত এক বাৰ্তাযোগে এই কথা জনাই ফলাফল ঘোষণা কৰে। বয়স অনুযায়ী নিৰ্বাচিত হোৱা শ্ৰেষ্ঠ দহগৰাকী চিত্ৰকৰ ক্ৰমে তেজপুৰৰ অভিশ্ৰী চৌধুৰী (পঞ্চম শ্ৰেণী), গুৱাহাটীৰ শ্ৰুতি সিংহ (ষষ্ঠ শ্ৰেণী), হোজাইৰ নাহৰ কান্তি বড়ো (সপ্তম শ্ৰেণী), নগাঁৱৰ হৃষিকেশ কাশ্যপ (সপ্তম শ্ৰেণী), নগাঁৱৰ সুনাভ হাজৰিকা (অষ্টম শ্ৰেণী), চিৰাঙৰ আমিৰ হুছেইন (নৱম শ্ৰেণী), গুৱাহাটীৰ দিব্যজ্যোতি দাস (নৱম শ্ৰেণী), নগাঁৱৰ দেৱব্ৰত দত্ত (২২ বছৰ) আৰু মাজুলীৰ বেণীমাধৱ বৰুৱা (২৫ বছৰ)।

# শংকৰঘোলাত জিলা আৰক্ষী প্ৰশাসনৰ সাহায্য

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৩ মে’ ঃ** এফালে তলাবন্ধৰ সময়ছোৱাত কঠোৰভাৱে আইন শৃংখলা অটুট ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা তলোৱাৰ বিপৰীতে আৰ্তজনক সহায় কৰি দায়িত্ববোধৰ পৰিচয় দি আহিছে বঙাইগাঁও জিলা আৰক্ষী প্ৰশাসনে। যোৱা ১১ এপ্ৰিলত জিলা আৰক্ষী অধীক্ষক সুবোধ সোণোৱালৰ নেতৃত্বত উত্তৰ শালমাৰা মহকুমা আৰক্ষী বিষয়া ৰুদ্ৰ কলিতা, অভয়াপুৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক শইকীয়াই জিলাখনৰ যোগীঘোপা থানাৰ অন্তৰ্গত শংকৰঘোলা পঞ্চায়তত ৬০ টা পৰিয়াললৈ সা-সামগ্ৰী আগবঢ়ায়। তলাবন্ধৰ সময়ত আৰ্থিকভাৱে দুৰ্বল পৰিয়ালকেইটাক কিছু সহায় হোৱাকৈ চাউল, দাইল আদি অত্যাৱশ্যকীয় সামগ্ৰী আগবঢ়ায়। ইপিনে, অভয়াপুৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপক শইকীয়াক কৰ্কট ৰোগত আক্ৰান্ত অভয়াপুৰী চহৰৰ দুই নম্বৰ ৱাৰ্ডৰ পিৰাধৰা নিৱাসী বিপুল কলিতাৰ ঘৰত উপস্থিত হৈ খাদ্য-সামগ্ৰী আগবঢ়ায়।

# নগাঁৱত ১৪৩ টা মণ্ডলত মাস্ক-ছেনিটাইজাৰ বিতৰণ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ মে’ ঃ** বিজেপিৰ নগাঁও জিলা সমিতিয়ে সাম্প্ৰতিক সময়ত ক’ভিড-১৯ মহামাৰীৰ জটিল সন্ধিক্ষণৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ ৰাইজক সজাগ-সচেতন কৰাৰ বাবে এক ব্যাপক সজাগতা অভিযান আৰম্ভ কৰিছে। দেশৰ এই জটিল সময়খিনিত তথা তলাবন্ধৰ পৰিপ্ৰেক্ষিতত দলীয়কৰ্মীসকলৰ অৱস্থাৰ বুজ লোৱাৰ লগতে সাংগঠনিক দিশৰ বুজ লোৱাৰ উদ্দেশ্যে নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিৎ নাথৰ নেতৃত্বত এই অভিযান চলায়। বিগত কে’বাদিন ধৰি জিলাখনৰ তিনিটা মণ্ডলৰ ১৪৩ টা বুথত মাস্ক বিতৰণ কৰাৰ লগতে সাংগঠনিক দিশৰ বুজ ল’বলৈ বিজেপিৰ জিলাখনৰ নেতৃত্ব মণ্ডলসমূহত উপস্থিত হয়। কালিও জিলা সভাপতি অভিজিৎ নাথ জিলাখনৰ অন্তৰ্গত কাছমাৰী, বেবেজীয়া, শেনছোৱা পঞ্চায়তৰ দলীয় নেতৃবৃন্দক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লয়। নগাঁৱৰ নটা মণ্ডল সমিতিৰ অধীনৰ ১৪৩ খন বুথ সমিতিৰ সভাপতি-সম্পাদকসকলকো সাক্ষাৎ কৰি ক’ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনোৱাৰ লগতে তেওঁলোকৰ বাবে মাস্ক-ছেনিটাইজাৰ বিতৰণ কৰে। এই সম্পৰ্কত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি সভাপতি নাথে কয়, ‘এই ধাৰা অব্যাহত ৰাখি আমি অনাগত দিনত পুনৰ নটা মণ্ডলত মাস্ক বিতৰণৰ উপৰি সাংগঠনিক কামৰ বুজ লোৱাৰ বাবে অংগীকাৰবদ্ধ হৈছো। মহামাৰী কৰ’নাৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰখা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰখনক আমি সকলোৰে সহযোগ কৰাৰ প্ৰয়োজন আছে। সেয়েহে আমাৰ দলীয় সতীৰ্থ আৰু দলটোৰ তৃণমূল পৰ্যায়ৰ নেত-কৰ্মীসকলে সৰ্বস্তৰতে ৰাইজক কৰ’না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ যুঁজখনত অৱতীৰ্ণ হোৱাৰ বাবে বিনম্ৰ অনুৰোধ কৰিছো।

# পূৱ হাতীচোঙত ধুমুহা-বতাহত বিস্তৰ ক্ষতি

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৩ মে’ ঃ** কালি বিয়লি অহা এজাক বিধ্বংসী ধুমুহা-বতাহে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বিভিন্ন ঠাইৰ লগতে পূব হাতীচোঙৰ গাঁওসমূহত বিস্তৰ ক্ষতি কৰে। গ্ৰামাঞ্চলৰ একাংশ ঘৰ গোহালি, ভৰাল ঘৰ আদি বতাহত উৰি যায়। বিশেষকৈ ব্ৰাহ্মণগাঁও চাৰিআলিৰ সমীপৰ ফুলনিআটীত অৱস্থিত হাতীচোং শংকৰদেৱ বিদ্যা নিকেতনৰ চৌহদত এজোপা গছ ভাঙি পৰাত বিদ্যালয়খনৰ জিৰণি চ’ৰা, চাইকেল ষ্টেণ্ড আৰু চৌহদৰ সীমাৰ দেৱাল ভাঙি পৰে। ইয়াৰ উপৰি ঠাই বিশেষে পথত তামোল গছ, বাঁহ আদি ভঙাত বিদ্যুৎ যোগান বহু সময় ধৰি ব্যাহত হৈ থাকে।

# চিকিৎসাৰ বাবে গৈ বহিঃৰাজ্যত আৱদ্ধ তেজপুৰৰ পৰিয়াল ঃ সহায় বিচাৰি ব্যৰ্থ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৩ মে’ ঃ** তলাবন্ধৰ পূৰ্বেই হৃদযন্ত্ৰৰ উন্নত চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি ভালুকেখোৱাৰ এটা পৰিয়াল সম্প্ৰতি আৱদ্ধ হৈ আছে বাংগালুৰুত। যোৱা ১৮ মাৰ্চত তেজপুৰৰ পৰা চিকিৎসাৰ বাবে যোৱা মীৰা দেৱী নামৰ ৬৩ বছৰীয়া মহিলা গৰাকীৰ লগতে পুত্ৰ অলীপ নাথ আৰু বোৱাৰী জ্যোৎস্না নাথ চিকিৎসাৰ অন্তত দীৰ্ঘদিনে আৱদ্ধ হৈ আছে বাংগালুৰুৰ এখন হোটেলত। মহানগৰখনৰ মণিপাল চিকিৎসালয়ত মীৰা দেৱীৰ হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ সম্পন্ন হোৱাৰ পাছত দেশত বলৱৎ হোৱা তলাবন্ধৰ ফলত তেজপুৰৰ স্বগৃহলৈ ঘূৰি আহিব পৰা নাই পৰিয়ালটোৰ তিনিও সদস্য। সম্প্ৰতি তীব্ৰ আৰ্থিক অভাৱে দেখা দিছে পৰিয়ালটোৰ মাজত। ৰাজ্য চৰকাৰে বহিঃৰাজ্যত আবদ্ধ হৈ থকাসকল নিজ ৰাজ্য লৈ উভতি আহিব পৰাকৈ সহায়ৰ বাবে দিয়া ৭৪২৮১৫৯৯৬৬ নম্বৰত যোগাযোগ কৰাৰ পাছতো পৰিয়ালটোৱে লাভ কৰা নাই নিৰ্দিষ্ট লিংক। যাৰ ফলত কোনো ধৰণৰ যোগসূত্ৰ গঢ়ি তুলিব পৰা নাই অসম চৰকাৰে। পৰিয়ালটোৱে বৰ্তমান কিংকৰ্তব্যবিমূঢ় হৈ সময় অতিবাহিত কৰিছে। উপায়ান্তৰ পৰিয়ালটোৰ তিনি সদস্যই সেয়ে বাংগালুৰুৰ পৰা তেওঁলোকক উদ্ধাৰৰ বাবে সহায় বিচাৰিছে অসম চৰকাৰৰ ওচৰত। ইফালে, পৰিয়ালটোৰ ভালুকেখোৱাস্থিত ঘৰখনতো উপায়হীন হৈ পৰিছে দুৰ্ভগীয়া পৰিয়ালটোৰ আত্মীয়সকল। পত্নীসহ পুত্ৰ-বোৱাৰীক অনতি পলমে কিবা ব্যৱস্থাৰে অসমলৈ ঘূৰাই আনিবলৈ মহিলাগৰাকীৰ ৭০ উৰ্ধ্বৰ স্বামীৰ লগতে আইতাকৰ স’তে থকা পিতৃ-মাতৃক ঘূৰাই আনিবলৈ চৰকাৰ তথা সংশ্লিষ্ট পক্ষক আহ্বান জনাইছে দুই শিশু নাতি-নাতিনীয়ে।

# অঞ্চলী হাইস্কুলৰ কম্পিউটাৰ চুৰি

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১৩ মে’ ঃ** দেশত কৰ’না ভাইৰাছৰ মহামাৰী ৰূপৰ বাবে তলাবন্ধ চলি থকাৰ সময়তেই বাগ্‌সা জিলাৰ আগৰণুৱা শিক্ষানুষ্ঠান অঞ্চলী হাইস্কুলৰ পৰা যোৱা নিশা কাৰ্যালয়ত থকা এটা কম্পিউটাৰ ছেট চুৰি হয়। অঞ্চলী হাইস্কুলৰ প্ৰধান শিক্ষক শশীন্দ্ৰ খাটনিয়াৰে জালাহ আৰক্ষীৰ পহৰা চকীত দাখিল কৰা এহাজাৰত উল্লেখ কৰা মতে নিশা চোৰে বিদ্যালয়ৰ কাৰ্যালয়ৰ দুটা তলা কাটি ভিতৰত প্ৰৱেশ কৰি কম্পিউটাৰ, এটা চিপিইউ, এটা মনিটৰ, এখন কিবোৰ্ড, এটা স্কেনাৰ আৰু এটা মাউচ চুৰি কৰি নিয়ে। পাছত জালাহ আৰক্ষীৰ পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত এটা আৰক্ষীৰ দল-বিদ্যালয়ত উপস্থিত হৈ ঘটনাৰ বুজ লয়। উল্লেখ্য যে সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষা চলি থকাৰ সময়তেও বিদ্যালয়ৰ বাহিৰত স্থাপন কৰি থোৱা দুটাকৈ চি চি টিভি কেমেৰা চুৰি কৰি নিছিল।

# অনুজ প্ৰসাদৰ ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পৰীক্ষাত ষষ্ঠ স্থান

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ, ১৩ মে’ ঃ** বিশ্বনাথ চাৰিআলিৰ ৰাষ্ট্ৰভাষা প্ৰবোধ বিদ্যালয়ৰ ছাত্ৰ অনুজ প্ৰসাদ গুপ্তাই অসম ৰাষ্ট্ৰ ভাষা প্ৰচাৰ সমিতিৰ দ্বাৰা যোৱা ফেব্ৰুৱাৰীত অনুষ্ঠিত ‘পৰিচয়’ পৰীক্ষাত অসমৰ ভিতৰত ষষ্ঠ স্থান অধিকাৰ কৰিছে। তেওঁৰ সফলতাৰ বাবে বিশ্বনাথ চাৰিআলিৰ ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। অনুজ প্ৰসাদ গুপ্তা বিশ্বনাথৰ ছেন জেভিয়াৰ্ছ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ। বিশ্বনাথ চাৰিআলি সুন্দৰপূৰৰ নিবাসী ৰামজী প্ৰসাদ আৰু সৰিতা দেৱীৰ সন্তান। ছাত্ৰজনৰ সফলতাত বিদ্যালয় পৰিচালনা সমিতি, বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীসকলে অভিনন্দন জ্ঞাপন কৰে।

# অভয়াপুৰীত আন্তৰ্জাতিক ধাত্ৰী দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৩ মে’ ঃ** ক’ভিড-১৯ বা ঘাতক কৰ’না প্ৰতিৰোধ কৰি জনসাধাৰণক শংকামুক্ত কৰি ৰখাৰ যুদ্ধত যিসকলে সন্মুখৰ পৰা যুঁজ আগবঢ়াইছে, সেইসকলৰ অন্যতম নাৰ্ছ অথবা ধাত্ৰীসকল। নিজৰ জীৱনকো তুচ্ছ কৰি তেওঁলোকে ৰাইজক সেৱা আগবঢ়াই যি মহান ত্যাগ আগবঢ়াইছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। ৰাইজৰ সেৱাৰ বাবেই আজিৰ পৰিস্থিতিত বহু ধাত্ৰীয়ে নিজৰ সন্তান, পৰিয়াল-পৰিজনকো দিব পৰা নাই সামান্যতমো সময়। ধাত্ৰীসকলৰ এনে মহান ত্যাগৰ বিষয়ে কালি অভয়াপুৰীত স্মৰণ কৰা হয়। আৰ্তজনক অনন্য সেৱিকা ফ্লৰেঞ্চ নাইটিংগেলৰ দুশ সংখ্যক জন্ম দিৱস উপলক্ষে অভয়াপুৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত আয়োজিত অনুষ্ঠানত ধাত্ৰীসকলে যুগে যুগে আগবঢ়াই অহা ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰে উপস্থিত সকলোৱে। সামাজিক দূৰত্ব অক্ষুণ্ণ ৰাখি আয়োজন কৰা অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে চিকিৎসালয়খনৰ অধীক্ষক ডাঃ এম কে কাকতিয়ে। ইয়াৰ পাছতে আন্তৰ্জাতিক ধাত্ৰী দিৱসৰ কাৰ্যসূচী অনুসৰি উত্তৰ শালমাৰা মহকুমাৰ মহকুমাধিপতি পল্লৱী সৰকাৰকো সম্বৰ্ধনা জনোৱা হয়। বঙাইগাঁও জিলা ষ্টাফ নাৰ্ছ সন্থাৰ সম্পাদিকা ক্ৰান্তি শিখা দেৱীও কালিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# কৃষিজাত সামগ্ৰী বিক্ৰী কৰিব নোৱাৰি বিপাঙত কৃষক

## চিৰাঙত কৃষকৰ হাহাকাৰ অৱস্থা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১৩ মে’ ঃ** চিৰাং জিলাৰ বেংতল বজাৰত নিজৰ খেতিত উৎপাদিত পাচলি বিক্ৰী কৰিব আহি গ্ৰাহক নাপাই পেলাই দিবলগীয়া হৈছে কৃষকে। তলাবন্ধৰ ফলত বজাৰ বন্ধ, গ্ৰাহক নাই বজাৰত, আৰক্ষীয়ে বজাৰত পাচলি বিক্ৰী কৰিব নিদিয়ে এই ধৰণৰ নানান সমস্যাত পৰিয়ে কৃষকৰ এই অৱস্থাৰ সৃষ্টি হৈছে। কালি পুৱা বজাৰখনলৈ শাক-পাচলি আনিছিল এজন কৃষকে। কৃষকজন উচ্চ শিক্ষিত হোৱাৰ লগতে অপ্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষক। অৰ্থাৎ বিনা বেতনে দীৰ্ঘদিন কাম কৰা ভেঞ্চাৰ শিক্ষক। জিলাখনৰ বেংতল দুৰ্গাপুৰৰ বাসিন্দা তেওঁৰ নাম ফৰমান আলী আহমেদ। পৰিয়াল পোহপালৰ বাবে নিজৰে ১৫ বিঘা মাটিত বিধে-বিধে পাচলি খেতি কৰিছে। আঠ/১০ প্ৰকাৰৰ পাচলি খেতি কৰিছে সম্পূৰ্ণ জৈৱিক পদ্ধতিত। কিন্তু লোকৰ পৰা ধাৰ লৈ এই খেতি কৰিয়ে বিপদত পৰিছে কৃষকজনে পাচলি উৎপাদন কৰিয়ে পৰিছে তলাবন্ধৰ কবলত। ফলত খেতিৰ পাচলি খেতিতে পকি গেলিছে। বিক্ৰীৰ সুবিধা পোৱা নাই। কাৰণ তলাবন্ধৰ ফলত বজাৰ বন্ধ, গ্ৰাহক নাই তাতে আকৌ ৰমজান মাহ ৰোজা ৰাখি এই প্ৰখৰ ৰ’দৰ মাজত ঘৰে ঘৰে গৈ পাচলি বিক্ৰী কৰাও সম্ভৱ নহয়। সেয়ে কালি পুৱা পাচলি বিক্ৰীৰ বাবে বেংতল বজাৰলৈ আহে যদিও গ্ৰাহক নাপায় পাচলি কাটি পথতে পেলাই দিয়া পৰিলক্ষিত হয়। কৃষক ফৰমান আলীয়ে কয় যে চৰকাৰে যদি কৃষকসকলৰ বাবে কোনো সঠিক আঁচনি গ্ৰহণ কৰি কৃষকসকলক ৰক্ষাৰ চেষ্টা নকৰে তেন্তে আত্মহত্যা কৰাৰ বাহিৰে আন কোনো উপায় নাথাকিব। আচলতে অঞ্চলটোত দেখিবলৈ পোৱা গৈছে শ শ বিঘা কৃষি ভূমিত কৃষকে বিধে বিধে পাচলি খেতি কৰি বিপদত পৰিছে তলাবন্ধৰ বাবে। কৃষকসকলৰ বাবে চৰকাৰে দিয়া ঘোষণাও চৰকাৰৰ ঘোষণাতে থাকি গ’ল কিন্তু কৃষকে উপকৃত নহ’ল। কৃষকজনে নিজে কয় তেওঁৰ দুৰ্দশাৰ কথা। যোৱা ১৯৯৩, ২০১২ আৰু ২০১৪ৰ গোষ্ঠী সংঘৰ্ষৰ বলি তেওঁলোক। বহুবাৰ সৰ্বহাৰা হোৱা এইসকল লোক এতিয়াও ক্ষতিগ্ৰস্ত হৈয়ে আছে। চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই এইসকল কৃষকৰ সুৰক্ষাৰ বাবে।

# বাগ্‌সাত নাই কোৱাৰেণ্টাইনৰ পৰ্যাপ্ত আন্তঃগাঁথনি

## দল-সংগঠনক সহায়-সহযোগৰ আহ্বান মন্ত্ৰী ৰিহণ দৈমাৰীৰ

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৩ মে’ ঃ** ‘ৰাজ্যৰ বাহিৰৰ পৰা আজি ৰেলযোগে আহি গৃহভূমিত উপস্থিত হ’ব বহু লোক। অন্যান্য প্ৰান্তৰ লগতে বাগ্‌সা জিলাতো উপস্থিত হ’ব বহু লোক। সেইসকল লোকক স্ক্ৰীনিং কৰি কোৱাৰেণ্টাইনৰ ব্যৱস্থা কৰা হ’ব। যাৰ বাবে প্ৰয়োজন হ’ব জিলাখনৰ সকলো দল-সংগঠন আৰু ৰাইজৰ সহায়।’ মুছলপুৰত আজি এই আহ্বান জনায় মন্ত্ৰী ৰিহন দৈমাৰীয়ে। বাগ্‌সা জিলাৰ সদৰ মুছলপুৰত উপস্থিত হৈ মন্ত্ৰী দৈমাৰীয়ে সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত এক পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। জিলা উপায়ুক্তৰ সভাকক্ষত বিভিন্ন ছাত্ৰ সংগঠন, দল-সংগঠনৰ স’তে মিলিত হৈ মন্ত্ৰীজনে বাগ্‌সা জিলাৰ পৰিস্থিতিৰ ওপৰত বুজ লয়। জিলাখনত বহিঃৰাজ্যৰ পৰা আহিব লগা লোকসকলক কোৱাৰেণ্টাইনত ৰখাৰ বাবে আন্তঃগাঁথনিৰ অভাৱৰ কথা উল্লেখ কৰি মন্ত্ৰীজনে এই সন্দৰ্ভত দল-সংগঠনবোৰকো পাৰ্যমানে সহায় কৰাৰ বাবে আহ্বান জনায়। বহিঃৰাজ্যৰ পৰা আহি পাব লগা লোকসকলক প্ৰয়োজনবোধে গাঁৱৰ ক্লাব ঘৰ বা বিদ্যালয়ত কোৱাৰেণ্টাইন কৰি ৰখা সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয়। ইফালে, ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ক’ভিড-১৯ৰ বিৰুদ্ধে যুঁজিবলৈ চিকিৎসকৰ কাৰণে পি পি ই কীটকে ধৰি সকলো সামগ্ৰী যোগান ধৰা বুলি কয় মন্ত্ৰীজনে। উপায়ুক্ত ৰঞ্জন শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত আলোচনা সভাত জিলাখনৰ অতিৰিক্ত উপায়ুক্ত, চক্ৰ বিষয়া, মহকুমাধিপতি আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# নগাঁৱৰ বাছ আস্থানৰ জিৰণি চ’ৰাত দম্পতীক সহায় নকৰিলে আৰক্ষীয়ে



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৩ মে’ ঃ** দেশজুৰি বলবৎ হৈ থকা দীৰ্ঘদিনীয়া তলাবন্ধৰ ফলত কৰ্মহীন হৈ পৰা বহু পৰিয়ালে এতিয়া দিকবিদিক হেৰুৱাই পেলাইছে। বহিঃৰাজ্যত জীৱিকা হেৰুৱাই কৰ্মস্থলীৰ পৰা বহু কষ্টৰে নিজ গৃহ অভিমুখে খোজকাঢ়ি হ’লেও যাত্ৰা আৰম্ভ কৰিছে অসহায় বহু পৰিয়ালে। যোৱা নিশা এনে এটা অসহায় পৰিয়ালৰ কৰুণ আৰ্তনাদ শুনিবলৈ পোৱা গ’ল নগাঁও চহৰৰ এটা বাছ আস্থানৰ জিৰণি চ’ৰাত। কোলাত কণমানি সন্তানক লৈ ডিমাপুৰৰ পৰা আহিছিল শোণিতপুৰ জিলাৰ শিঙৰীৰ মতিবুৰ ৰহমান আৰু মজিনা খাতুন। তলাবন্ধৰ বাবে কৰ্মহীন হৈ পৰা ডিমাপুৰৰ তিনিমাইলত থকা মতিবুৰৰ পৰিয়ালটোক ভাড়াঘৰৰ পৰাও ঘৰৰ মালিকে উলিয়াই দিছিল। পাছত দম্পতীহালে ডিমাপুৰৰ পৰা গুৱাহাটী অভিমুখী এখন নৈশ বাছত আহি নগাঁও বাইপাছত নমাৰ পাছতে অথন্তৰ লাগিল। পত্নী আৰু কণমানিটোক লৈ নিশা ক’লৈ যাম, কি কৰিম একো উৱাদিহ নোপোৱা মতিবুৰ কাষ চাপে বৰঘাট আৰক্ষীৰ; কিন্তু আৰক্ষীৰ পৰা কোনো সহায় নাপাই প্ৰায় পাঁচ-ছয় কিলোমিটাৰ বাট খোজকাঢ়ি আহি নগাঁও চহৰৰ দ্বাৰা বাছ আস্থানৰ জিৰণি চ’ৰাটোতে আশ্ৰয় লয় অসহায় পৰিয়ালটোৱে। মূষলধাৰাৰ বৰষুণ আৰু বিজুলী-ঢেৰেকনিৰ মাজতে জিৰণি চ’ৰাটোত আশ্ৰয় লোৱা অসহায় পৰিয়ালটোৱে ভয়তে আৰ্তনাদ কৰে। অসহায় পৰিয়ালটোৰ এই দুৰ্দশা দেখি সহায় কৰিবলৈ আগবাঢ়ি আহে প্ৰাক্তন বিধায়ক দুৰ্লভ চমুৱাকে ধৰি বহু কেইজন লোক। পাছত তেওঁলোকৰ বিশেষ তৎপৰতাত আৰক্ষীয়ে এখন এম্বুলেন্সৰ জৰিয়তে দুৰ্ভগীয়া পৰিয়ালটোক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ লৈ যায়। চিকিৎসালয়ত ভৰ্তি কৰি পৰিয়ালটোক স্বাস্থ্য পৰীক্ষা কৰা হয়। ইপিনে, আজি পুৱা দুৰ্গত পৰিয়ালটোক কন্দৰী আদৰ্শ চিকিৎসালয়ত কোৱাৰেণ্টাইন কৰা হয়।

# ঘিলাগুৰী পঞ্চায়তে সদৰী কৰিলে চৰকাৰী অনুদানৰ তথ্য

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১৩ মে’ ঃ** তলাবন্ধৰ পৰিপ্ৰেক্ষিতত খাটিখোৱা লোকৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। এনে সময়তে ঘিলাগুৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী জয়ন্তী বালা মণ্ডলে একাংশ অতি দুখীয়া পৰিয়ালক চাউল, দাইল, মিঠাতেল, নিমখ আদি খাদ্য সামগ্ৰী বিতৰণেৰে সহায়ৰ হাত আগবঢ়োৱাৰ লগতে এই জটিল সময়ত চৰকাৰী নীতি-নিয়ম মানি চলিবলৈ পৰামৰ্শ আগবঢ়াই আহিছে। বিশেষকৈ সামাজিক দূৰত্ব বজাই ৰখা, ঘনে ঘনে চাবোনেৰে হাত ধোঁৱা, মুখত মাস্ক অথবা কাপোৰেৰে ঢাকি ৰখা আদি বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ৬০টা পৰিয়ালক সাহায্য সামগ্ৰী আগবঢ়োৱা সভানেত্ৰীয়ে কয় যে অসম চৰকাৰে ৰেছন কাৰ্ড নথকা দুখীয়া ৰাইজক এহেজাৰ টকাকৈ আৰ্থিক অনুদান আৰু পাঁচ কিলোগ্ৰামকৈ চাউল আগবঢ়াই কিছু হ’লেও সকাহ দিছে। সেই অনুসৰি পঞ্চায়তখনৰ দুশটা পৰিয়ালক এহেজাৰকৈ আৰু দুশটা পৰিয়ালক ৪৯৬জনক জনমূৰি পাঁচ কিলোগ্ৰামকৈ চাউল বিতৰণ চলি আছে।

# অসম আন্দোলনৰ কৰ্মী ৰাতুল ৰঞ্জন শইকীয়াৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ/চতিয়া, ১৩ মে’ ঃ** ঐতিহাসিক অসম আন্দোলনত অবিভক্ত শোণিতপুৰ জিলাৰ নাগশংকৰ তথা চতিয়া অঞ্চলক সন্মুখৰ পৰা নেতৃত্ব দিয়া নাগশংকৰৰ ৰাতুল ৰঞ্জন শইকীয়া (৫৪)ৰ কালি মৃত্যু ঘটে। এজন সুনিপুণ লেখক তথা সুবক্তা শইকীয়াৰ মৃত্যুত অঞ্চলটোৱে হেৰুৱালে এজন অভিভাৱক। অসম আন্দোলনৰ যোদ্ধাজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসগৃহত অনেক অনুষ্ঠান-প্ৰতিষ্ঠান তথা গুণমুগ্ধ উপস্থিত হৈ শ্ৰদ্ধা জনায়। দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত ভুগি থকা শইকীয়াই যোৱা নিশা প্ৰায় ১০ বজাত তেজপুৰস্থিত এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে ১৯৬৬ত জন্মগ্ৰহণ কৰা শইকীয়াই স্থানীয় নাগশংকৰ হাইস্কুলত শিক্ষা জীৱন আৰম্ভ কৰি ১৯৮২ত নাগশংকৰ হাইস্কুলৰ পৰা প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে ডিব্ৰুগড়লৈ যাত্ৰা কৰে। ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত নামভৰ্তি কৰি প্ৰায় এটা বছৰ শিক্ষা গ্ৰহণ কৰিছিল যদিও ১৯৮৩ত ভৰপক দিয়া অসম আন্দোলনৰ বাবে ঘৰলৈ উভতি আহি আন্দোলনত জঁপিয়াই পৰে। অবিভক্ত শোণিতপুৰ জিলাৰ নাগশংকৰ তথা চতিয়া অঞ্চলক সন্মুখৰ পৰা নেতৃত্ব দিয়া শইকীয়াই নাগশংকৰ আঞ্চলিক ছাত্ৰ সন্থা, চতিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ দায়িত্ব লোৱাৰ উপৰি লৈছিল শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰো গুৰুদায়িত্ব। ছাত্ৰ সন্থাৰ দায়িত্বত থকাৰ সময়ত অসম আন্দোলনৰ সেনানীজনে কে’বাবাৰো খাটিবলগীয়া হৈছিল কাৰাবাস। আন্দোলনৰ পৰিসমাপ্তিৰ পাছত অগপই চৰকাৰ গঠন কৰাৰ সময়ত ১৯৮৭ত শিক্ষকতা জীৱনৰ পাতনি মেলে। ১৯৯০ত বিবাহপাশত আবদ্ধ হোৱা শইকীয়াৰ মৃত্যুত চতিয়া আঞ্চলিক ছাত্ৰ সন্থা, নাগশংকৰ শাখা ছাত্ৰ সন্থা, প্ৰাথমিক শিক্ষক সন্মিলনীৰ নাগশংকৰ কেন্দ্ৰকে আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত শইকীয়াই পত্নীসহ দুই কন্যা আৰু এজন পুত্ৰৰ লগতে ৮০ বছৰীয়া মাতৃক ইহসংসাৰত এৰি যায়।

# বিলাসীপাৰা প্ৰেছ ক্লাবৰ নতুন সমিতি

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ১৩ মে’ ঃ** বহু জল্পনা-কল্পনাৰ অন্ত পৰিল আজি। সুদীৰ্ঘ বছৰৰ অন্তত পুনৰ গঠন হ’ল বিলাসীপাৰা প্ৰেছ ক্লাবৰ নতুন সমিতি গঠন। আজি বিলাসীপাৰাৰ ড° বি আৰ আম্বেদকাৰ ভৱনৰ সভাকক্ষত আয়োজিত সাধাৰণ সভাত পূৰ্বৰ সমিতি ভংগ কৰি নতুন সমিতি গঠন কৰে। উল্লেখ্য যে বিগত প্ৰায় সাত বছৰ পূৰ্বে গঠন হোৱা বিলাসীপাৰা প্ৰেছ ক্লাবৰ সমিতিখনে ঐতিহ্যমণ্ডিত প্ৰেছ ক্লাবৰ উন্নয়ন একপ্ৰকাৰ স্থবিৰ কৰি তুলিছিল। আজি প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি মফিজুল হোছেন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত সৰ্বসন্মতিক্ৰমে নতুন সমিতি গঠন কৰে। ১৯৯১ত স্থাপিত প্ৰেছ ক্লাবৰ যোৱা ২০১৩ত গঠন হোৱা সমিতিখনৰ কাৰ্যকাল আছিল দুবছৰ। কিন্তু সমিতিৰ সভাপতি আৰু সম্পাদকে বিগত সাতটা বছৰে প্ৰেছ ক্লাবৰ সাধাৰণ সভা আহ্বান কৰা নাছিল। প্ৰেছ ক্লাবৰ উন্নয়ন একপ্ৰকাৰ স্থবিৰ হৈ পৰাত আজি পাঁচজনীয়া আহ্বায়ক সমিতিয়ে এখন সাধাৰণ সভাৰ আহ্বান কৰে। সভাত সাংবাদিক মফিজুল হোছেন আহমেদক সভাপতি আৰু বাপ্পা সৰকাৰক সাধাৰণ সম্পাদকৰূপে লৈ এখন ১১ জনীয়া বিলাসীপাৰা প্ৰেছ ক্লাবৰ নতুন সমিতি গঠন কৰা হয়। সভাত বিলাসীপাৰা প্ৰেছ ক্লাবৰ জ্যেষ্ঠ কনিষ্ঠ সাংবাদিকসকল উপস্থিত থাকে। সভাৰ আৰম্ভণিতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত মৃত্যুবৰণ কৰা সাংবাদিকসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে।

## কনটেইনমেণ্ট জ’নৰ নিয়ম উলংঘন

# বিধায়ক ৰছিদ আলমৰ বিৰুদ্ধে আৰক্ষীৰ গোচৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৩ মে’ ঃ** গোৱালপাৰা পূব সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলমে কনটেইনমেণ্ট জ’নৰ নীতি উলংঘন কৰা বাবে গোৱালপাৰা আৰক্ষীয়ে তেওঁৰ বিৰুদ্ধে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। বিধায়কজনে কনটেইনমেণ্ট জ’নৰ নীতি-নিয়ম উলংঘন কৰি নিজৰ বাসভৱনত সংবাদমেল আয়োজন কৰাৰ লগতে গুৱাহাটীত গৈ বিধায়িনী দলৰ বৈঠকত অংশগ্ৰহণ কৰাই নহয় সম্প্ৰতি গুৱাহাটীত বাহৰ পাতি আছে। এইদৰে কনটেইনমেণ্ট জ’নৰ নীতি-নিয়মক উলংঘন ৰা বিধায়কজনৰ বিৰুদ্ধে নিজাববীয়াকৈ ভাৰতীয় দণ্ড বিধিৰ ১৮৮/২৬৯ ধাৰাৰ লগতে আৰ ডব্লিউ ৫১ বি ধাৰাত ২৩০/২০ নম্বৰত গোচৰ ৰুজু কৰিছে। অৱশ্যে বিধায়কজনে গুৱাহাটীত একাংশ সংবাদ মাধ্যমৰ আগত গোৱালপাৰা জিলা আৰক্ষী অধীক্ষকৰ অনুমতি সাপেক্ষে যোৱা বুলি কৈছে যদিও এই সন্দৰ্ভত আৰক্ষী অধীক্ষক একো নাজানে বুলি জনোৱাত বিধায়কজনৰ মিথ্যাচাৰ ওলাই পৰে।

# অভয়াপুৰীত লতামাকৰি হত্যা কৰিলে জিঘাংসুৱে



**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১৩ মে’ ঃ** অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত নিউ পিৰাধৰাত আজি এটি লতামাকৰি বাঘৰ পোৱালি একাংশ লোকৰ জিঘাংসাৰ বলি হ’বলগীয়া হোৱা ঘটনাই প্ৰকৃতিপ্ৰেমীক ব্যাথিত কৰি তুলিছে। তথ্য মতে, আজি পুৱাই নিউ পিৰাধৰাত বাঁহনিৰ মাজত একাংশ লোকে বাঘ সদৃশ জন্তুৰ পোৱালি এটা আকস্মিকভাৱে প্ৰত্যক্ষ কৰি চক খাই উঠে। লগে লগে চিঞৰ-বাখৰ লগায়। চিঞৰ-বাখৰ শুনি গওঁা ওলাই আহে আৰু একাংশই পোৱালিটোক বাঘ বুলি হনা-খোঁচা কৰাৰ লগতে টনা-আঁজোৰা লগায়। পাছত একাংশ সচেতন লোকে বাধা প্ৰদান কৰি বন বিভাগৰ লগতে আৰক্ষীকো খবৰ দিয়ে। কিন্তু বন বিভাগৰ লোক আৰু আৰক্ষীৰ লোক উপস্থিত হোৱাৰ পূৰ্বে ক্ৰমান্বয়ে লেবেজান হৈ পোৱালিটো মৃত্যুমুখত পৰে। ঘটনাস্থলীত বন বিভাগৰ লোক উপস্থিত হৈ মৃত পোৱালিটো লতামাকৰি বুলি চিনাক্ত কৰে। পাছত মৃত লতামাকৰিৰ পোৱালিটো অভয়াপুৰীৰ বন বিষয়াৰ কাৰ্যালয়লৈ আনে।

# পশ্চিম নলবাৰীৰ ২১ জনক হোম কোৱাৰেণ্টাইন

**অগ্ৰদূত বাৰ্তা**
**চামতা, ১৩ মে’ ঃ** বৃহত্তৰ পশ্চিম নলবাৰী অঞ্চলৰ ছয় গৰাকী লোকক আজি স্বাস্থ্য বিভাগে নিজৰ নিজৰ ঘৰতে কোৱাৰেণ্টাইন কৰিছে। চামতা খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ সূত্ৰে জানিব পৰা মতে যোৱা আঠ-১০ মে’ৰ ভিতৰত মেঘালয়ৰ পৰা ঘৰলৈ অহা গামাৰিমূৰীৰ এজন ৬১ বছৰীয়া আৰু এগৰাকী ৫৫ বছৰীয়া মহিলা, মেঘালয়ৰ বৰ্ণিহাটৰ পৰা অহা পিপলিবাৰীৰ ৪২ বছৰীয়া লোক এজন পুৰুষ, মেঘালয়ৰ পৰা ঘৰলৈ অহা নিজ বাঁহজানীৰ ২৭ বছৰীয়া যুৱক এজন, পহলংপাৰাৰ ২৫ বছৰীয়া যুৱক এজন আৰু ৰূপীয়াবাথানৰ ৩০ বছৰীয়া যুৱকজনক আজি চামতাৰ স্বাস্থ্য বিভাগৰ লোকে নিজৰ নিজৰ ঘৰতে তেওঁলোকক কোৱাৰেণ্টাইন কৰিছে। উল্লেখ্য যে ৰূপীয়াবাথানৰ যুৱকজনৰ ঘৰত জি এম চি এইছৰ পৰা অহা এগৰাকী আলহী দুদিন থাকি যোৱাৰ কাৰণতে যুৱকজনক কোৱাৰেণ্টাইন কৰা হৈছে বুলি স্বাস্থ্য বিভাগে জনাইছে। ইয়াৰ উপৰি চামতাৰ স্বাস্থ্য বিভাগে কালি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত পূব কালাকুছি, বৰক্ষেত্ৰী বৰ্ণি, চৰিয়া, ভদ্ৰা নন্দ্ৰা নন্দৰগাঁও, মদন মোহন সখোৱাৰ মুঠ ১৫ গৰাকী লোকক নিজৰ নিজৰ ঘৰতে কোৱাৰেণ্টাইন কৰিছে।

# ধুমুহাৰ তাণ্ডৱ ঃ চিতলমাৰীৰ শতাধিক পৰিয়ালৰ বাসগৃহৰ ক্ষতিসাধন



**অগ্ৰদূত বাৰ্তা**
**শিঙৰী, ১৩ মে’ ঃ** শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ শিঙৰী অঞ্চলৰ মাজেদি পাৰ হৈ যোৱা এজাক প্ৰবল ধুমুহাই ইয়াত বিস্তৰ ক্ষতিসাধন কৰে। কালি বিয়লি ৩-৩০ মান বজাত শিঙৰীৰ মাজেৰে বৈ যোৱা প্ৰবল ধুমুহাই শিঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰেণী কোঠাৰ লগতে পুথিভঁৰাল, কম্পিউটাৰ কক্ষ আৰু চাইকেল ষ্টেণ্ডৰ টিনপাত উৰুৱাই নিয়ে। ধুমুহাজাকে শিঙৰী সমবায় সমিতিৰ কাৰ্যালয়ৰ ওপৰৰ টিনপাত উৰুৱাই নিয়ে। সেই সময়ত কাৰ্যালয়টোত কৰ্মৰত অৱস্থাত থকা সমবায় সমিতিৰ সচিব হেমপ্ৰভা শৰ্মা আৰু কৰ্মচাৰীসকল সৌভাগ্যক্ৰমে ৰক্ষা পৰে। ধুমুহাত মল্লিনাথ স্মৃতি বালিকা বিদ্যালয়ৰ গাতে লাগি থকা এজোপা প্ৰকাণ্ড গছ উভালি পৰাত বিদ্যালয়গৃহৰ ক্ষতিসাধন কৰে। ইপিনে, শিঙৰী পাহাৰ গাঁও, গোপচৰ আৰু চিতলমাৰী গাঁৱত ধুমুহাই গওঁা ৰাইজৰ বাসগৃহৰ টিনপাত উৰুৱাই নিয়ে। ধুমুহাই শিঙৰী চিতলমাৰীৰ শতাধিক পৰিয়ালৰ বাসগৃহৰ বিস্তৰ ক্ষতিসাধন কৰে। শিঙৰী তিনিআলিৰ বাতৰি কাকত বিক্ৰেতা ৰবি সাহাৰ দোকানৰ টিনপাতো উৰুৱাই নিয়ে। ধুমুহাৰ তাণ্ডৱৰ পাছত আজি বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বুয়ে শিঙৰী অঞ্চল পৰিভ্ৰমণ কৰি ক্ষয়-ক্ষতিৰ বুজ লয়।

# লাহৰীঘাটৰ টেঙাতলি চৰত বজ্ৰাঘাতত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৩ মে’ ঃ** মৰিগাঁও জিলাৰ ভেলৌগুৰি থানাৰ অন্তৰ্গত এক নম্বৰ টেঙাতলি চৰত আজি বজ্ৰঘাতত জাকিৰ হুছেইন (২৪) নামৰ এজন যুৱকৰ থিতাতে মৃত্যু হয়। দিনৰ ১১মান বজাতে এই ঘটনা সংঘটিত হয় যদিও চৰৰ পৰা জাকিৰক মৃতপ্ৰায় অৱস্থাত আবেলি দুই বজাতহে লাহৰীঘাট মহাত্মা গান্ধী আদৰ্শ হাস্পতাললৈ আনিবলৈ সক্ষম হয় পৰিয়ালৰ লোকে। কিন্তু চিকিৎসকে ইতিমধ্যে যুৱকজনৰ মৃত্যু হোৱা বুলি ঘোষণা কৰাৰ পাছত ভেলৌগুৰি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহ মৰিগাঁও জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# সমাজকৰ্মী দেবেন লেখাৰুৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ১৩ মে’ ঃ** বিহপুৰীয়াৰ সমাজকৰ্মী, অসম আন্দোলনৰ নেতা তথা বিজেপিৰ গ্ৰেটাৰ বিহপুৰীয়া মণ্ডলৰ প্ৰাক্তন সাধাৰণ সম্পাদক দেবেন লেখাৰু (৭৫)ৰ আজি মৃত্যু হয়। বিহপুৰীয়াৰ দক্ষিণ প্ৰান্তৰ বদতি জামুগুৰিত জন্মগ্ৰহণ কৰা লেখাৰুৱে বিহপুৰীয়া নগৰৰ তিনি নম্বৰ ৱাৰ্ডত স্থায়ীভাৱে বসবাস কৰিছিল। তেওঁ ১৯৯৬ৰ বিধানসভা নিৰ্বাচনত বিহপুৰীয়া সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাবে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল। বিহপুৰীয়া নগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত লেখাৰুৱে বদতি জামুগুৰিৰ নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ পদত কাৰ্যনিৰ্বাহ কৰাৰ লগতে বিহপুৰীয়া প্ৰজাপিতা ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰো অন্যতম প্ৰতিষ্ঠাপক আছিল। তেওঁৰ মৃত্যুত বিধায়ক দেবানন্দ হাজৰিকা, বিহপুৰীয়া সন্মিলিত নাট্য সমাজৰ সম্পাদক দুলাল শৰ্মা, বিজেপিৰ বিহপুৰীয়া নগৰ মণ্ডলৰ সভাপতি ৰবীন কলিতাৰ লগতে বিহপুৰীয়া শাখা সাহিত্য সভা, নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি তিনিগৰাকী কন্যা, একমাত্ৰ পুত্ৰক এৰি যায়। তেওঁৰ মৃত্যুত সৰ্বানন্দ সোণোৱালে শোক প্ৰকাশ কৰে।

# শোণিতপুৰত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ চাউল ১৭ মে’ৰ ভিতৰত বিতৰণৰ লক্ষ্য নিৰ্ধাৰণ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৩ মে’ ঃ** শোণিতপুৰ জিলা প্ৰশাসনৰ সৌজন্যত ‘ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা’ আঁচনিৰ চাউল বিতৰণৰ ক্ষেত্ৰত এক বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰশাসনে যোৱা ১২ মে’ত জাৰি কৰা নিৰ্দেশ অনুসৰি এই ক্ষেত্ৰত জিলাখনৰ সমবায় সমিতিসমূহৰ সম্পাদক আৰু সুলভ মূল্যৰ দোকানৰ গৰাকীসকলে বিশেষভাৱে মে’ৰ বাবে আবণ্টিন ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ চাউল আৰু প্ৰধানমন্ত্ৰীৰ গৰিব কল্যাণ অন্ন যোজনাৰ অধীনত অতিৰিক্তভাৱে আবণ্টিত চাউল জিলাখনৰ সমূহ ৰেছন কাৰ্ড থকা হিতাধিকাৰী পৰিয়ালৰ মাজত বিনামূল্য আৰু সঠিক পৰিমাণত চলিত মাহৰ ১২ৰ পৰা ১৭ তাৰিখৰ ভিতৰত বিতৰণ প্ৰক্ৰিয়া শেষ কৰিব লাগিব। চাউল পুৱা আঠ বজাৰ পৰা বিয়লি পাঁচ বজালৈ বিতৰণ কৰা হ’ব। উল্লেখ্য যে উক্ত বিতৰণৰ সময়ত সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য, চৰকাৰী গাঁওবুঢ়া আৰু গাঁওৰক্ষী বাহিনীৰ সদস্যসকলৰ উপস্থিতি নিশ্চিত কৰিবলৈ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উপ-সঞ্চালকে গোহাৰি যোগে প্ৰকাশ কৰিছে।

# ডেকা সত্ৰীয়া নৱজিৎ দাসৰ আৰোগ্য কামনা

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ১৩ মে’ ঃ** এক জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীত চিকিৎসাধীন হৈ থকা বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া নৱজিৎ দাসৰ আশু আৰোগ্য কামনা কৰিছে ওদালগুৰিৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰই। সত্ৰৰ সভাপতি দিনেশ চন্দ্ৰ দাস, কাৰ্যকৰী সবাপতি আৰু সম্পাদক হেমেন দাসে কয় যে সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ বৰপেটা সত্ৰক পৰিচালনাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে ডেকা সত্ৰীয়া নৱজিৎ দাসে। তেওঁৰ সুস্বাস্থ্য কেৱল বৰপেটা সত্ৰৰ বাবে নহয় সত্ৰীয়া সমাজৰ বাবেই প্ৰয়োজনীয়। তেওঁ যাতে সোনকালে আৰোগ্য লাভ কৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

# মাস্ক পৰিধান নকৰাকৈ মটৰ চাইকেল চলোৱাক জৰিমনা

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৩ মে’ ঃ** তলাবন্ধত নীতি-নিয়ম উলংঘা কৰি বাহিৰত দপদপাই ফুৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে জামুগুৰি আৰক্ষীয়ে। আজি জামুগুৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মাণিক বৰমুদৈয়ে অঞ্চলটোৰ বিভিন্ন প্ৰান্তত তলাবন্ধ উলংঘা কৰাসকলৰ বিৰুদ্ধে অভিযান চলায়। চৰকাৰী নিৰ্দেশনা উলংঘা কৰি মাস্ক পৰিধান নকৰাকৈ বাহিৰত ঘূৰি ফুৰা তথা মাস্ক নিপিন্ধাকৈ মটৰ চাইকেল চলাই ফুৰা একাংশৰ বিৰুদ্ধে আজি পুৱাৰে পৰা চলোৱা অভিযানৰ সময়ত ভালেসংখ্যক লোকক জৰিমনা বিহে। অঞ্চলটোৰ বিভিন্ন স্থানত জামুগুৰি আৰক্ষীয়ে নিয়ম উলংঘা কৰা মটৰ চাইকেল আৰোহীক ৰখাই মাস্ক নিপিন্ধাৰ বাবে পাঁচশ টকাকৈ জৰিমনা বিহে। লগতে আৰক্ষী বিষয়াই নিজাববীয়াকৈ মাস্ক আগবঢ়ায়।

# হিতাধিকাৰী বাছনিত মায়াৰচৰ পঞ্চায়তত অনিয়ম

**অগ্ৰদূত বাৰ্তা**
**বগৰীবাৰী, ১৩ মে’ ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাৰ অন্তৰ্গত মায়াৰ চৰ গাঁও পঞ্চায়তত সংঘটিত হৈছে অনিয়ম-দুৰ্নীতি। দেশজুৰি চলি থকা তলাবন্ধৰ পৰিপ্ৰেক্ষিতত ‘প্ৰধানমন্ত্ৰী গৰিব কল্যাণ যোজনাৰ’ অধীনত ৰেছন কাৰ্ড নথকা পৰিয়ালৰ বাবে বিনামূলীয়াকৈ পাঁচ কিলোগ্ৰাম চাউল আৰু এহেজাৰ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিছে যদিও এই আঁচনি ৰূপায়ণ পঞ্চায়তৰ সভাপতিয়ে স্বজন- তোষণৰ আশ্ৰয় লৈ হিতাধিকাৰী বাছনি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ মতে, চৰকাৰী নীতি-নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি পঞ্চায়ত প্ৰতিনিধিয়ে ৰেছন কাৰ্ড থকা আমজাদ আলী, তাহেজ উদ্দিন আহমেদ, সহৰ আলী, ৰমজান আলী, আশ্ৰাফুল হক আৰু আয়নাল হক, কাৰ্ড নম্বৰ ক্ৰমে ২৬৯১৮৪০, ২৬২৫৪১৯, ২৬৬৫৪৯১, ১২৬৯১৮০৬, ১১৩৩৭৭৯, ১১৩৩৯৬২ত আৰু চাকৰি কৰা লোকৰ পৰিয়ালৰ এই আঁচনিৰ অধীনত নাম বাছনি কৰি ব্যাপক অনিয়ম সংঘটিত কৰিছে।

# উৰপদ বিলৰ কণীযুক্ত মাছ ছশ টকাত বিক্ৰী ঃ নিৰ্বিকাৰ মীন বিভাগ

**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ১৩ মে’ ঃ** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত উৰপদ বিলত অবাধ গতিত চলিছে কণীযুক্ত মাছ নিধন পৰ্ব। নীৰৱ-নিৰ্বিকাৰ হৈ আছে মীন বিভাগ তথা জিলা প্ৰশাসন। মীন বিভাগৰ অকৰ্মণ্যতা তথা দুৰ্বলতাৰ সুযোগ লৈ উৰপদ বিলত একাংশই দিনে-নিশাই কণীযুক্ত মাছ কুইণ্টলে কুইণ্টলে মাৰি বিক্ৰী কৰি আহিছে যদিও বাধা দিওতা কোনো নাই। আগিয়া দ্বিতীয় খণ্ড গাঁৱৰ একাংশ লোকে অভিযোগ কৰা অনুসৰি যিটো সময়ত তলাবন্ধৰ বাবে সৰহসংখ্যক লোকে নিজ নিজ ঘৰত আবদ্ধ হৈ আছে, সেই সময়তে একাংশ দুষ্কৃতিকাৰীয়ে দিনে-নিশাই উৰপদ বিলৰ কণীযুক্ত মাছ মাৰি প্ৰতি কিলোগ্ৰামত ছশ টকা দৰত বিক্ৰী কৰি আহিছে। অভিযোগ অনুসৰি, প্ৰতিখন নাৱত ছয়-সাতজনকৈ লোক উঠি বিলৰ মাজলৈ গৈ প্ৰকাণ্ড প্ৰকাণ্ড বেৰ জালেৰে কুইণ্টলে কুইণ্টলে কণীযুক্ত মাছ মৰাৰ লগতে পৰিভ্ৰমী বিভিন্ন প্ৰজাতিৰ চৰায়ো নিধন কৰি বিক্ৰী কৰি আহিছে। অতি শীঘ্ৰে কণীযুক্ত মাছ নিধনকাৰী দুষ্কৃতিকাৰীক উপযুক্ত শাস্তি বিহিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে স্থানীয় ৰাইজে। উল্লেখ্য যে মৎস্যকুলৰ বৃদ্ধিৰ বাবে মে’ আৰু জুনত কণীযুক্ত মাছ মৰাটো মীন আইন অনুসৰি দণ্ডনীয় যদিও সেই আইন দুষ্কৃতিকাৰীয়ে যেনেদৰে উলংঘা কৰি আহিছে তেনেদৰে সংশ্লিষ্ট চৰকাৰী বিভাগসমূহেও সেই আইন কাগজৰ মাজতে আবদ্ধ হৈ থকাটো বিচাৰে। ফলত জ’ধে-মধে কণীযুক্ত মৎস্য চিকাৰৰ ফলত মৎস্যকুলৰ বংশবৃদ্ধিত ব্যাপক ব্যাঘাত জন্মিছে। অভিযোগ অনুসৰি, অবৈধভাৱে মৎস্য চিকাৰ কৰি অহা দুষ্কৃতিকাৰীৰে মীন বিভাগৰ গোপন মিতিৰালি থকাৰ ফলত চকুমুদা কুলিৰ ভাও দি আহিছে মীন বিভাগে।

# অনুমতিবিহীনভাৱে পট্টাৰ মাটি খননক লৈ প্ৰতিক্ৰিয়া

## কোকৰাঝাৰ চহৰত বন বিভাগৰ কাণ্ড

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১৩ মে’ ঃ** বিশ্বজুৰি কৰ’না ভাইৰাছৰ সংক্ৰমণ আৰু দেশত তৃতীয় পৰ্যায়ৰ তলাবন্ধ অব্যাহত থকাৰ সময়তে কোকৰাঝাৰ চহৰৰ পাথৰঘাট অঞ্চলত কোকৰাঝাৰ বন বিভাগে কোনো ধৰণৰ আগজাননী নিদিয়াকৈ তথা অনুমতি নোলোৱাকৈ এজন লোকৰ নিজৰ নাম পট্টাৰ মাটি এক্সকেভেটৰেৰে খনন কাৰ্য চলোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মাটিৰ গৰাকী অজিত পালে আজি এই সন্দৰ্ভত ‘দৈনিক অগ্ৰদূত’ৰ আগত এই বিষয়ে সদৰী কৰি কয় যে কোকৰাঝাৰ টাউন ছিটৰ তিনি নম্বৰ পট্টাৰ ৫৮৪, ৫৮৫, ৫৮৭, ৬০১ আৰু ৬০৬ নম্বৰ দাগৰ মুঠ ছয় বিঘা এক কঠা দুই লেচা মাটিত কোকৰাঝাৰ বন বিভাগৰ দ্বাৰা নিয়োজিত যোৱা সাত মে’ আৰু আঠ মে’ত এ এছ-১৬ এ চি-০৯০৭ নম্বৰৰ এক্সকেভেটৰ এখনৰ লগতে ক্ৰমে এ এছ-১৬ এ চি-০৪৪৩, এ এছ-১৬ এ চি-০৬৩৮, এ এছ-১৬ এ চি-০২৬৮, এ এছ-১৬ চি-৫৩৭৪, এ এছ-১৬ চি-৫৩৭৬, এ এছ-১৭ বি-৫৩১৯সহ মুঠ ১৩খন ট্ৰেক্টৰেৰে বিনা অনুমতিত মাটি খান্দি লৈ যায়। এই কাৰ্যই অজিত পালৰ লগতে অঞ্চলটোৰ জনগণৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এয়া সম্পূৰ্ণ বেআইনী বুলি অঞ্চলটোৰ ৰাইজে দাবী কৰিছে। মাটিৰ গৰাকী অজিত পালে এই সন্দৰ্ভত কোকৰাঝাৰ বন বিভাগৰ সংশ্লিষ্ট বিষয়াৰ স’তে সাক্ষাৎ কৰি মৌখিকভাৱে অভিযোগ উত্থাপন কৰে যদিও বিষয়াজনে ৰাজ্যপালৰ শাসন অধীনলৈ যোৱা বি টি এ ডি শাসনৰ দায়িত্ব লোৱা প্ৰশাসনিক বিষয়াৰ চৰকাৰী বাসভৱনত মাটি দিয়াৰ বাবে মাটি কাটি অনা হৈছে বুলি জনায়। এই ঘটনাই মাটিৰ গৰাকী পালক অবাক কৰাই নহয়, এনেকৈ নিজৰ নামৰ পট্টা মাটি কোনো ধৰণৰ আগজাননী নিদিয়াকৈ আৰু অনুমতিবিহীনভাৱে কাটি লৈ যোৱা ঘটনাই বি টি এ ডিত যে সৰ্বসাধাৰণ জনগণৰ জীৱন আৰু সম্পত্তি যে কোনো মূল্য নাই সেয়া আকৌ এবাৰ স্পষ্ট হৈ পৰিছে। ইপিনে, পালে আইনৰ আশ্ৰয় লোৱাৰ বাবেও সাজু হৈছে।





# অনুশীলনৰ সুযোগ দিব লাগে শ্বুটাৰক ঃ নাৰংগ

## শ্বুটিং সামাজিক দূৰত্ব ৰক্ষা কৰা খেল



**নতুন দিল্লী, ১৩ মে' ঃ** প্ৰায় দুমাহ ধৰি লক ডাউন চলি থকাত কোনো খেলুৱৈয়ে অনুশীলন কৰিব পৰা নাই। কিন্তু এতিয়া কৰ'নাৰ পৰা ৰক্ষা পোৱাৰ নীতি-নিৰ্দেশনা মনি চলিয়েই অনুশীলন কৰিব বিচাৰিছে ক্ৰীড়াবিদসকলে। আজি এই বিষয়ে অলিম্পিক পদক জয়ী শ্বুটাৰ গগণ নাৰঙে কয় যে শ্বুটিং সামাজিক দূৰত্ব ৰক্ষা কৰা খেল গতিকে শ্বুটাৰক অনুশীলনৰ সুযোগ দিব লাগে। ইফালে, নিৰ্ধাৰিত সময়তকৈ এবছৰ পিছুৱাই গৈছে টকিঅ' অলিম্পিক। কিন্তু এয়া খেলুৱৈৰ প্ৰদৰ্শনত প্ৰভাৱ নপৰে বুলি ভাবে দেশৰ তাৰকা শ্বুটাৰ নাৰঙে। আনহাতে, আসন্ন টকিঅ' অলিম্পিকত শ্বুটিঙৰ জৰিয়তে ভাৰতে সোণৰ পদক লাভ কৰাৰ সম্ভাৱনা আছে বুলিও ব্যক্ত কৰিছে গগনে। উল্লেখ্য যে 2008 ৰ বেইজিং অলিম্পিকত বিন্দ্ৰাই শ্বুটিঙত সোণ লাভ কৰিছিল আৰু এয়া ভাৰতৰ অলিম্পিকত একমাত্ৰ ব্যক্তিগত সোণ। 'এইবাৰ আমি অভিলেখ সংখ্যক 15 টা অলিম্পিক কোটা শ্বুটিঙত লাভ কৰিছো। গতিকে পদক জয়ৰ সম্ভাৱনা আছে। শ্বুটিঙৰ পৰা সোণ লাভৰ সাফল্যও আহিব পাৰে ভাৰতলৈ।' নাৰঙে ব্যক্ত কৰে। উল্লেখ্য যে বিগত ৰিঅ' অলিম্পিকক বাদ দি ভাৰতে ক্ৰমাগত তিনিখন অলিম্পিকত শ্বুটিঙত পদক লাভ কৰিছে। 2004 ৰ এথেন্স অলিম্পিকত ৰাজ্যবৰ্দ্ধন ৰাথোৰে ৰূপৰ পদক লাভ কৰাৰ পাছত 2008 ৰ বেইজিং অলিম্পিকত বিন্দ্ৰাই সোণ লাভ কৰিছিল। আনহাতে, 2012 ৰ লণ্ডন অলিম্পিকত বিজয় কুমাৰে ৰূপ লাভ কৰাৰ লগতে গগন নাৰঙে ব্ৰঞ্জৰ পদক লাভ কৰে। 2016 ৰ ৰিঅ' অলিম্পিকত এই গৌৰৱময় যাত্ৰাৰ অন্ত পৰে। কিন্তু আসন্ন টকিঅ' অলিম্পিকত শ্বুটিঙৰ জৰিয়তে ভাৰতে সোণৰ পদক লাভ কৰাৰ সম্ভাৱনা আছে বুলি ব্যক্ত কৰিছে নাৰঙে।



## অৰ্জুন বঁটাৰ বাবে বুমৰাহৰ নাম প্ৰেৰণ কৰিব বি চি চি আয়ে

**নতুন দিল্লী , ১৩ মে' ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব'ৰ্ডে এইবাৰ অৰ্জুন বঁটাৰ বাবে পেচাৰ যশপ্ৰীত বুমৰাহৰ নাম প্ৰেৰণ কৰাৰ সম্ভাৱনা আছে। আনহাতে, ব'ৰ্ডৰ দ্বিতীয় পচন্দৰ খেলুৱৈ হ'ব পাৰে বেটছমেন শিখৰ ধৱন। উল্লেখ্য যে কেন্দ্ৰীয় ক্ৰীড়া বিভাগে ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাৰ আবেদন প্ৰেৰণৰ দিন অলপতে বৃদ্ধি কৰিছিল। লক ডাউনৰ বাবেই এয়া কৰা হৈছে। সেই অনুসৰি খেলুৱৈ তথা ফেডাৰেছনে ইমেইল প্ৰেৰণ কৰি খেলৰত্ন, অৰ্জুন বঁটা, দ্ৰোণাচাৰ্য বঁটা আদিৰ বাবে আবেদন অহা তিনি জুনলৈ প্ৰেৰণ কৰিব পাৰিব। পূৰ্বে এপ্ৰিলৰ পৰাই এই পক্ৰিয়া আৰম্ভ হয় যদিও কৰ'নাৰ বাবে এইবাৰ বাধা আহি পৰে। ইফালে, ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব'ৰ্ডে মহিলা ক্ৰিকেটাৰৰ শিতানত এইবাৰ অৰ্জুন বঁটাৰ বাবে নাম প্ৰেৰণ কৰিব শিখা পাণ্ডে আৰু দিপ্তী শৰ্মাৰ। উল্লেখ্য যে বুমৰাহৰ নাম বিগত বৰ্ষতো প্ৰেৰণ কৰা হৈছিল। কিন্তু জ্যেষ্ঠৰ ভিত্তিত ৰবীন্দ্ৰ জাডেজাক নিৰ্বাচন কৰা হৈছিল অৰ্জুন বঁটাৰ বাবে। বুমৰাহ আৰু জাডেজাৰ লগত যোৱা বছৰ প্ৰেৰণ কৰিছিল মহম্মদ ছামিৰ নামো। ইফালে, শিখৰ ধৱনৰ বাদে টীম ইণ্ডিয়াৰ জ্যেষ্ঠ সকলো ক্ৰিকেটাৰে অৰ্জুন বঁটা লাভ কৰিছে। বিৰাট কোহলি, ৰোহিত শৰ্মা, অজিংক্য ৰাহানে, ৰবিচন্দ্ৰন অশ্বিন, চেতেশ্বৰ পূজাৰাই ইতিমধ্যে অৰ্জুন বঁটা গ্ৰহন কৰিছে। উল্লেখ্য যে বুমৰাহে 14 খন টেষ্টত 68 টা উইকেট, 64 খন এদিনীয়াত 104 টা উইকেট আৰু 50 খন টি-20 মেচত 59 টা উইকেট দখল কৰিছে।



### টেষ্টত আজহাৰে দিব নেতৃত্ব

## পাকিস্তান ক্ৰিকেট দলৰ নতুন অধিনায়ক বাবৰ

**লাহোৰ, ১৩ মে' ঃ** পাকিস্তান ক্ৰিকেট দলৰ নতুন অধিনায়ক হ'ব বাবৰ আজম। আজি পাকিস্তান ক্ৰিকেট ব'ৰ্ডে এই সন্দৰ্ভত কয় যে বাবৰ আজমে দলক এদিনীয়া আৰু টি-20 মেচত নেতৃত্ব দিব। বিপৰীতে আজাহাৰ আলী পূৰ্বৰ দৰেই টেষ্ট ক্ৰিকেটত পাকিস্তান দলৰ অধিনায়ক হৈ থাকিব। উল্লেখ্য যে ছৰফৰাজ আহমেদৰ স্থানত পাকিস্তান ক্ৰিকেট দলৰ নতুন অধিনায়ক ৰূপে বাবৰ আজমক দায়িত্ব দিয়া হৈছে। পাকিস্তান ক্ৰিকেট দলৰ মূখ্য নিৰ্বাচক মিছবাহ উল হকে এদিনীয়া আৰু টি-20 ৰ অধিনায়ক বাবৰ আজম তথা টেষ্ট অধিনায়ক আজাহাৰ আলীক শুভেচ্ছা জনাইছে। চলিত বৰ্ষত পকিস্তান ক্ৰিকেট দলে আয়াৰলেণ্ড, ইংলণ্ড, দক্ষিণ আফ্ৰিকা, জিম্বাব'ৱে আৰু নিউজিলেণ্ড ভ্ৰমণ কৰিব। আনহাতে, এদিনীয়া আৰু টি-20 মেচত নেতৃত্ব দিব লগা বাবৰৰ বাবে অগ্নিপৰীক্ষা হ'ব আই চি চি টি-20 বিশ্বকাপ তথা এছিয়া কাপ। উল্লেখ্য যে মেচ ফিক্সিং ঘটনাই হাহাকাৰ লগাইছে পাকিস্তান ক্ৰিকেটত।

### দেশত বিভিন্ন খেলত প্ৰতিভাৱান খেলুৱৈ আছে

## অলিম্পিকত ব্যক্তিগত সোণ এতিয়া সময়ৰহে অপেক্ষা ঃ বিন্দ্ৰা



**নতুন দিল্লী, ১৩ মে' ঃ** অলিম্পিকত ভাৰতৰ দ্বিতীয়টো ব্যক্তিগত সোণৰ পদকৰ বাবে এতিয়া সময়ৰহে অপেক্ষা বুলি ব্যক্ত কৰিছে অভিনব বিন্দ্ৰাই। উল্লেখ্য যে ভাৰতক প্ৰথমটো অলিম্পিক ব্যক্তিগত সোণ দিছিল অভিনবে। আজিও সেই গৌৰৱ অভিনবৰ লগতে আছে। 2008 ৰ বেইজিং অলিম্পিকত বিন্দ্ৰাই শ্বুটিঙত সোণ লাভ কৰিছিল। কিন্তু পৰবৰ্তী দুখন অলিম্পিকত ভাৰতে পদক লাভ কৰে যদিও সোণ অৰ্জন কৰা নাই। কিন্তু আসন্ন টকিঅ' অলিম্পিকত শ্বুটিঙৰ লগতে অন্য খেলতো ভাৰতে ব্যক্তিগত সোণ লাভ কৰাৰ আশা আছে বুলি কয় বিন্দ্ৰাই। 'এতিয়া দেশত বিভিন্ন খেলত প্ৰতিভাৱান খেলুৱৈ আহিছে। মই নাভাবো বা আশাও নকৰো অলিম্পিকত ব্যক্তিগত সোণ লাভৰ গৌৰৱ কেৱল মোৰ লগতে থাকক। টকিঅ' অলিম্পিকত আমি নতুন গৌৰৱ পাম। কেৱল অপেক্ষা কৰিব লাগিব।' বিন্দ্ৰাই ব্যক্ত কৰে। উল্লেখ্য যে বিগত ৰিঅ' অলিম্পিকক বাদ দি ভাৰতে ক্ৰমাগত তিনিখন অলিম্পিকত শ্বুটিঙত পদক লাভ কৰিছে। 2004 ৰ এথেন্স অলিম্পিকত ৰাজ্যবৰ্দ্ধন ৰাথোৰে ৰূপৰ পদক লাভ কৰাৰ পাছত 2008 ৰ বেইজিং অলিম্পিকত বিন্দ্ৰাই সোণ লাভ কৰিছিল। আনহাতে, 2012 ৰ লণ্ডন অলিম্পিকত বিজয় কুমাৰে ৰূপ লাভ কৰাৰ লগতে গগন নাৰঙে ব্ৰঞ্জৰ পদক লাভ কৰে। কিন্তু ৰিঅ'ত এই গৌৰৱময় যাত্ৰাৰ অন্ত পৰে। উল্লেখ্য যে 1980 ত ভাৰতে হকীৰ অলিম্পিক সোণ লাভ কৰাৰ পাছত 2008 ৰ বেইজিং অলিম্পিকত বিন্দ্ৰাই শ্বুটিঙত সোণ লাভ কৰিছিল আৰু এয়া ভাৰতৰ অলিম্পিকত একমাত্ৰ ব্যক্তিগত সোণ। তাৰপাছত ভাৰতৰ দখললৈ অহা নাই অলিম্পিক সোণ।

## ১৮ মে'ৰ পৰাই দলীয় সতীৰ্থৰ লগত ৰোণাল্ডোৰ অনুশীলন



**টুৰিণ, ১৩ মে' ঃ** স্পেইনত বাৰ্চিলোনাৰ তাৰকা লিয়োনেল মেছিয়ে অনুশীলন আৰম্ভ কৰিছে যদিও এতিয়াও খেলপথাৰত নমা নাই ক্ৰিষ্টিয়ানো ৰোনাল্ডো। উল্লেখ্য যে ইতিমধ্যে পৰ্তুগালৰ পৰা আহি ইটালীত উপস্থিত হৈছে জুভেণ্টাছৰ তাৰকা ৰোনাল্ডো। কিন্তু ইটালীত উপস্থিত হৈ 14 দিন হোটেলৰ কোঠাতে সোমাই আছে চি আৰ ছেভেন। কৰ'নাৰ বাবে এয়া চৰকাৰী নিয়ম। যোৱা চাৰি মে'ত ইটালীত উপস্থিত হোৱা ৰোনাল্ডোই অহা 18 মে'ৰ পৰা অনুশীলন আৰম্ভ কৰিব পাৰে। কাৰণ সিদিনাই 14 দিন পূৰ্ণ হ'ব জুভেণ্টাছৰ তাৰকাজনৰ। আনহাতে, দলীয় অনুশীলনো আৰম্ভ হ'ব 18 মে'ৰ পৰাই। উল্লেখ্য যে কৰ'না ভাইৰাছৰ বাবে মাজতে বন্ধ হৈছিল ইটালীয়ান ফুটবল লীগ। তেতিয়াৰে পৰাই ইটালী ত্যাগ কৰি পৰ্তুগালৰ নিজৰ ঘৰলৈ যায় ৰোনাল্ডো। সম্পূৰ্ণ দুমাহ ঘৰত থকাৰ পাছত পুনৰ ইটালীত ভৰি দিছে ৰোনাল্ডোই। তেওঁৰ লগত বান্ধবী আৰু দুই সন্তানো আহিছে ইটালীলৈ। উল্লেখ্য যে যোৱা ন মাৰ্চৰ পৰা ইটালীত বন্ধ হৈ আছে ফুটবল। ৰোনাল্ডোই জুভেণ্টাছৰ হৈ অন্তিম মেচ খেলিছিল যোৱা আঠ মাৰ্চত ইণ্টাৰ মিলানৰ বিৰুদ্ধে। এই মেচখনত 2-0 ত জয়ী হয় জুভেণ্টাছ। উল্লেখ্য যে যোৱা ছিজনত ইটালীয়ান লীগৰ বৰ্ষ শ্ৰেষ্ঠ বঁটা গ্ৰহন কৰে পৰ্তুগালৰ ষ্ট্ৰাইকাৰজনে। স্পেইনৰ ৰিয়াল মাদ্ৰিদৰ পৰা আহি ইটালীৰ জুভেণ্টাছত যোগ দিয়া চি আৰ ছেভেনে ছিৰি এ লীগৰ অভিষেক বৰ্ষতেই শ্ৰেষ্ঠত্বৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। 34 বছৰীয়া ৰোনাল্ডোই ইটালীয়ান লীগত জুভেণ্টাছৰ হৈ [illegible] টা গ'ল কৰিছিল।

## হকীৰ আন্তৰ্জাতিক সূচী বন্ধ

**নতুন দিল্লী ,১৩ মে' ঃ** ভাৰতীয় হকী ফেডাৰেছনে কৰ'না ভাইৰাছৰ বাবে সকলো আন্তৰ্জাতিক কাৰ্যসূচী বন্ধ কৰাৰ কথা কেন্দ্ৰীয় ক্ৰীড়া বিভাগক জনাইছে। উল্লেখ্য যে ভাৰতীয় হকী ফেডাৰেছনৰ সকলো আন্তৰ্জাতিক কাম-কাজত খৰছ বহন কৰে কেন্দ্ৰীয় ক্ৰীড়া বিভাগে। কিন্তু কৰ'না ভাইৰাচৰ বাবে যিহেতু সম্প্ৰতি ভাৰতীয় হকী ফেডাৰেছনৰ আন্তৰ্জাতিক কাৰ্যসূচী বন্ধ হৈছে সেয়ে কেন্দ্ৰীয় ক্ৰীড়া বিভাগক জনাইছে ধনৰ আবন্তন বন্ধ ৰাখিবলৈ। স্থগিত হোৱা সূচীৰ ভিতৰত আছে জুনিয়ৰ মহিলাৰ এছিয়া কাপ। ছয় এপ্ৰিলৰ পৰা এই প্ৰতিযোগিতা জাপানত হোৱাৰ কথা আছিল। ইফালে, ছিনিয়ৰ মহিলা দলৰ নেদাৰলেণ্ড, জাৰ্মানী, ইংলণ্ড ভ্ৰমণ বন্ধ হৈছে। 11 এপ্ৰিলৰ পৰা আছিল এই ভ্ৰমণ। অহা 24 এপ্ৰিলৰ পৰা ভাৰতীয় ছিনিয়ৰ পুৰুষ হকী দলে জাৰ্মানী আৰু ইংলণ্ড ভ্ৰমণ কৰাৰ কথা আছিল যদিও সেয়াও বন্ধ হয় কৰ'না ভাইৰাচৰ বাবে। জুনৰ প্ৰথম সপ্তাহত ঢাকাত হ'ব লগা জুনিয়ৰ ল'ৰাৰ এছিয়া কাপো সম্প্ৰতি স্থগিত ৰখা হৈছে। 14 জুনৰ পৰা কোৰিয়াত হ'ব লগা ছিনিয়ৰ মহিলাৰ এছিয়ান চেম্পিয়নশ্বিপ সম্প্ৰতি স্থগিত হৈছে। আনহাতে, জুনিয়ৰ ছোৱালীৰ আয়াৰলেণ্ড ভ্ৰমনো বাতিল কৰা হৈছে। অহা 14 জুনৰ পৰা আছিল এই প্ৰতিযোগিতা।

# ধোনিৰ প্ৰশংসাত পঞ্চমুখ গ্ৰেগ চেপেল



## বিশ্বশ্ৰেষ্ঠ বিস্ফোৰক বেটছমেন আখ্যা

**মুম্বাই, ১৩ মে' ঃ** ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনিৰ অৱসৰ বিষয়টো বিগত ছমাহ ধৰি চৰ্চিত হৈ আছে যদিও বিশ্ব ক্ৰিকেটৰ অন্যতম সফল অধিনায়ক তথা বিস্ফাৰক বেটছমেন লগতে অনন্য উইকেটৰক্ষক ধোনিক অৱসৰ দিয়া বিষয়টো ঠিক নহ'ব বুলি ব্যক্ত কৰিছে ভাৰতীয় দলৰ প্ৰাক্তন প্ৰশিক্ষক অষ্ট্ৰেলিয়াৰ গ্ৰেগ চেপেলে। 2005-2007 লৈ টীম ইণ্ডিয়াৰ প্ৰশিক্ষক হৈ থকা তথা জ্যেষ্ঠ ক্ৰিকেটাৰৰ লগত মতবিৰোধ হৈ ভাৰত ত্যাগ কৰা চেপেলে লগতে কয় যে যদি ধোনিয়ে এবাৰ অৱসৰ লয় তেন্তে পুনৰ তেওঁ ক্ৰিকেটলৈ উভতি নাহে। এয়া বিশ্ব ক্ৰিকেটৰ বাবে লোকচান। ধোনি এজন কিংবদন্তী ক্ৰিকেটাৰ। এনে কিংবদন্তী ক্ৰিকেটাৰ বিশ্ব ক্ৰিকেটত কিছু সময় থকাতো প্ৰয়োজন। নৱাগত বাবে ধোনি আদৰ্শ। সেয়ে তেওঁক এতিয়াই অৱসৰ দিয়া বিষয়টো ঠিক নহ'ব। 'ধোনি মই দেখা বিশ্বৰ শক্তিশালী বেটছমেন। শ্ৰীলংকাৰ বিৰুদ্ধে খেলা 183 ৰাণৰ ইনিংছৰ কথা আজিও মনত আছে।' চেপেলে কয়। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট দলৰ হৈ ধোনিয়ে অন্তিম মেচ খেলিছিল আই চি চি বিশ্বকাপৰ ছেমিফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে। তাৰপাছত ক্ৰিকেটৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি আছে। আসন্ন আই পি এলৰ বাবে ধোনিয়ে প্ৰস্তুতি চলাই আছিল যদিও কৰ'না ভাইৰাছৰ বাবে এতিয়া আই পি এল অনিশ্চয়তাত। ফলত 39 বছৰীয়া ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনিৰ অৱসৰ বিষয়টো বিগত ছমাহ ধৰি চৰ্চিত হৈ আছে। বিশ্ব ক্ৰিকেটৰ অন্যতম সফল অধিনায়ক তথা বিস্ফাৰক বেটছমেন লগতে অনন্য উইকেটৰক্ষক ধোনিয়ে পুনৰ টীম ইণ্ডিয়াৰ হৈ খেলিব নে নাই তাৰ কোনো নিশ্চয়তাও নাই। ইতিমধ্যে টেষ্টৰ পৰা অৱসৰ লোৱা ধোনিয়ে জাতীয় দলৰ হৈ বিগত সময়ছোৱাত এদিনীয়া আৰু টি-20 ক্ৰিকেটো খেলা নাই।

## কেৱল ভাৰতীয় ক্ৰিকেটাৰক লৈ আই পি এল নহয় ঃ চি এছ কে

**চেন্নাই, ১৩ মে' ঃ** চেন্নাই ছুপাৰকিংছে কেৱল ভাৰতীয় ক্ৰিকেটাৰক লৈ আই পি আয়োজন কৰাৰ ফৰ্মুলা অগ্ৰাহ্য কৰিছে। উল্লেখ্য যে তিনিবাৰকৈ আই পি এলৰ খিতাপ দখল কৰা চেন্নাই ছুপাৰকিংছে এই সন্দৰ্ভত কয় যে এয়া মানি ল'ব নোৱাৰি তথা প্ৰতিযোগিতাৰ মৰ্জদাও লাঘৱ হ'ব। ভাৰতৰ জাতীয় টি-20 প্ৰতিযোগিতা ছৈয়দ মুস্তাক আলী ক্ৰিকেট ভাৰতীয় ক্ৰিকেটাৰৰে খেলে। কিন্তু আই পি এল এখন আন্তৰ্জাতিক প্ৰতিযোগিতা। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতীয় ক্ৰিকেটাৰক লৈ আই পি আয়োজন কৰাৰ ফৰ্মুলা দিছিল প্ৰথম বছৰে আই পি এলৰ খিতাপ দখল কৰা ৰাজস্থান ৰয়েলছ দলে। উল্লেখ্য যে কৰ'নাৰ বাবে দেশত লকডাউন চলি থকাত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আই পি এল অনিৰ্দিষ্ট সময়লৈ পিছুৱাই দিছে। 13 সংখ্যক আই পি এল পূৰ্বে 29 মাৰ্চৰ পৰা আৰম্ভ হোৱাৰ কথা আছিল। কিন্তু কৰ'নাৰ ভাইৰাছৰ ভয়াবহতাৰ বাবে প্ৰথমে লীগ স্থগিত কৰাৰ সিদ্ধান্ত লয় ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব'ৰ্ডে। ইয়াৰপূৰ্বে 15 এপ্ৰিলৰ পৰা 13 সংখ্যক আই পি এলৰ মেচ আৰম্ভ হ'ব বুলি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব'ৰ্ডে জনাইছিল যদিও দেশত লকডাউন বৃদ্ধি কৰাৰ লগে লগে ব'ৰ্ডে আই পি এল অনিৰ্দিষ্ট সময়লৈ পিছুৱাই দিছে।



## একক অনুশীলনৰ অনুমতি বিচাৰিছে হকী খেলুৱৈয়ে

**নতুন দিল্লী ,১৩ মে' ঃ** আসন্ন টকিঅ' অলিম্পিকলৈ প্ৰস্তুতি কৰি থকা ভাৰতীয় হকী দলৰ শিবিৰ সম্প্ৰতি বন্ধ। উল্লেখ্য যে ভাৰতীয় পুৰুষ আৰু মহিলা হকী দলে টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে। কিন্তু এতিয়া অলিম্পিক পিছুৱাই গৈছে তথা দেশত কৰ'না ভাইৰাছৰ বাবে লক ডাউন চলি আছে। সেয়ে শিবিৰ বন্ধ কৰি ছাইৰ অতিথিশালাতে আছে খেলুলৈসকল। অৱশ্যে অনলাইন প্ৰস্তুতি শিবিৰ চলাই ৰাখিছে। কিন্তু পৰিৱেশ ক্ৰমাত স্বাভাৱিক হোৱাত পুনৰ খেলপথাৰলৈ যোৱাৰ বাবে কেন্দ্ৰীয় ক্ৰীড়া বিভাগক আবেদন কৰিছে খেলুৱৈ তথা হকী সন্থাই। সমাজিক দুৰত্ব ৰক্ষা কৰি এককভাবে খেলুৱৈয়ে অনুশীলন কৰিব



বুলি কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী কিৰেণ ৰিজিজুক পত্ৰযোগে আবেদন কৰিছে খেলুৱৈসকলে। উল্লেখ্য যে ভাৰতীয় হকী ফেডাৰেছনে কৰ'না ভাইৰাছৰ বাবে সকলো আন্তৰ্জাতিক কাৰ্যসূচী বন্ধ কৰিছে।পৰৱৰ্তী সময়ত নতুন সূচী প্ৰস্তুত কৰি থাকি যোৱা আন্তৰ্জাতিক কাৰ্যসূচী পুনৰ ঘোষণা কৰা হ'ব। উল্লেখ্য যে অহা জুলাইলৈ নহয় ভাৰতীয় হকী ফেডাৰেছনৰ কোনো আন্তৰ্জাতিক কাৰ্যসূচী।

## মানসিকভাৱে শক্তিশালী হ'লেহে আমি বিশ্বকাপ জয় কৰিম ঃ ঝুলন



**কলকাতা, ১৩ মে' ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে বিশ্বকাপ দখল কৰিবলৈ মানসিকভাবে অধিক শক্তিশালী হ'ব লাগিব বুলি ব্যক্ত কৰিছে প্ৰাক্তন অধিনায়িকা ঝুলন গোস্বামীয়ে। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে আই চি চিৰ এদিনীয়া আৰু টি-20 বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিও খিতাপ দখল কৰিবলৈ সক্ষম নহ'ল। 'টি-20 বিশ্বকাপৰ ফাইনেলত আমি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হৈছো। অথচ লীগত আমি অষ্ট্ৰেলিয়াক হৰুৱাইছিলো। আনহাতে, এদিনীয়াৰ বিশ্বকাপৰ ফাইনেলত আমি জয়ৰ কাষলৈ গৈয়ো মানসিক দৃঢ়তা নথকা বাবেই ইংলণ্ডৰ হাতত অপ্ৰত্যাসিত পৰাজয়ৰ সন্মুখীন হওঁ।' ঝুলনে কয়। তেওঁ সতীৰ্থ মিতালী ৰাজক সমৰ্থন কৰি দেশত মহিলা আই পি এল আয়োজন কৰাৰ কথাও ব্যক্ত কৰিছে। উল্লেখ্য যে ভাৰতৰ মহিলা ক্ৰিকেটাৰ মিতালী ৰাজে দেশত মহিলা আই পি এল অনুষ্ঠিত কৰিবলৈ বি চি চি আইক অনুৰোধ জনাইছে। 'আসন্ন 13 সংখ্যক আই পি এল এতিয়া কেতিয়া হ'ব তাৰ কোনো নিশ্চয়তা নাই। এইসময়ত ষ্টেডিয়ামত দৰ্শক আহিব নোৱাৰে। কিন্তু মহিলা আই পি এল হ'লে ক্ৰিকেটাৰ উপকৃত হ'ব। আমাৰ দেশত মহিলা ক্ৰিকেট ষ্টেডিয়ামলৈ উপভোগ কৰিবলৈ অহা দৰ্শকৰ সংখ্যাও কম।' মিতালীয়ে কয়। উল্লেখ্য যে পূৰ্বৰ সূচী অনুসৰি অহা 29 মাৰ্চৰ পৰা আৰম্ভ হ'ব লাগিছিল 13 সংখ্যক আই পি এল। কিন্তু কৰ'না ভাইৰাছৰ প্ৰভাৱত পৰা আসন্ন 13 সংখ্যক আই পি এল এতিয়া কেতিয়া হ'ব তাৰ কোনো নিশ্চয়তা নাই।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/018-20

গুৱাহাটী, ১৪ মে', ২০২০ বৃহস্পতিবাৰ পৃষ্ঠা ১২




## বিক্ৰী নোহোৱাত অভিনৱ পন্থা ল'লে প্ৰস্তুতকাৰী কোম্পানীয়ে

# জাৰ্মানীত বিনামূলীয়াকৈ বিতৰণ কৰিছে বীয়েৰ

**নিউজ ব্যুৰ'**
**বাৰ্লিন, ১৩ মে' ঃ** কৰ'না ভাইৰাছৰ কোপত পৰি বিশ্বৰ প্ৰায় প্ৰতিখন দেশৰে ব্যৱসায়-বাণিজ্যৰ অৱস্থা শোচনীয় হৈ পৰিছে। তলাবন্ধৰ বাবে ৰেস্তোৰাঁ-হোটেল আদি বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ আছে। ইয়াৰে কিছুমান সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। জাৰ্মানীও ইয়াৰ ব্যতিক্ৰম নহয়। অন্যান্য ব্যৱসায়িক প্ৰতিষ্ঠানৰ দৰে কৰ'নাৰ বাবে বিপদত পৰিছে জাৰ্মানীৰ বীয়েৰ উৎপাদনকাৰী কোম্পানীসমূহো। হেজাৰ হেজাৰ লিটাৰ বীয়েৰ নষ্ট হোৱাৰ উপক্ৰম হৈছে। শেষত উপায় নেদেখি বিনামূলীয়াকৈ বীয়েৰ বিতৰণ কৰিবলৈ আৰম্ভ কৰিছে এটা কোম্পানীয়ে।

বিভিন্ন কোম্পানীয়ে বিক্ৰীৰ অভাৱত বীয়েৰ পেলাই দিবলৈ বাধ্য হৈছে। ইয়াৰ বিপৰীতে বীয়েৰ পেলাই দিয়াৰ পৰিৱৰ্তে বিনামূল্যে বিতৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে ভিলিংগাৰ ব্ৰাইহাউছ নামৰ জাৰ্মান বীয়েৰ উৎপাদনকাৰী কোম্পানীটোৱে। ইতিমধ্যে জাৰ্মানীৰ হেছে ৰাজ্যত এই কোম্পানীটোৱে দুহেজাৰ ছশ লিয়াৰ বীয়েৰ বিনামূলীয়াকৈ বিতৰণ কৰিছে। কোম্পানীটোৰ স্বত্বাধিকাৰ ফ্ৰাঞ্জ মাষ্টে সংবাদ মাধ্যমৰ আগত কয়, 'আমি জনগণক ধন্যবাদ জনাব বিচাৰো। আমি আশা ৰাখিছো, এতিয়া যিসকল আহিছে, তেওঁলোকে যাতে পৰিস্থিতি স্বাভাৱিক হোৱাৰ পাছতো এইদৰেই আমাৰ স'তে থাকে।' উল্লেখ্য যে এই বীয়েৰসমূহ বিভিন্ন অঞ্চলৰ ৰেস্তোৰাঁ, বাৰ আৰু হোটেললৈ সৰবৰাহ কৰাৰ কথা আছিল। কিন্তু কৰ'না মহামাৰীৰ ধ্বংসলীলাৰ কাৰণে সকলোবোৰ বন্ধ হৈ পৰাত ভিলিংগাৰ ব্ৰাইহাউছ কোম্পানী বিপদত পৰে। এতিয়া অৱশ্যে লাহে লাহে জাৰ্মানীৰ বিভিন্ন ৰাজ্যৰ সকলোবোৰ ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয় খুলিবলৈ আৰম্ভ কৰিছে। ফলত পৰিস্থিতি সম্পূৰ্ণৰূপে স্বাভাৱিক হোৱাৰ পূৰ্বে কোম্পানীটোৱে নতুন বীয়েৰ উৎপাদন কৰিব লাগিব।

উল্লেখ্য যে কোম্পানীটোৱে ব্যৱস্থা কৰা বিভিন্ন বিতৰণ কেন্দ্ৰৰ পৰা বিনামূলীয়া বীয়েৰ সংগ্ৰহৰ বাবে যথেষ্ট ভিৰ পৰিলক্ষিত হয়। প্ৰতিদিনে সামাজিক দূৰত্ব বজাই ৰখা, মাস্ক পৰিধান আদি নানা নিৰ্দেশনা মানি চলি পুৱাৰ পৰাই অসংখ্য লোকে শাৰী পাতি থিয় দি বীয়েৰ সংগ্ৰহ কৰা দেখা গৈছে। এইদৰে বীয়েৰ নিবলৈ অহা নাটালী ইউলিউছ নামৰ মহিলাগৰাকীয়ে কয়, 'আশা কৰো আমি বীয়েৰ লৈ যোৱা কোম্পানীটোৰ উপকাৰ হ'ব। আৰু আমিও বিয়লি বাগিচাত ৰ'দত বহি এই স্বাদিষ্ট ভিলিংগাৰ বীয়েৰ পান কৰিব পাৰিম।'

উল্লেখ্য যে কৰ'না অতিমাৰীয়ে অন্যান্য ক্ষেত্ৰৰ লগতে জাৰ্মানীৰ বীয়েৰ উৎপাদনতো ব্যাপক প্ৰভাৱ পেলাইছে। গ্ৰীষ্মকালত সমগ্ৰ জাৰ্মানীতে নানা ধৰণৰ বীয়েৰ উৎসৱৰ আয়োজন কৰা হয়। কিন্তু এইবাৰ বাভাৰিয়াৰ ৰাজ্যৰ বিখ্যাক অক্টোবৰ ফেষ্ট সহ আন সকলো বীয়েৰ উৎসৱ ইতিমধ্যে বাতিল কৰা হৈছে। ইয়াৰ উপৰি চীন আৰু ইটালীলৈ বীয়েৰ ৰপ্তানি বন্ধ হৈ পৰিছে। এনে পৰিস্থিতিত এই ক্ষেত্ৰখনত বৃহৎ খহনীয়া হোৱাৰ আশংকা ব্যক্ত কৰিছে জাৰ্মানীৰ বীয়েৰ উৎপাদকসকলৰ সংগঠন ডয়চে ব্ৰাউৰাৰ বুণ্ডেয়ে।

# ১১৩ বছৰত কৰ'না-জয়ৰ অভিলেখ

## স্পেইনৰ সবাতোকৈ বয়সীয়া বৃদ্ধা হ'ল ৰোগমুক্ত



**নিউজ ব্যুৰ'**
**মাদ্ৰিদ, ১৩ মে' ঃ** অতিমাৰী কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ক্ষেত্ৰত সবাতোকৈ বিপদৰ আশংকা বয়োজ্যেষ্ঠ লোকৰ। বিশেষজ্ঞ বিজ্ঞানীসকলৰ এই দাবীৰ প্ৰমাণ পোৱা গৈছে কৰ'না ভাইৰাছত আক্ৰান্ত আৰু মৃতকৰ পৰিসংখ্যাত। তৎসত্বেও বিশ্বত একাধিক শতায়ু গৰকা বৃদ্ধ-বৃদ্ধাই এই ৰোগ জয় কৰিবলৈ সক্ষম হৈছে। এইবাৰ এই ৰোগ জয় কৰি অভিলেখ স্থাপন কৰিলে স্পেইনৰ এগৰাকী ১১৩ বছৰীয়া বৃদ্ধাই। মাৰিয়া ব্ৰানিয়াছ নামৰ বৃদ্ধাগৰাকী হৈছে এই পৰ্যন্ত ক'ভিড-১৯ ৰোগৰ পৰা সুস্থ হৈ উঠা বিশ্বৰ সবাতোকৈ বয়সীয়া ব্যক্তি।

বিশ্বৰ কৰ'না-বিধ্বস্ত দেশসমূহৰ অন্যতম হৈছে স্পেইন। দেশখনত এই পৰ্যন্ত ২৭ হেজাৰৰ অধিক লোকৰ মৃত্যু হৈছে। অথচ এই মাৰাত্মক ৰোগেও নতিস্বীকাৰ কৰিলে দৃঢ়মনা মাৰিয়াৰ সন্মুখত। মাদ্ৰিদৰ স্থানীয় সংবাদ মাধ্যমে জনোৱা মতে, দেশখনৰ উত্তৰ-পূবৰ জিৰ'না প্ৰদেশৰ বাসিন্দা ১১৩ বছৰীয়া মাৰিয়া। কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত এমাহৰ চিকিৎসাৰ অন্তত সম্প্ৰতি সুস্থ হৈ উঠি মাৰিয়াই সকলোকে আচৰিত কৰি তুলিবলৈ সক্ষম হৈছে। তিনি সন্তানৰ মাতৃ মাৰিয়াৰ শৰীৰত যোৱা এপ্ৰিলত কৰ'নাৰ উপস্থিতি পোৱা যায়। উল্লেখ্য যে শতায়ু গৰকা বৃদ্ধাগৰাকীয়ে বিগত প্ৰায় ২০ বছৰ ধৰি কাটালনিয়াৰ অ'ল্ড এজ নাৰ্ছিংহোম (বৃদ্ধাশ্ৰম)ত আছিল। কৰ'নাত আক্ৰান্ত হোৱাৰ পাছৰে পৰা তেওঁক উক্ত বৃদ্ধাশ্ৰমতে আইছ'লেছনত ৰখা হৈছিল। অৱশেষত যোৱা সোমবাৰে তেওঁক কৰ'নামুক্ত ঘোষণা কৰা হয়। মন কৰিবলগীয়া যে মাৰিয়া আইছ'লেছনত থকা কাষৰ দুটা কক্ষত চিকিৎসাৰত আন দুজনৰ মৃত্যু হৈছিল। সোমবাৰে পুনৰ পৰীক্ষা কৰাত তেওঁৰ ফলাফল ঋণাত্মক হোৱাত তেওঁক কৰ'নামুক্ত ঘোষণা কৰা হয়। এই পৰ্যন্ত কৰ'নাৰ পৰা সম্পূৰ্ণ সুস্থ হোৱা সবাতোকৈ বয়োজ্যেষ্ঠ লোকৰ আখ্যা লাভ কৰিছে বৃদ্ধাগৰাকীয়ে।



# সামাজিক দূৰত্ব নিশ্চিত কৰিব ৰবট কুকুৰে

**নিউজ ব্যুৰ'**
**কলকাতা, ১৩ মে' ঃ** বহু দেশেই কৰ'না আতংকৰ সময়ত সাধাৰণ মানুহৰ মাজত সামাজিক দূৰত্ব নিশ্চিত কৰিবলৈ নিত্য নতুন পদ্ধতি উদ্ভাৱন কৰি আছে। ইয়াৰ মাজতে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিলে ছিংগাপুৰে। সামাজিক দূৰত্ব নিশ্চিত কৰাৰ বাবে ৰবট কুকুৰৰ সহায় লৈছে দেশখনে। ছিংগাপুৰৰ এখন উদ্যানত ব'ষ্টন ডাইনেমিক্‌ছৰ দ্বাৰা তৈয়াৰী এটা হালধীয়া-ক'লা ৰঙৰ কুকুৰ ৰবট নিয়োগ কৰা হৈছে। এই ৰবট কুকুৰে উদ্যানখনত ঘূৰি ফুৰিব আৰু সামাজিক দূৰত্বৰ কথা বাৰেপতি দৰ্শনাৰ্থীসকলক সচেতন কৰি থাকিব। এই ৰবটত এটা কেমেৰা সংযোজিত কৰা হৈছে। সেই কেমেৰাই উদ্যানখনৰ চিত্ৰবোৰ বন্দী কৰি উদ্যান কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব। তেতিয়াই কৰ্তৃপক্ষই দেখা পাব উদ্যানত কিমান মানুহ আছে তথা তেওঁলোকে সামাজিক দূৰত্ব মানি চলিছে নে নাই।

এক বিবৃতিযোগে ছিংগাপুৰ চৰকাৰে জনাইছে যে ই কেমেৰাৰ মাধ্যমেৰে সুনিৰ্দিষ্টভাৱে কাৰোবাক চিনাক্ত কৰা নহয় আৰু কাৰো ব্যক্তিগত তথ্যও সংগ্ৰহ কৰা নহ'ব। উল্লেখ্য যে ছিংগাপুৰতো কৰ'না ভাইৰাছ ব্যাপকভাৱে বিয়পি পৰিছে।সেয়ে সামাজিক দূৰত্ব নিশ্চিত কৰিবলৈকে এই ৰবট কুকুৰটো পৰীক্ষামূলকভাৱে নিয়োগ কৰা হৈছে। উদ্যানখনত দুসপ্তাহ চলাচল কৰাৰ পাছত ইয়াৰ সাফল্যৰ ভিত্তিত পৰৱৰ্তী সময়ত এই প্ৰকল্প সম্প্ৰসাৰণ কৰা হ'ব বুলি জনাইছে ছিংগাপুৰ চৰকাৰে।



# গছৰ পাত খাই ক্ষুধা নিবাৰণ অশীতিপৰৰ

## দৃশ্য দেখি একাংশ লোকৰ আহাৰৰ ব্যৱস্থা গ্ৰহণ কৰিলে দুই যুৱকে

**নিউজ ব্যুৰ'**
**কলকাতা, ১৩ মে' ঃ** তলাবন্ধৰ বাবে কলকাতা ৰেল ষ্টেছনত আবদ্ধ হৈ পৰিছিল উত্তৰপ্ৰদেশৰ এজন অশীতিপৰ বৃদ্ধ। আকস্মিক পৰিস্থিতিত পৰি এনে দুৰৱস্থা হ'ল যে কিছুদিন গছৰ পাত খাই তেওঁ ক্ষুধা নিবাৰণ কৰিবলগীয়া হয়। অৱশ্যে দুজন স্থানীয় যুৱকৰ সহৃদয়তাত গোৰক্ষ সিং নামৰ ৮১ বছৰীয়া লোকজনৰ ক্ষুধা নিবাৰণৰ ব্যৱস্থা হয়। উল্লেখ্য যে উত্তৰপ্ৰদেশৰ নাকাপুৰা গাঁৱৰ বাসিন্দাজনে বিশেষ কাৰণত কলকাতাত উপস্থিত হোৱাৰ পাছত তলাবন্ধ ঘোষণা হোৱাত ৰেল ষ্টেছনতে তেওঁ আবদ্ধ হৈ পৰে। দুদিনমান খোৱাবস্তু কিনি খাইছিল যদিও হাতত থকা টকাকেইটা শেষ হোৱাত বৃদ্ধ উপায়হীন হৈ পৰে। সহায় কৰিবলৈকো কাষত কোনো নাছিল। সেয়ে দুটা দিন কেৱল পানীৰে পেট পূৰাই থাকিবলৈ বাধ্য হয়। কিন্তু অকল পানীৰে কিমানদিন চলিব? উপায় নাপায় দুটা দিন ধৰি তেওঁ ষ্টেছনৰ কাষতে থকা গছৰ পৰা পাত ছিঙি খাবলৈ বাধ্য হয়। বৃদ্ধৰে দুৰ্ভাগ্য, সেই স্থানত নাছিল কোনো ফলৰ গছ। লক্ষ্যণীয়ভাৱে বহু লোকে সেই দৃশ্য দেখিও কোনো ধৰণৰ সহমৰ্মিতা প্ৰদৰ্শন কৰা নাছিল। দুদিনৰ অন্তত বৃদ্ধই গছৰ পাত ভক্ষণ কৰা দৃশ্য প্ৰত্যক্ষ কৰে আছাদুল আৰু ফাৰুখ নামৰ দুজন স্থানীয় যুৱকে। সেই দৃশ্যই যুৱকদ্বয়ৰ অন্তৰ দহি পেলায়। তাৰ পাছৰে পৰা বিগত এমাহৰো অধিক দিন ধৰি যুৱকদ্বয়ে গোৰক্ষ সিঙৰ লগতে কলকাতা ৰেল ষ্টেছনত আবদ্ধ হৈ থকা আন ২৬ পুৰুষ-মহিলা-শিশুৰ বাবে ভাত-দাইলৰ ব্যৱস্থা কৰি আছে। ইয়াৰ উপৰি যুৱকদ্বয়ৰ প্ৰচেষ্টাতে আৰক্ষী আৰু স্থানীয় প্ৰশাসনে পুৱাৰ ভাগত উক্ত আবদ্ধ লোকসকলৰ খোৱাৰ ব্যৱস্থা কৰে। আনহাতে, নিশাৰ আহাৰ যোগান ধৰে আছাদুল আৰু ফাৰুখ নামৰ হৃদয়বান যুৱকদ্বয়ে।

অশীতিপৰ গোৰক্ষ সিঙে জনোৱা মতে, এজন লোকৰ পৰা প্ৰাপ্য ধন আদায়ৰ বাবে তেওঁ উত্তৰপ্ৰদেশৰ পৰা কলকাতালৈ আহিছিল। সাত বছৰৰ পূৰ্বে কলকাতাৰ এজন লোকৰ ঘৰত তেওঁ ৰাজমিস্ত্ৰিৰ কাম কৰিছিল। সেই কামৰে কিছু ধন পাবলৈ বাকী আছিল। তলাবন্ধৰ পূৰ্বে তেওঁ ৰেলত আহি কলকাতাত উপস্থিত হৈ উক্ত লোকজনৰ গৃহলৈ যায় যদিও প্ৰাপ্য ধনখিনি তেওঁ নাপালে। কিন্তু সেইদিনাই তলাবন্ধ ঘোষণা কৰাত সিং কলকাতাতে আবদ্ধ হৈ পৰে। কোনোমতে কলকাতা ৰেল ষ্টেছনত উপস্থিত হয় যদিও তেওঁ ঘৰলৈ উভতি যাব নোৱাৰিলে। অশীতিপৰ লোকজনৰ এতিয়া সংগী মাথো দুডাল লাঠি। সেই লাঠিৰ সহায়তে তেওঁ দুৰ্বল শৰীৰটো ষ্টেছনৰ সিফালৰ পৰা সিফাললৈ টানি নি অনন্ত সময়খিনি পাৰ কৰিবলৈ চেষ্টা কৰি আছে।

## মুক্ত হৈ আছে কৰ'না ভাইৰাছৰ পৰা



# বৰ্তমান সময়ত পৃথিৱীৰ ভিতৰতে সবাতোকৈ সুৰক্ষিত স্থান এণ্টাৰ্কটিকা

**নিউজ ব্যুৰ'**
**নিউয়ৰ্ক, ১৩ মে' ঃ** বৰ্তমান সময়ত পৃথিৱীৰ ভিতৰতে সবাতোকৈ সুৰক্ষিত স্থান হৈছে এণ্টাৰ্কটিকা। কৰ'না ভাইৰাছৰ দ্বাৰা বৰ্তমানো সম্পূৰ্ণভাৱে মুক্ত হৈ আছে পৃথিৱীৰ এই মেৰু অঞ্চল। চীনৰ উহানৰ পৰা সমগ্ৰ বিশ্বত বিয়পি পৰা মাৰাত্মক কৰ'না ভাইৰাছে এতিয়াও টোকৰ দিব পৰা নাই এণ্টাৰ্কটিকাত। ক'বলৈ গ'লে এণ্টাৰ্কটিকাত কৰ'না ভাইৰাছৰ সংক্ৰমণৰ আশংকাও প্ৰায় নাই বুলিয়েই কোৱা হৈছে। অৱশ্যে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ আৰম্ভণিৰ সময়ছোৱাত এণ্টাৰ্কটিকাতো কৰ'না ভাইৰাছৰ সংক্ৰমণৰ আশংকাই দেখা দিছিল। পৃথিৱীৰ ভিতৰতে শীতলতম অঞ্চলটোত গ্ৰীষ্মৰ সময়ত উপস্থিত হোৱা পৰ্যটকৰ এখন জাহাজত কৰ'না ভাইৰাছৰ সংক্ৰমণ হৈছিল; কিন্তু জাহাজখন এণ্টাৰ্কটিকাত নাথাকিল। এতিয়া অহা ছমাহলৈ এণ্টাৰ্কটিকাত শীতৰ প্ৰৱলতা থাকিব। স্বাভাৱিকতেই এনে কাৰণত বিশ্বৰ অন্যান্য প্ৰান্তৰ স'তে কোনো যোগাযোগ নাথাকিব মেৰু অঞ্চলটোৰ। ইয়াৰ ফলত এণ্টাৰ্কটিকাত কৰ'না ভাইৰাছৰ সংক্ৰমণৰ সম্ভাৱনাও প্ৰায় স্তিমিত হৈ পৰিছে। পৃথিৱীৰ এই বৃহত্তৰ অঞ্চলটোত স্থানীয় আৱাসী বুলিবলৈ তেনেকৈ কোনো নাই। পেংগুইন, তিমি, ছীল আৰু এলবাট্ৰোচ নামৰ পৃথিৱীৰ সবাতোকৈ দীঘলীয়া পাখিৰ চৰাইৰ দলৰ বাহিৰে এণ্টাৰ্কটিকাত সাময়িকভাৱে থাকে মাত্ৰ কিছু সংখ্যক বিজ্ঞানী। পৃথিৱীৰ এই শীতল মেৰু অঞ্চলটোত বিশ্বৰ বিভিন্ন প্ৰান্তৰ পাঁচ হেজাৰৰো অধিক বিজ্ঞানী তথা গৱেষক থাকে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ একেবাৰে উত্তৰ দিশত আছে মাৰ্কিন গৱেষণা কেন্দ্ৰ পালমাৰ ষ্টেছন। সেই স্থানত থকা প্ৰশাসনিক প্ৰধান কেৰি নেলছনে কয়, 'অঞ্চলটোত কৰ'না ভাইৰাছৰ সংক্ৰমণে বিস্তাৰ লাভ কৰিব নোৱাৰাটো আমাৰ বাবেই মংগলজনক। তাৰ বাবে আমি আমাৰ নিজৰ ভাগৰে ওচৰতে কৃতজ্ঞ।'

# 'কনটেইনমেণ্ট জ'ন'ত ২৪ ঘণ্টাই পহৰাৰ ব্যৱস্থা

## স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হ'লেও পৰিৱেশৰে সহাৱস্থান কৰিবলৈ বাধ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** সমগ্ৰ বিশ্বত ত্ৰাসৰ সৃষ্টি কৰা কৰ'না ভাইৰাছ (ক'ভিড-১৯)ৰ সংক্ৰমণ প্ৰতিৰোধৰ স্বাৰ্থত প্ৰশাসনে নিৰ্ধাৰণ কৰা 'কনটেইনমেণ্ট জ'ন'ত থাকিবলগীয়া হৈছে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোক। ইয়াৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হ'লেও পৰিৱেশৰে সহৱস্থান কৰিবলৈ বাধ্য হৈছে সংশ্লিষ্ট লোকসকলে। নিজৰ লগতে সমাজৰ সুৰক্ষা নিশ্চিতকৰণৰ স্বাৰ্থতে ক্ষণিকৰ বাবে পোৱা অসুবিধাসমূহ আওকাণ কৰি চলাৰ অভ্যাস গঢ়ি তোলা বুলি কয় বৰ্তমানে 'কনটেইনমেণ্ট জ'ন' হিচাপে চিহ্নিত হোৱা মহানগৰীৰ অমিয় নগৰ নিবাসী তুলতুল ডেকাই। 'দৈনিক অগ্ৰদূত'ৰ আগত আজি এই কথা অৱগত কৰি তেওঁ কয়, 'মহানগৰীৰ অমিয় নগৰ নিবাসী বৰদা দাসৰ শৰীৰত কৰ'না ভাইৰাছ (ক'ভিড-১৯)ৰ অৱস্থিতি ধৰা পৰাৰ পাছতে যোৱা আঠ মে'ৰ পৰা আমাৰ অঞ্চলটো কনটেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰে জিলা প্ৰশাসনে। তেতিয়াৰে পৰা আমি এবাৰৰ বাবেও বাহিৰলৈ ওলাব পৰা নাই আৰু বাহিৰৰ পৰা অহা কোনো লোকে আমাক সাক্ষাৎ কৰাৰ সুযোগ পোৱা নাই।' ২৪ ঘণ্টাই অঞ্চলটোত নিৰাপত্তাৰক্ষীয়ে পহৰাৰ ব্যৱস্থা কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ঘৰতে একেৰাহে আবদ্ধ হৈ থকা বাবে সময়বোৰ নোযোৱা যেন লাগে। প্ৰথমাৱস্থাত অঞ্চলটোৰ বহুলোক বিৰক্ত হৈছিল। কিন্তু কৰ'না ভাইৰাছৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোৰ প্ৰতিজন লোকে পৰিৱেশেৰে সহৱস্থান কৰিছে। অঞ্চলটোত যাতে দ্বিতীয় কোনো এজন ব্যক্তিয়ে কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত নহয়; তাৰ বাবে প্ৰশাসনে বান্ধি দিয়া নীতি-নিৰ্দেশনাসমূহ সঠিকভাৱে পালন কৰিছে। নিজৰ লগতে সমাজৰ সুৰক্ষাৰ বাবে ক্ষণিকৰ বাবে পোৱা অসুবিধাসমূহ আওকাণ কৰি চলা বুলি উল্লেখ কৰি ডেকাই কয়, 'মই সংগীত চৰ্চা কৰো বাবে ব্যক্তিগতভাৱে অসুবিধা পোৱা নাই। সন্ধিয়া দীৰ্ঘসময় ধৰি ঘৰতে কী ব'ৰ্ডত হাত বুলাইছো। দিনৰ ভাগত টিভিত বিভিন্ন অনুষ্ঠানৰ লগতে বা-বাতৰিও চাইছো। অলপ-অচৰপ বাসগৃহ চৌহদতে সময় উলিয়াই খোজ কাঢ়িছো। এনেকৈয়ে আজি দুদিন অতিক্ৰম হ'ল। কিন্তু অঞ্চলটোৰ বহু মানুহে বিৰক্ত হৈ বাহিৰলৈ যোৱাৰ চেষ্টা চলাইছিল। কিন্তু সকলোৰে সুৰক্ষাৰ বাবে এতিয়া সকলোৱে পৰিৱেশেৰে মুখামুখি হোৱাৰ বাবে সাজু হৈছে। সৰু-সুৰা অসুবিধাবোৰ এতিয়া আওকাণ কৰিব লৈছে। প্ৰয়োজনীয় দুই-এপদ সামগ্ৰী ওচৰৰ চাৰিআলিৰ দোকানীয়ে দি থৈ যোৱা বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে অমিয় নগৰত প্ৰায় ৩৪টা



পৰিয়াল আছে। এই পৰিয়ালসমূহত প্ৰয়োজনীয় খাদ্য সামগ্ৰী জিলা প্ৰশাসনে যোগান ধৰিছে। ইয়াৰ পাছতো দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী প্ৰয়োজন হ'লে ওচৰৰ চাৰিআলিত থকা দোকানীয়ে আহি নিৰ্দিষ্ট দূৰত্বৰ পৰা দি থৈ যায়। অঞ্চলটোৰ নিৰাপত্তাৰ দায়িত্বত থকা নিৰাপত্তাৰক্ষীসকলে থকা ঠাইত এখন বেঞ্চ থোৱা আছে। এই বেঞ্চতে দূৰৈৰ পৰা গাখীৰ, বিস্কুটকে ধৰি অন্যান্য সামগ্ৰী দি থৈ যায়। লগতে কালি পৰ্যন্ত স্বাস্থ্য বিভাগে অঞ্চলটোৰ প্ৰায় ৩৫ জন লোকৰ লেলাউটিৰ নমুনা সংগ্ৰহ কৰিছে। বাকী থকাসকলৰো নমুনা সংগ্ৰহ কৰিব। কিন্তু 'কনটেইনমেণ্ট জ'ন'ৰ বাবে জাৰি কৰা নিৰ্দেশনা কেতিয়া প্ৰত্যাহাৰ হ'ব সেয়া নিশ্চিত হোৱা নাই। অহা ২২ মে'ত ১৮ দিন হ'ব যদিও অঞ্চলটোত আঁৰি থোৱা হৰ্ডিঙত পাঁচ জুনলৈকে বুলি উল্লেখ আছে। গতিকে অহা পাঁচ জুন পৰ্যন্ত অঞ্চলটো কনটেইনমেণ্ট জ'ন হিচাপে চিহ্নিত হৈ থকাৰ সম্ভাৱনা থকা বুলি তেওঁ কয়। এই সময়ছোৱাত সকলোৱে সুৰক্ষাৰ বিষয়টো অত্যন্ত জৰুৰী। ইয়াৰ বাবে কষ্ট হ'লেও সকলো দিশতে প্ৰশাসনক সহযোগ কৰা বুলি ডেকাই কয়। অনুৰূপ মন্তব্য ফাঁচী বজাৰৰ এম এছ ৰোড নিৱাসী মনোজ জালানৰো। তেওঁ কয়, 'ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হোৱা বাবে যথেষ্ট অসুবিধা হৈছে। কিন্তু নিজৰ লগতে ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত এই অসুবিধা মানি লোৱাৰ বাহিৰে অন্য বিকল্প নাই।' অঞ্চলটোত খাদ্য সামগ্ৰীৰ অভাৱ নাই বুলি উল্লেখ কৰি তেওঁ কয় যে খাদ্য সামগ্ৰীৰ অভাৱ নাই। কিন্তু দৈনন্দিন ব্যৱহাৰ্য সা-সামগ্ৰী আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত কৰ্মৰত কৰ্মচাৰীৰ বাবে পৰিয়ালৰ লোকে প্ৰস্তুত কৰা খাদ্য দিয়াৰ সময়ত কৰ্তব্যৰত নিৰাপত্তাৰক্ষীয়ে হাৰাশাস্তি কৰিছে। এই ক্ষেত্ৰত প্ৰশাসনক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবে আহ্বান জনাই তেওঁ কয় যে প্ৰত্যেক দিনাই অঞ্চলটোৰ নিৰাপত্তাৰ দায়িত্বত থকা নিৰাপত্তাৰক্ষীসকল সঘনাই সলনি হয়। ফলত গাখীৰ, পাচলিকে ধৰি দৈনন্দিন ব্যৱহাৰ্য সমগ্ৰী সংগ্ৰহৰ ক্ষেত্ৰত পৰিয়ালসমূহে কিছু অসুবিধাৰ সন্মুখীন হৈছে। এই ক্ষেত্ৰত প্ৰশাসনে অলপ গুৰুত্ব দিলেই অঞ্চলটোৰ লোকসকলে পাই থকা অসুবিধা দূৰ হ'ব বুলি তেওঁ কয়। লগতে অঞ্চলটোত কে'বাজনো শ্ৰমিক আবদ্ধ হৈ আছে। সংশ্লিষ্টসকলে খোৱা-লোৱাৰ অসুবিধা পোৱা বুলি তেওঁ জনায়। অৱশ্যে এই মুহূৰ্তত সকলোৱে কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰ-প্ৰশাসনক সহযোগ কৰা বুলি জালানে উল্লেখ কৰে। অনুৰূপ মন্তব্য এম এছ ৰোড নিবাসী মুকুল জালানৰো। তেওঁ কয়, কনটেইনমেণ্ট জ'নত আবদ্ধ হৈ থাকিলেও বিশেষ অসুবিধা নাই। কিন্তু কৰ্তব্যৰত নিৰাপত্তাৰক্ষীয়ে সা-সামগ্ৰী দিবলৈ অহা লোকক অযথা হাৰাশাস্তি কৰিছে। সকলোৱে সহযোগিতা আগবঢ়োৱাৰ সময়। প্ৰশাসনেও এই ক্ষেত্ৰত সহযোগ কৰা উচিত বুলি উল্লেখ কৰি তেওঁ কয় যে ফাঁচী বজাৰত কনটেইনমেণ্ট জ'ন হিচাপে চিহ্নিত অঞ্চলটোত দুখনকৈ আলুভৰ্তি ট্ৰাক আবদ্ধ হৈ আছে। এই ট্ৰাক দুখনৰ আলুখিনি উলিওৱাৰ ব্যৱস্থা নকৰিলে পচি যোৱাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি তেওঁ কয়। অৱশ্যে এই সময়ছোৱাত আন বিশেষ অসুবিধা নোপোৱা বুলি তেওঁ উল্লেখ কৰে।

উল্লেখযোগ্য যে কৰ'না ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা লোকৰ কৰ্মস্থলী অথবা বাসস্থানসমূহক কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত জিলা প্ৰশাসনসমূহে কনটেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰি আহিছে। এই সম্পৰ্কত জাৰি কৰা নিৰ্দেশনা প্ৰত্যাহাৰ নকৰা পৰ্যন্ত সংশ্লিষ্ট অঞ্চলৰ ভিতৰত থকা কোনো লোক বাহিৰলৈ যাব নোৱাৰে আৰু বাহিৰৰ পৰাও কোনো লোক অঞ্চলটোৰ ভিতৰলৈ যাব নোৱাৰে। এই সম্পৰ্কত জাৰি কৰা নিৰ্দেশনা যাতে কোনো কাৰণতে উলংঘা নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট অঞ্চলসমূহত ২৪ ঘণ্টাই নিৰাপত্তাৰক্ষীয়ে পহৰা দিয়ে বুলি জিলা প্ৰশাসনৰ এক সূত্ৰই জনায়।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com